# আলোচনা

## মণ্ডলচাঁদ মহাবিদ্যালয়

সম্পাদক/ বিশ্বজিত গোস্বামী

# মঙলদৈ মহাবিদ্যালয় আলোচনী

## ॥ অসমীয়া বিভাগ ॥

ওঁ অসতো মা সদ্‌গময়
তমসো মা জ্যোতির্গময়,
মৃত্যোৰ্মা অমৃতং গময় ॥
ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ

## মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ বাৰ্ষিক প্ৰকাশ

## ইং ১৯৮২—৮৩ চন

॥ মঙলদৈ মহাবিদ্যালয় সঙ্গীত ॥

মহাজীৱনৰ / মহাসাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ / ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ॥ ১ ॥

অজ্ঞানতাৰ / অমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ / শিখাৰে বিলালা
সুধা / সঞ্জীৱনী।
বিকশিত আজি / শত শত দল
তোমাৰ চৰণ চুমি ॥ ২ ॥

বিয়পি পৰিছে / চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ
শত প্ৰদীপৰ / জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান ॥
তোমাৰ আভাত / হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥ ৩ ॥

—প্ৰভাত চৌধুৰী

ভাৰত চন্দ্ৰ শৰ্ম্মা এম.এ.
ভাৰপ্ৰাপ্ত অধ্যাপক

বিশ্বজিত গোস্বামী
সম্পাদক

হুঙ্কাৰি উঠিল মুক্তি-যুঁজাৰু
ওলাই আহিল অসমী গাভৰু
মৃত্যু বিজয়ী গাৱঁৰ জীয়ৰী
দীপ্ত কনকলতা—
লুইতৰ পাৰৰ ৰণৰূপিনী দ্বাদশ মুক্তিব্ৰতা।

—জ্যোতিপ্ৰসাদ

## সম্পাদনা সমিতি :

অধ্যক্ষ পূৰ্ণ বৰা (সভাপতি)
উপাধ্যক্ষ গোপী শৰ্মা
অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা (তত্বাৱধায়ক)
বিশ্বজিত গোস্বামী (সম্পাদক)
দীপক বৰদলৈ
মোস্তাফা কামাল
তৰুণ চন্দ্ৰ শৰ্মা
দেবেন মেধী
মন্টু কুমাৰ দাস
আদিলা খানম


কৃতজ্ঞতা স্বীকাৰ :

অধ্যক্ষ পূৰ্ণ বৰা, অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা, শ্ৰীভবানন্দ ৰাজখোৱা এম.এ. সাহিত্যিক পেন্সনাৰ, অধ্যাপক বিচিত্ৰ কুমাৰ মেধি, প্ৰাক্তন ছাত্ৰ পৰমানন্দ ৰাজবংশী, সাবিত্ৰী তালুকদাৰ (ডেকা), সম্পাদনা সমিতি, মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মী, লিখক-লিখিকা সকল, বন্ধুবৰ খৰ্গেশ্বৰ, মহেন্দ্ৰ দা, প্ৰমুখ্যে প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায়কাৰী বন্ধু-বান্ধৱী সকল।

জনতা প্ৰেছৰ কৰ্মীবৃন্দ।

বেটুপাত আৰু অলংকৰণ—মন্টু কুমাৰ দাস

# ॥ উচৰ্গা ॥

আই তোক কিহেৰে পূজিমে
আই তোৰ চৰণে দুখানি
আই অ' জীৱন দি পূজিমে তোক ।

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ শ্বহীদ হৰগোবিন্দ গোস্বামী, কুলেন শৰ্মা, খৰ্গেশ্বৰ বৰুৱা, লোকনাথ বৰুৱা, আৰু ডিম্বেশ্বৰ ডেকাৰ পুণ্য স্মৃতিত এই সংখ্যা আলোচনী উচৰ্গা কৰিলোঁ।

॥ সম্পাদনা সমিতি ।

# সূচীপত্র

অসম বন্দনা ঃ শ্ৰীভৱানন্দ ৰাজখোৱা
সম্পাদকীয় চিন্তা ঃ

॥ প্ৰবন্ধ ॥

মানৱ চৰিত্ৰ অধ্যয়নৰ কেতবোৰ উপায় —অধ্যাপক দেৱীদাস নেওগ ১
বাৰ্মুডাৰ বিভীষিকা চাহ মঃ ইচা চালেহ (পন্ত) ৫
কৃত্ৰিম উপগ্ৰহ আৰু মানৱ সমাজত ইয়াৰ প্ৰতিক্ৰিয়া শ্ৰীহেৰম্ব কুমাৰ নাথ ৯
মানৱ জীৱনৰ উদ্দেশ্য ড° ৰমেন কুমাৰ ৰায় ১২

॥ কবিতা ॥

বৰ্ষাস্নাতা পৃথিবী কাঞ্চন বৰুৱা ১৭
সংযোগ মিচ্ মেঘালী দেৱী ১৮
বিশুদ্ধ যৌৱন ঃ তোমালোক সাৱে থাকা শৰৎ চন্দ্ৰ চহৰীয়া ১৯
চিৰন্তন দেবেন কলিতা ২০
বন্দীশালৰ পৰা সাবিত্ৰী তালুকদাৰ (ডেকা) ২১
ৰূপান্তৰ ড° ৰমেন ৰায় ২২
সহযাত্ৰী তোমালৈ বীণা দেৱী ২৪
সাধুকথাৰ মুক্তি মিচ্ গোলাপী বৰুৱা ২৫
অবান্তৰ হেমলতা দেৱী ২৫
সাম্প্ৰতিক বন্দী কবি মই তোমালোকৰ দুখৰ প্ৰমোদ চন্দ্ৰ চহৰীয়া ২৬
প্ৰত্যাহ্বান হিমাংশুৰঞ্জন নাথ —

॥ গল্প ॥

ৰজনীগন্ধা মন যাব গজেন্দ্ৰ বৰুৱা ২৯
অধিকাৰ অধ্যাপক বিচিত্ৰ মেধি ৩৭
দিন আৰু প্ৰতিদিন পৰমানন্দ ৰাজবংশী ৪৩
নাইলনৰ পুতলা (অনুবাদ গল্প) কুশল দত্ত ৪৬
স্তম্ভমূল অধ্যাপক শ্ৰীমতিৰাম মেধি ৫৩
অন্যযুগ শ্ৰীত্ৰৈলোক্য শৰ্মা ৫৭
.. .. .. .. ..
বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন — ৬৭

# ॥ অসম-বন্দনা ॥

শ্ৰীভৱানন্দ ৰাজখোৱা, এম, এ,
(সাহিত্যিক পেঞ্চনাৰ)

বন্দনা গাওঁ অসম তোমাৰ
জনমে জনমে, যুগে যুগে ;
বিচাৰে তোমাৰ চৰণ-কমল
তেজ-ৰঙা মোৰ অনুৰাগে !
তুমি আই মোৰ জন্মভূমি,
তুমি ধৰ্ম্ম, কৰ্ম্ম, স্বৰ্গভূমি,
তোমাৰ পূজাতে মোৰ সাধনাৰ
সকলো লক্ষ্য শেষ ।
নিপুণ বিধিয়ে ৰহণ চৰোৱা
তুমিযে ৰম্য দেশ ॥
বন্দনা গাওঁ অসম তোমাৰ
জনমে - জনমে, যুগে - যুগে !

সোণালী সূৰ্য্যৰ সোৱনশিৰীয়ে
লখিমী হাতেৰে সিঁচিলে সোণ ;
জীৱনৰ মোৰ লাজুকী সঁতিত
তাৰেই গৰিমা জিলিকেচোন !
জোনৰ কিৰণ চকুতে নামে,
তোমাৰ মায়াত পৰাণ পমে,
ভুৱনমোহিনী আই প্ৰকৃতিয়ে
কত ৰূপ-ৰস দিলেহি দান ।
কিন্নৰী যেন বন বিহগীৰ
মাখনী মাতৰ শুনিলোঁ তান ॥
বন্দনা গাওঁ অসম তোমাৰ
জনমে - জনমে, যুগে - যুগে !

ব্ৰহ্মপুত্ৰই বজ্ৰ-বাণীৰে
দিলেহি নতুন মন্ত্ৰ দান ;
তোমাৰ পূজাত তাকেই জপিলোঁ
কৰি লুইতত পুণ্য স্নান !
যুগল গুৰুৱে অমৃত ঢালি
ৰসময় কৰে প্ৰাণ-পদূলি,
সন্ধি-পূজাত কত সন্তানৰ
লভিলা বুকুৰ তেজৰ দান ।
শ্মশান-কালী তথাপি নোহোৱা,
ভদ্ৰকালীৰ ৰাখিছা মান ॥
বন্দনা গাওঁ অসম তোমাৰ
জনমে-জনমে, যুগে -যুগে !

তোমাৰেই আই ধূলি-কণিকায়ো
সজাই পৰাই তুলিলে মোক ;
মহিমা মণ্ডিত অতীতে তোমাৰ
দিলেহি হাতত সোণালী থোক্ !
তোমাৰ দুখৰ আঘাতবোৰে
মোক দহি যায়, মোক যে পোৰে,
সেয়েইযে মোক পুণ্য কৰে
তোমাৰ প্ৰেমৰ বঢ়ায় চোক্ ।
মহাস্নানৰ দ্ৰব্য সেয়েই
মহাষ্টমীত ধুৱাই মোক ॥
বন্দনা গাওঁ অসম তোমাৰ
জনমে-জনমে, যুগে-যুগে !

তোমাৰ মাটিত বহু জনমৰ
স্মৃতিৰ দীপালী নীৰৱে জ্বলে ;
ইমান আপোন আপোন লাগে,
'অসম' নামেই জুৰণি ঢালে !
সুখৰ দিনত মাতৃ মায়াই
শুভ্ৰ সুষমা হিয়াত নমায়,
আঁউসীৰ ৰাতি জীয়া কলিজাত
ৰক্তজবাৰ অগ্নি জ্বলে ।
শান্তি-পৰ্ব্ব পুনৰ নমাই
দুগ্ধ-জৱাই চমক্ তোলে ॥
বন্দনা গাওঁ অসম তোমাৰ
জনমে - জনমে, যুগে - যুগে !

দেখিলে দেখক কোনোবাই তোমাৰ
মলিন বসন, নিছলী বেশ ;
তথাপি তুমিয়েই অন্নপূৰ্ণা ,
মহিমাময়ী সোণৰ দেশ !
তোমাৰ আসন মাটিত নহয়,
মুক্তখচিত বেদীত নহয়,
মোৰ কলিজাৰ গুপুত কোঁহত
হোৱা নাই য'ত হোমৰ শেষ
তাতেই তোমাৰ স্বৰ্ণ-আসন
আই, আই, মোৰ সোণৰ দেশ ।
বন্দনা গাওঁ অসম তোমাৰ
জনমে - জনমে, যুগে - যুগে !      000

# ঃ সম্পাদকীয় চিন্তা ঃ

"মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন"—প্ৰতিজন অসমীয়াৰ কণ্ঠত উক দি দি বাজে এই ধ্বনি। শান্তিৰে আন্দোলন কৰিবলৈ ককালত টঙালি বান্ধি ওলাই অহা হেজাৰ হেজাৰ অসমীয়া আন্দোলনকাৰীয়ে পিঠিত পুলিচ, চি, আৰ, পিৰ টাঙোন, লাঠিৰ কোব খায়ো আন্দোলনলৈ ভুলটো পিঠি দিয়া দেখা নগল। অবৈধ চৰকাৰে লোভনীয় ভাট্টাৰে অসমীয়া জনগণক প্ৰলুব্ধ কৰিব পৰা নাই। কাৰণ অসমীয়াত এফাঁকি ফঁকৰা আছে যে "যিমানে ঠেকে সিমানে শিকে।" আজি অসমৰ প্ৰতিজন (স্বেচ্ছাচাৰিতাৰে শাসনাধিস্থ হোৱা শাসক সকলক বাদ দি) নাগৰিকৰ বাবে এই কথা ফাঁকিৰ অপ্ৰিয় হলেও তাৰ সত্যতা নিবিড় ভাবে ওলাই পৰিছে। নহলেনো শান্তিৰে আন্দোলন চলাই অহা অলেখ আন্দোলনকাৰীয়ে পুলিচ চি-আৰ-পিৰ অসহনীয় নিৰ্য্যাতন ভোগ কৰিও আকৌ আন্দোলনত জপিয়াই পৰিবলৈ সাহস পাইছে ক'ৰ পৰা। অবৈধ চৰকাৰৰ ভেৰোনীয়া গা-ৰখীয়া বোৰে শান্তিকামী জনতাৰ ওপৰত আন্দোলন মষিমূৰ কৰি পেলাবলৈ যিমানেই কঠোৰ দণ্ড হাতত নলগাওক কিয় সেই কঠোৰতাই অপইতা শাসকৰ এক আহিলে হৈ পৰিছে। কোমল লো এটুকুৰা গলাই লৈ বাবে বাবে কোবাই থাকিলে সি আৰু কোমল হৈ নাথাকে। কটকটীয়া টান হৈ পৰে। এটা সময়ৰ বন্দুক-বাৰুদক ভয় কৰা অলেখ অসমীয়া লোক আজি সাহসৰ দুৰ্জয় অগ্নিশিখা হিচাবে বুকু পাতি বন্দুক-বাৰুদৰ সন্মুখত থিয় দিয়া দেখা গৈছে।

অসমৰ শ্যামল মাটি তেজেৰে বাঙলী হল। কিয়? কাৰ বাবে? কিহৰ উত্তেজনাত? অসমৰ বাটে-ঘাটে, চহৰে-নগৰে ইমান বোৰ বন্দুক-বাৰুদ লোৱা শান্তিৰক্ষক বাহিনী থকা সত্বেও এনেবোৰ হীননীয় কাম কৰিবলৈ সাহস পালে বা সাহস দিলে কোনে? বিপদৰ সময়ত গা বচাই থাকিবলৈ ইতৰ প্ৰাণীয়েও যত্ন কৰে। নহলে গুহাবাসী এসময়ৰ মানুহে আজি গুহা এৰি অট্টালিকা বান্ধি থাকিবলৈ নিশিকিলেহেঁতেন। দুখ পালে সুখৰ অনুভূতি ক'ত পায় তাক বিচাৰিবই। বা যাতনাত ভুগিলে সেই যাতনাৰ পৰা কেনেকৈ হাত সাৰিব পৰা যায়, কেনেকৈ তাক নিৰ্মূল কৰিব পৰা যায়--সেইটো চেষ্টা কৰাটো একো দোষণীয় কাম নহয়। অকমান আগুৱাই চিন্তা কৰিলে আমি বুজিবলৈ পাৰো—ভিয়েটনামৰ যুদ্ধ নচলাহেঁতেন তাৰ ল'ৰা-ছোৱালীয়ে বন্দুক-বাৰুদ ব্যৱহাৰ কৰিবলৈ নিশিকিলেহেঁতেন; আৰু প্ৰতিজন নাগৰিকে সেইবোৰ বনাবলৈ নিশিকিলেহেঁতেন। দেখ দেখকৈ কব পাৰি মৰণাস্ত্ৰ সজাতো সমাজ বিৰোধী কাম। কিন্তু বিৰোধী জনক সেইবোৰ সাজিবলৈ প্ৰেৰণা দিলে কোনে? যদি তাক ঘুকুটি চাও তেনেহলে শান্তিৰ প্ৰতীক ব্যৱহাৰ কৰা অশান্তিৰ দানব ৰূপী প্ৰশাসন ব্যৱস্থাই হব।

খাব পালে, পিন্ধিবলৈ পালে কোনো মানুহেই চুৰ নকৰে। চুৰ কৰিবলৈ বা খুজিবলৈ কোনো দেশৰ মানুহে ভাল নাপায়। দেশৰ সুন্দৰ প্ৰশাসন মানেই জনতাৰ ভৱিষ্যত সুন্দৰ জীৱনৰ স্বাক্ষৰ। কিন্তু আজি আমাৰ দেশৰ জনজীৱনলৈ কিমান সুন্দৰতা নামি আহিছে সেইটো বিচাৰ্য্য কথা হৈ পৰিছে।

আব্ৰাহাম লিঙ্কনে কৈছিল—"কিছুমান মানুহক সাময়িক ভাৱে প্ৰৱঞ্চনা হয়তো কৰিব পাৰিবা, কিছুমানক হয়তো সদায়েই প্ৰৱঞ্চনা কৰি থাকিব পাৰিবা, কিন্তু সকলো মানুহকে সদায় কেতিয়াও প্ৰৱঞ্চনা কৰি থাকিব নোৱাৰা।" অসমৰ বাবে আজি এই বাণী শাশ্বতঃ হৈ পৰিছে। আমি সুউচ্চ আসনধাৰী সকলৰ পৰা প্ৰায়ে প্ৰৱঞ্চিত হৈ আহিছো। সেই প্ৰৱঞ্চনা আজি শেষ সীমাত উপনীত হৈ পৰিছে। এনে ক্ষেত্ৰত, এনে সময়ত সেইবোৰ দেখি শুনিও কোনো জীয়া মানুহে সুস্থিৰে থাকিব নোৱাৰে। তাক নিচিহ্ন কৰি পেলাবলৈ আগবাঢ়ি অহাতো প্ৰতিজন নাগৰিকৰে কৰ্তব্য।

ক্ষন্তেকীয়া ভাৱাদৰ্শত আগবাঢ়ি গলেই কোনো কামেই পূৰ্ণ নহয় বৰং ভৱিষ্যতে বিপদবহে সূচনা হৈ পৰে। উদাহৰণ স্বৰূপে আন্দোলনৰ আগমুহূৰ্ততে অসমৰ ডেকা-গাভৰুৱে স্বাৱলম্বীতা হবলৈ (বিদেশীক ভাতে নামাৰি বাটে মাৰিবলৈ) বিচাৰি পান-তামোলৰ দোকান, জোতামাজন, চুলি কটা ইত্যাদি কাম কৰিবলৈ লৈ আকৌ অকস্মাতে সেইবোৰ এৰি পেলোৱা দেখা গ'ল। এনেকুৱা ক্ষন্তেকীয়া ভাৱাদৰ্শই কোনো জাতিকে প্ৰশংসনীয় নকৰি হাঁহিয়াতৰ পাত্ৰলৈহে ঠেলি দিয়া দেখা যায়। এনে কিছুমান দোষৰ বাবেই আমি অসমীয়া জাতিটো নিশকটীয়া হৈ যাব ধৰিছো যাৰ বাবে আমি আজি অনেক ভাই-ভনীক অকালতে হেৰুৱাই পেলাব লগীয়া হৈছে।

সু-শিক্ষাৰ পোহৰ পালে অজ্ঞানী লোকো জ্ঞানী হয়। কিন্তু দেখা গৈছে আমি যিমানে শিক্ষাৰ গভীৰতালৈ সোমাই পৰিছো সিমানে আমাৰ জ্ঞানৰ পৰিসীমা ঠেক হৈ গৈছে।

স্কুল-কলেজত পঢ়ি আমি সকুৱে ডাঙৰক নামানো। মই বৰ ভাবত ঘূৰাটো আমাৰ স্বভাৱত পৰিণত হৈছে। জাতি-অজাতিৰ কথাটো বেলেগেই। যাৰ ফলত ভাৰতৰ প্ৰতিখন প্ৰদেশতে মানুহৰ মিলা-মিছাত অলেখ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। যিটো কথা আজি প্ৰায় ৬শ বছৰ আগতে মাত্ৰ এজন মানুহে বুজিছিল আৰু দেহে-কেহে খাটি মানুহক মানুহৰ শাৰীলৈ আনিবলৈ যত্ন কৰিছিল— সেইজনেই আছিল শ্ৰীশ্ৰীশঙ্কৰদেৱ। সেই একেটি পথেৰে বাট বুলোতা অলেখ পূজাৰীৰ আবিৰ্ভাৱ হৈছে যদিও গুৰুজনাৰ আদৰ্শক প্ৰাণ দিব পৰা নাই। বৰং খেলি-মেলিৰ বেসুৰা ঢোলহে কোবোৱা দেখা গৈছে। ফলত সেই জ্যোতি জ্যোতিষ্মান নহৈ জ্যোতিৰ আকাশ ডাৱৰাচন্ন কৰি পেলাইছে। গতিকে দেখা যায় এখন সৰ্বোৎকৃষ্ট দেশ হবলৈ হলে সেইখন দেশৰ জনগণৰ মনত কোনো অনৈতিকতাৰ বীজ থাকিব নালাগিব।


আজি অসমত বিভিন্ন আন্দোলন গঢ়ি উঠিলেও ঔদ্যোগিক জাগৰণ পূৰ্ণাঙ্গ ৰূপত হোৱা নাই। যাৰ ফলত অসমে ভাতৰ পৰা কাপোৰলৈ অন্য প্ৰদেশৰ ওচৰত হাত পাতিব লগীয়া হৈছে আনহাতে বিদেশীয়েও বিপদাগ্ৰস্ত কৰি অসমক জুৰুল-জুপুৰ কৰি পেলাইছে। অসমৰ প্ৰতিটো মৌজাতে নহলেও প্ৰতিখন মহকুমাতে একোটাকৈ মৰাপাট কল, কাপোৰৰ কল বা অন্যান্য উদ্যোগ গঢ়ি উঠাহেঁতেন তেতিয়া আমাৰ শিক্ষিত নিবনুৱাৰ হাৰ শতকৰা হাৰত কমি যোৱাৰ উপৰিও সাধাৰণ বনুৱা শ্ৰেণীৰ মানুহে দুবেলা দুমুঠি পেট ভৰাই খাবলৈ পালেহেঁতেন। এইটো সঁচা যে তাকে কৰিবলৈ যাওঁতে আমি কিছুপৰিমাণে হলেও আপোন স্বাৰ্থ ত্যাগ কৰিব লাগিব। হলেও সেই ত্যাগ হব মহান।

অসমৰ চোতালত সাহিত্যিক, বুদ্ধিজীৱী আৰু দাৰ্শনিকৰ আকাল হোৱা নাই। এতিয়া সময় হৈছে তেখেতসকলে হাতে কামে আগবাঢ়ি ওলাই আহিবলৈ। নহলে অসমত অসমীয়াৰ গাৰ নোম এডাল ঔষধত দিবলৈ নোহোৱা হব। আমি যদি প্ৰত্যেক অসমীয়াই এক মন, এক প্ৰাণ হিচাবে সকলো সময়তে সকলো কামকে সুঃচিন্তিত ভাৱে কৰি যাব পাৰো তেনেহলে এবাৰ মৰি এবাৰ জী উঠি অচেতন হোৱা অসম দেশে আকৌ এবাৰ যে পুৱাৰ বেলিৰ প্ৰতিশ্ৰুতিৰে মিচিকিয়াই হাঁহি নুঠিব তাক কোনোৱে নুই কৰিব নোৱাৰে। তেতিয়াহে আমি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সুৰতে সুৰ মিলাই আকৌ সমস্বৰে গাব পাৰিম—"অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।"

"জয় আই অসম"

বিশ্বজিত গোস্বামী
সম্পাদক, আলোচনী
১২ ফেব্ৰুৱাৰী--৮৪

# মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থা—১৯৮২-৮৩



প্ৰথম শাৰী ঃ--(বহি বাওঁফালৰ পৰা ক্ৰমে) অধ্যাপক হৰিশচন্দ্ৰ ডেকা (তৰ্ক বিভাগ), অধ্যাপক ঈশ্বৰ চন্দ্ৰ ভড়ালী (ছাত্ৰ জিৰণি কোঠা) অধ্যাপিকা বিদ্যুৎপ্ৰভা দাস (ছাত্ৰী জিৰণি কোঠা), অধ্যাপিকা উষা বৰা (সাহিত্য বিভাগ), উপাধ্যক্ষ গোপী শৰ্মা, অধ্যক্ষ পূৰ্ণ বৰা, অধ্যাপক যাদব নাথ (ব্যাম শালা) অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা (ভাঃ প্ৰাঃ অধ্যাপক ছাত্ৰ সন্থা) অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা, (আলোচনী বিভাগ) অধ্যাপক ৰমণী চহৰীয়া (সমাজ সেৱা) মহেন্দ্ৰ মোহন চৌধুৰী (সাধাৰণ সম্পাদক) নিৰুপম ডেকা (উপ সভাপতি)

দ্বিতীয় শাৰী ঃ--(বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে) সৰ্বশ্ৰী পঞ্চম জনৰ পৰা আৰিফ আলি (সঃ সাহিত্য বিভাগ) চন্দ্ৰমা বৰুৱা (সঃ ছাত্ৰী জিৰণি কোঠা) চফিকুৰ ৰহমান (সঃ ছাত্ৰ জিৰণি কোঠা), স্বৰূপ জ্যোতি ডেকা (সঃ সুকুমাৰ কলা) চিৰাজুল হক (সঃ ব্যায়াম শালা) খৰ্গেশ্বৰ নাথ (সঃ তৰ্ক বিভাগ ), উমেশ বৰদলৈ ( সঃ লঘু ক্ৰীড়া বিভাগ ), প্ৰদ্যুৎ নাৰায়ণ দেৱ (সঃ সাংস্কৃতিক বিভাগ), দীপক বৰদলৈ ( সঃ সাঃ সম্পাদক ), উপেন ডেকা ( সঃ সমাজ সেৱা ), বিশ্বজিত গোস্বামী (সঃ আলোচনী বিভাগ)।

# মানৱ চৰিত্ৰ অধ্যয়নৰ কেতবোৰ উপায়

অধ্যাপক দেৱীদাস নেওগ,
এম. এ., এল. এল. বি.
দৰ্শন বিভাগ।

সভ্যতা সংস্কৃতিয়ে মানুহক আন কিবা শিকাওক বা নিশিকাওক--- নিজকে লুকুৱাবলৈ শিকাইছে। দেখিলে গা জ্বলি যোৱাজনকো বাটত দেখিলে দাঁত কেইটা নিকটাই (অৰ্থাৎ মিচিকিয়া হাঁহি এটা মাৰি) আমি বুজাই দিব খোজো ---'তোমাক দেখি বৰ ভাল লাগিল!' গতিকে মানুহৰ মন বা মানব চৰিত্ৰ অধ্যয়ন বৰ উজু কাম নহয়। তথাপি নিম্নোক্ত উপায় সমূহেৰে মানুহৰ ব্যক্তিত্ব বা চৰিত্ৰৰ বৈশিষ্ট্যবোৰৰ থূলমূল ধাৰণা কৰিব পাৰি। বিশেষকৈ চাকৰি-বাকৰি আদিৰ বাবে লোৱা সাক্ষাৎকাৰ আদিত এই উপায়সমূহে প্ৰাৰ্থী নিৰ্বাচনত কিছু সহায় কৰিব পাৰে।

(১) প্ৰথমেই লক্ষ্য কৰক মানুহজনে কোনো ক্ষেত্ৰত অতি-অভিনয় কৰিবলৈ চেষ্টা কৰিছেনেকি। যিখিনিতেই অতি-অভিনয় কৰা যেন দেখে সেইখিনিতেই মানুহজনক লুটিয়াই দিয়ক। প্ৰকৃত মানুহজনৰ সম্বন্ধে অনুমান কৰি ল'ব পাৰিব। কোনো বিষয়ত নিজকে দুৰ্বল বা হীন বুলি অনুভব কৰি অহমিকাত আঘাত পালে নিজৰ দুৰ্বলতা ঢাকিবলৈ মানুহে সাধাৰণতে বিপৰীত ধৰণৰ অতি-অভিনয় কৰে। ভয়াতুৰ মানুহে সস্তীয়া যাত্ৰা-পাৰ্টিৰ বীৰ সেনাপতিৰ দৰে বুকু ফুলাই, চকু বখলিয়াই ডাংকোপ মৰা কথা কয়। নিজতকৈ সবলজনক দেখিলে নেজ পেলাই আঁতৰি গলেও অসহায় আৰু দুৰ্বলজনৰ ওপৰত বীৰত্ব প্ৰদৰ্শন কৰিবলৈ এওঁলোকে সুযোগ বিচাৰি ফুৰে। ওচৰ চুবুৰীয়াৰ ঘৰত ডকাইত সোমোৱা বুলি শুনিলে টোপনিৰ ভাও জুৰি চেপেতা লাগিলেও পিক-পকেটাৰ ধৰা পৰিলে বক্সিং কেৰেটৰ বিভিন্ন কৌশল প্ৰদৰ্শন কৰে। নিজৰ বুদ্ধিৰ ওপৰত আস্থা নথকাসকলে য'তে ত'তে বুদ্ধিৰ পৰিচয় দিবলৈ চেষ্টা কৰে। বীভৎস প্ৰকৃতিৰ বা জীৱনত কিবা বীভৎস অধ্যায় লুকাই থকা মানুহে সাজ-পাৰ, কথা-বতৰা, আচাৰ-ব্যৱহাৰত অতি-মাৰ্জিত হৈ দেখুৱাব খোজে। কপট বা ঠগ স্বভাৱৰ মানুহে 'দিলখোলা' (অৰ্থাৎ খোলা মনৰ) মানুহৰ অতি-অভিনয় কৰিবলৈ বৰকৈ ফকফকাই চিঞৰ-বাখৰ কৰি কথা কয়। মনত কিবা গোপন দুখ থকা মানুহে বেছিকৈ হাঁহে বা ধেমেলীয়া কথা কৈ হঁহুৱায়। নিকৰুণ আত্মকেন্দ্ৰিক মানুহৰ অলপতে চকুপানী ওলায়। গোপন পাপবোধ থকা মানুহে ধৰ্ম নৈতিকতা আদিৰ সম্বন্ধে বৰকৈ 'লেকচাৰ-বাজি' কৰে ;---পূজা-সেৱা কৰাৰ কোব-টোও এওঁলোকৰ অলপ বেটিকৈ বেচি হয়। চুলেই জয় পৰি যাব খোজা মহিলা বা বৰকৈ 'প্ৰেষ্টিজ' (আত্মসন্মান)ৰ কথা কোৱাসকল নিধক প্ৰকৃতিৰ হয়।

অৱশ্যে এই উপায়েৰে মানব চৰিত্ৰ অধ্যয়ন কৰোঁতে এটা কথা মনত ৰাখিব লাগে। কেতিয়াবা মানুহে এটা বিষয়ত নিজকে হীন বুলি অনুভব কৰিলে সেইটো বিষয়ত শ্ৰেষ্ঠতাৰ অতি-অভিনয়

নকৰি আন এটা বিষয়তহে অতি-অভিনয় কৰিব পাৰে। দৈহিক ভাবে দুৰ্বল বা হীন বুলি অনুভৱ কৰিলে বৌদ্ধিক দিশত উন্নত বুলি প্ৰমাণ কৰিবলৈ মানুহে বুদ্ধিমান বা মেধাবীজনৰ অতি-অভিনয় কৰি দেখুৱাব পাৰে। যিয়েই নহওক অতি-অভিনয়ে ব্যক্তিত্বৰ কিবা কেৰোণ বা অস্বাভাবিকতাৰ ইঙ্গিত দিয়ে। কাৰণ স্বাভাবিক বা সুস্থ ব্যক্তিত্বৰ মানুহে কোনো বিষয়ত নিজক দুৰ্বল বা হীন বুলি অনুভৱ কৰিলে সেই বিষয়তেই হওক বা আন কোনো বিষয়তেই হওক প্ৰকৃত শ্ৰেষ্ঠতা লভিবলৈ চেষ্টা কৰে। বহু সময়ত এই চেষ্টা ফলৱতীও হয়। বিখ্যাত বক্তা ডেমচ্‌থেনাছ খোনা আছিল, বিখ্যাত সংগীতজ্ঞ বীথোভেন কলা আছিল, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম বিপ্লৱী শ্বহীদ পিয়লি ফুকন চাকোলা আছিল, দেশদ্ৰোহীৰ ঘৰৰ (বদনৰ) ল'ৰা আছিল। নেপোলিয়ন আৰু লেনিন বৰ চাপৰ আছিল, চক্ৰেটিচ বৰ আপচু আছিল, এডলফ্‌ হিটলাৰ পেটৰুগীয়া আছিল, আব্ৰাহাম লিঙ্কণ অতি ক্ষীণ আছিল। সৌন্দৰ্য্যৰ উপাসকসকল — বিশেষকৈ মহিলা শিল্পীসকলৰ অধিক সংখ্যকেই আপচু বা অশুৱনী। আত্ম-প্ৰৱঞ্চনা কৰি ভালপোৱা, ফোপোলা ভেমত ওফন্দি থকা পলায়নবাদী মনোবৃত্তিৰ মানুহে শ্ৰেষ্ঠতাৰ অতি-অভিনয় কৰে।

(২) কোনে কেনেকুৱা ধৰণৰ কথাত 'ৰস পাই' (?) বেচিকৈ হাঁহে লক্ষ্য কৰক। অৱশ্যে ইয়াত হাঁহি মানে শব্দ কৰি মৰা হাঁহি বা অট্টহাস্য (Laughter) ৰ কথাহে কোৱা হৈছে; মিচিকিয়া হাঁহি (Smile) ৰ কথা কোৱা হোৱা নাই। অন্যান্য প্ৰবৃত্তিসুলভ ক্ৰিয়াৰ দৰে হাঁহিৰ অন্তৰালতো এটা বিশেষ উদ্দেশ্য লুকাই থাকে। দুখ কষ্ট পাতলাবলৈ আমি হাঁহো। নিজৰ অতি গোপন দুৰ্বলতাবোৰ আন কাৰোবাৰ আচৰণত দেখিলে আমাৰ মনটো উচপ খাই উঠে। ধৰা পৰি যোৱা যেন লাগিলেই হওক বা সহানুভূতিৰ কাৰণেই হওক(সহানুভূতি অৱশ্যে নিজৰ লগত সাদৃশ্য থকা জনৰ প্ৰতিহে ওপজে) প্ৰবল অস্বস্তি অনুভৱ কৰো। অস্বস্তি, অশান্তি, বেজাৰ লাগিলে শৰীৰতো কেতবোৰ অস্বস্তিকৰ পৰিবৰ্ত্তনে দেখা দিয়ে। হাঁহিয়ে তাৰ বিপৰীত ধৰণৰ শাৰিৰীক পৰিবৰ্ত্তন ঘটাই অস্বস্তিকৰ পৰিবৰ্ত্তনবোৰ আঁতৰাই দিয়ে (Neutralise) কৰে। তদুপৰি হাঁহিৰ মাজত এটা সূক্ষ্ম বিদ্ৰূপৰ ভাবো লুকাই থাকে। হাঃ হাঃকৈ হাঁহি মাৰি আমি বুজাই দিব খোজো ---এনেকুৱা দুৰ্বলতা আমাৰ নাই। সকলো মানুহে সকলো কথাতে সমানে নাহাঁহে। কোনে কেনেকুৱা ধৰণৰ কথাত বেচিকৈ হাঁহে তাৰ পৰা কাৰ কেনেকুৱা ধৰণৰ গোপন দুৰ্বলতা আছে অনুমান কৰিব পৰা যায়। দুটামান উদাহৰণ দিলে কথাষাৰ বুজাত সুবিধা হ'ব।

চৰকাৰী বা ৰাজহুৱা ধন আত্মসাৎ কৰি লটিঘটি হোৱা মানুহৰ কাহিনী শুনিলে জনৈক গণ্য মান্য ভদ্ৰলোকে অলপ বেচিকৈ হাঁহিছিল। ভদ্ৰলোকৰ শ্ৰদ্ধেয় পিতৃদেৱ তেনেকুৱা ধৰণৰ অপবাধত বহুদিনৰ আগেয়ে চাকৰিৰপৰা বৰ্খাস্ত হৈছিল। পিতৃদেৱৰ এই অপকৰ্মৰ কাৰণে ভদ্ৰলোকৰ মনত গভীৰ ক্ষোভ আৰু নীচাত্মিকা বোধ (Inferiority complex) উপজিছিল।

যৌন বিকৃতি থকা মানুহে কৰা নাভূত নাশ্ৰুত কাণ্ডবোৰৰ কথা শুনিলে জনৈক ভদ্ৰলোকে বৰ বেচিকৈ হাঁহিছিল। ভদ্ৰলোকৰ নিজৰো যৌন বিকৃতি আছিল (বিকৃত ধৰণৰ যৌন তৃপ্তিৰ কাৰণে তেওঁও ভিতৰি ভিতৰি লালায়িত আছিল)। স্বামী বিবেকানন্দৰ ভাষাত ক'বলৈ গ'লে আমাৰ ধৰ্ম, নৈতিকতা আদি বৰ্ত্তমানে ভাতৰ চৰুত আবদ্ধ হৈছেহি। অন্ততঃ আমাৰ সমাজত টকা খোৱাতকৈ মদ খোৱাটো অধিক দোষনীয় বুলি বিবেচিত হয়। স্বীকাৰ কৰক বা নকৰক জনমতৰ প্ৰভাৱৰ কাৰণে আমাৰ সুৰাপায়ীসকলৰ এটা গোপন পাপবোধ বা নিচাত্মিকা বোধ থাকে। লক্ষ্য কৰিলে দেখা যাব—মাতালৰ মাতলামিৰ কাহিনী শুনিলে সুৰাপায়ীসকলেই অলপ বেচিকৈ ৰস পায় বেচিকৈ হাঁহে।

হাঁহিৰ মাজেৰে আন এক প্ৰকাৰেও মনৰ গোপন সংবাদ ল'ব পাৰি। সৌজন্যসুলভ মিচিকিয়া হাঁহি মানুহে 'জুখি মাখি' মাৰিব পাৰে। কিন্তু ধেমেলীয়া কথা শুনি হঠাতে উঠা হাঁহিৰ সময়ত তেনেকুৱা ধৰণৰ প্ৰস্তুতিৰ বাবে সময় পোৱা নাযায়। কিবা ধেমেলীয়া কথা কৈ আকস্মিক ভাবে কাৰো-বাক হঁহুৱাই দিলে তেওঁৰ চকুৱে মুখে ফুটি উঠা ভাবৰ অভিব্যক্তিৰ মাজেৰে মানুহজনৰ প্ৰকৃত ৰূপটো কিছু দেখা যায়। হাঁহিলে আপচু হৈ পৰা মানুহৰ পৰা নিলগত থকাই নিৰাপদ।

কিছুমান মানুহে মিচিকিয়া হাঁহি মাৰিলেও শব্দ কৰি জোৰেৰে নাহাঁহে বা হাঁহিব নোৱাৰে। মানু-হৰ প্ৰতি থকা অনাস্থা বা সন্দেহৰ কাৰণেই হওক বা আন কিবা কাৰণতেই হওক এওঁলোকে নিজৰ প্ৰকৃত ৰূপটো আনৰ চকুৰপৰা আঁৰ কৰি ৰাখিব খোজে আৰু সাধাৰণতে অলপ দুৰ্বোধ্য প্ৰকৃতিৰ মানুহ হয়। আপাতঃ দৃষ্টিত বিপৰীত যেন লাগিলেও সাধাৰণতে এওঁলোক অত্যন্ত আবেগপ্ৰৱণ আৰু কল্পনা বিলাসী হয়। চিন্তা-ভাবনা, দৃষ্টিভঙ্গী আদিও অলপ খাপচাৰা ধৰণৰ হয়।

(৩) অভিক্ষেপণ (Projection)ৰ মাধ্যমেৰেও মানুহৰ গোপন মনটোৱে আত্মপ্ৰকাশ কৰে। অভিক্ষেপণৰ ফলত মানুহে নিজৰ গোপন মনোভাব আনৰ মাজত দেখে। 'ক'ৰ 'খ'ৰ প্ৰতি গোপন দুৰ্বলতা থাকিলে অভিক্ষেপণৰ ফলত 'ক'ই অনুভব কৰিব পাৰে যে 'ক'ৰহে 'খ'ৰ প্ৰতি গোপন দুৰ্বলতা আছে। অথবা 'ক'ই অনুভব কৰিব পাৰে যে পৃথিৱীৰ আটাইবোৰ মানুহৰে 'খ'ৰ প্ৰতি দুৰ্বলতা আছে। সমগ্ৰ মানব জাতিৰ প্ৰতি বিদ্বেষৰ ভাব পোষণ কৰা মানুহে সন্দেহ কৰিব ধৰে যে পৃথিৱীৰ আটাইবোৰ মানুহে তেওঁৰ বিৰুদ্ধে হল চাচিব ধৰিছে। তেজৰ সম্বন্ধ থকা ল'ৰা-ছোৱালীয়ে --- এনেকি ককায়েকে ভনীয়েকে হলিগলি কৰা দেখিলে জনৈক ভদ্ৰলোকে সন্দেহৰে চকুৰে চাইছিল। ঘনিষ্ঠ মহলত কু-কথাও ৰটিছিল। কিন্তু দেখা গ'ল যে তেওঁ নিজিহে কু-অভিপ্ৰায় লৈ কেইবাগৰাকী নিকটাত্মীয়াৰ কাষ চাপিব খুজিছিল। মানুহৰ সম্বন্ধে, বিভিন্ন শ্ৰেণীৰ মানুহৰ সম্বন্ধে পোষণ কৰা মনোভাবৰ সম্বন্ধে জানিব পাৰিলে মানুহজনৰ সম্বন্ধেও গম পোৱা যায়। অৱশ্যে পৰীক্ষা কৰিব খোজা মানুহজনৰ অন্তৰঙ্গ হৈ ল'ব নোৱাৰিলে বা কিবা প্ৰকাৰে মানুহজনক উত্তেজিত কৰি ল'ব নোৱা-ৰিলে সৌজন্যবোধৰ কাৰণে মানুহজনে মনৰ কথা খুলি নকবও পাৰে।

(৪) কিছুমান মানুহে চকুৰ আগত পৰা বস্তু-বোৰ মনোযোগেৰে লক্ষ্য কৰি ভাল পায়। এওঁ-লোকক বহিৰ্মুখী ব্যক্তিত্বৰ মানুহ বুলিব পাৰি। আন এচামে আকৌ অন্যমনস্ক ভাবে কিবা এটালৈ চাই আন কিবা এটাৰ কথা ভাবি থাকে; অৰ্থাৎ কল্পনা সাগৰত উটি ভাঁহি ফুৰে। এওঁলোকক অন্তৰ্মুখী ব্যক্তিত্বৰ মানুহ বুলিব পাৰি। সাধাৰণতে কিবা গোপন হতাশা, ব্যৰ্থতা আদিৰ কাৰণে বহি-জগত বা মানব সমাজৰ প্ৰতি ক্ষোভ উপজিলেই মানুহৰ ব্যক্তিত্ব অন্তৰ্মুখী হৈ পৰে।

মানুহে একেলগে (অৰ্থাৎ একে সময়তে) দুটা সংগতিহীন কাম কৰিব খুজিলে স্নায়ু মণ্ডলী, মস্তিষ্ক আদিয়ে কষ্ট পায়। একেলগে দুটা কাম কৰা সক-লৰ স্মৃতিশক্তি, স্থিতপ্ৰজ্ঞতা (Determination), মনোযোগ দিয়াৰ ক্ষমতা (Concentration) নষ্ট হৈ যায়। অন্তৰ্মুখী ব্যক্তিৰ মানুহে সাধাৰণতে একেলগে দুটা কাম কৰি থাকে। অন্যমনস্কভাবে কিবা এটালৈ চাই থাকি আন কিবা এটাৰ কথা উপৰন্তু শক্তিবোৰ নষ্ট হোৱাৰ উপৰি এওঁলোকৰ দৃষ্টিশক্তিও দুৰ্বল হৈ পৰে। মুখত বলিৰেখা পৰি অকালতে বুঢ়াৰ দৰে হয়। স্মৃতিশক্তি, স্থিতপ্ৰজ্ঞতা, মনোযোগ দিয়াৰ ক্ষমতা দুৰ্বল হৈ পৰাৰ কাৰণে অন্তৰ্মুখী ব্যক্তিত্বৰ মানুহ সমূলি নিৰ্ভৰযোগ্য নহয়। বহিৰ্জগত বা মানব সমাজৰ প্ৰতি গোপন ক্ষোভ থকাৰ কাৰণে (এনেকুৱা ক্ষোভৰ বাবেই মানুহৰ ব্যক্তিত্ব অন্তৰ্মুখী হয়।) বহু সময়ত এওঁলোক বিপজ্জনকো হয়।

মানসিক স্থিৰতাৰ অভাবৰ কাৰণে এওঁলোকে কেতিয়া কি কৰে আগতীয়াকৈ কোৱা টান হৈ পৰে। মুহূৰ্তৰ আবেগ বা উচ্ছাসত এওঁলোকে ভাল পোৱা জনৰ কাৰণে কেতিয়াবা চূড়ান্ত ত্যাগ কৰিলেও পিচমুহূৰ্ত্ততে নেলু চেপি ধৰিবও পাৰে। স্নায়ু মণ্ডলীৰ দুৰ্বলতাৰ কাৰণে এওঁলোকৰ মন-মেজাজ (Mood) ৰ দ্ৰুত পৰিবৰ্ত্তন হয়; সেইত কথা ৰাখিব নোৱাৰে। এওঁলোকক গোপনীয় কথা কোৱাতকৈ ঢোলপিতি বাইজক কথাবোৰ জনাই দিয়াই ভাল। এওঁলোক সাধাৰণতে আকাশত চাং পতা ধৰণৰ হয়। তদুপৰি এওঁলোকৰ ধ্বংসাত্মক প্ৰৱণতাও প্ৰবল হয়। যুদ্ধবিগ্ৰহ, ৰক্তপাতকে আদি কৰি বিভিন্ন ধৰণৰ ধ্বংসাত্মক ঘটনাৰ দিবাস্বপ্ন দেখি এওঁলোকে সাধাৰণতে ভাল পায় আৰু সুবিধা পালে তেনেবোৰ ঘটনাৰ মাজত জপিয়াইও পৰেগৈ। অৱশ্যে মানসিক স্থিৰতা আৰু স্নায়বিক শক্তিৰ অভাৱ হোৱা কাৰণে ৰণাঙ্গনত বা ৰক্তাক্ত বিপ্লৱ আদিত এওঁলোকে বিশ্বস্তাবো প্ৰমাণ দিব নোৱাৰে (অলপ হেঁচা পালেই পক্ষ সলনি কৰে বা বিশ্বাসঘাটকতা কৰে)। '---আহোঁতে বাটত কি দেখিছিলা, বাটৰ কাষত কি বা কেনেকুৱা গছ-লতা, ঘৰ-দুৱাৰ আদি দেখিছিলা, এই ঘৰটোলৈ আহোঁতে কেইটা খটখটি উঠিবলগীয়া হৈছিল, চৌহদত থকা গেটৰ খুটাকেইটা কেনেকুৱা আছিল, ইত্যাদি ধৰণৰ সৰুসুৰা প্ৰশ্নৰ সহায়েৰে মানুহজনৰ ব্যক্তিত্ব অন্ত-ৰ্মুখী নে বহিৰ্মুখী জানিব পৰা যায়। কাৰণ বহিৰ্মুখী ব্যক্তিত্বৰ মানুহেহে এনেবোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব পাৰে।

(৫) জন্তু পোহাৰ চখ বহুতৰেই আছে। কোনে কেনেকুৱা ধৰণৰ জন্তু ভাল পায় তাৰ পৰাও ভালপোৱাজনৰ চৰিত্ৰৰ কিছু আভাস পোৱা যায়। প্ৰতিবিধ ইতৰ জন্তুৰেই কেতবোৰ বৈশিষ্ট্য থাকে। যেনে কুকুৰৰ প্ৰভুভক্তি আৰু বিচক্ষণতা, ঘোঁৰাৰ শক্তি আৰু বিশ্বস্ততা, মেকুৰীৰ চোৰ প্ৰকৃতি ইত্যাদি। কোনে কেনেকুৱা জন্তু ভাল পায় তাৰ পৰা কোনে কেনেকুৱা ধৰণৰ গুণৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে কিছু গম পোৱা যায়। (অৱশ্যে এই ভাল-পোৱাৰ মাজত লাভালাভ বা প্ৰয়োজনৰ প্ৰশ্ন থাকিব) বিশ্বস্ততাৰ অভাৱ অনুভৱ কৰা, বিশ্বস্ততাক সৰ্বাধিক গুৰুত্ব দিয়া, নিজকে বন্ধুহীন বুলি অকল-শৰীয়া অনুভৱ কৰা মানুহে কুকুৰ ভাল পায়। চৌৰ্য্য প্ৰবৃত্তিৰ প্ৰবলতা থকা, ভণ্ড বা পচ্ছাদঘাটী মানুহে ভাল পায় মেকুৰী। বিশ্বস্ততাৰ উপৰি শৌৰ্য্যবীৰ্য্যক শ্ৰেষ্ঠমূল্য দিয়াসকলে ভাল পায় ঘোঁৰা। উচ্চস্থান বা ৰাজকীয় বিশালতাৰ প্ৰতি আকৰ্ষণ থকা সকলে ভাল পায় হাতী। পৰিয়ালৰপৰাই হওক বা আন মানুহৰপৰাই হওক পাই অহা অশান্তিৰ অবসান বিচৰাসকলে ভাল পায় নিৰীহ জীৱ বুলি স্বীকৃতি পায় অহা গৰু। অৱশ্যে অতীতৰ কিবা আবেগ জনীত অভিজ্ঞতা জড়িত থাকিলে ইয়াৰ ব্যতিক্ৰম ঘটিব পাৰে,----বিশেষকৈ যদি সেই অভিজ্ঞতা যৌনজ হয়। জীৱনৰ প্ৰথম প্ৰেমিকজনে প্ৰথম অভিসাৰলৈ ঘোঁৰাত উঠি আহিলে শৌৰ্য্য-বীৰ্য্য বা বিশ্বস্ততাক সৰ্বাধিক গুৰুত্ব নিদিয়া প্ৰেমিক গৰাকীয়েও ঘোঁৰা ভাল পাব পাৰে। প্ৰেমিকাৰ মেকুৰী-প্ৰীতি প্ৰেমিকলৈ সংক্ৰামিত হ'ব পাৰে।

মানব চৰিত্ৰ অধ্যয়নৰ আৰু বহু পদ্ধতি আছে যদিও সৰ্বশেষত এইষাৰ কথা কৈ থোৱা ভাল যে এই পদ্ধতিবোৰৰ কথা আগতীয়াকৈ জানি থোৱাৰ কাৰণে মনোবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ অধ্যয়ন কৰা অসম্ভৱ নহলেও টান হৈ পৰে।×××

# বাৰ্মুডাৰ বিভীষিকা

চাহ মঃ ইচা চালেহ(পন্ত)
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

বাৰ্মুডা ট্ৰাইএংগল এটি ৰহস্যময় নাম। ই আটলাণ্টিক মহাসাগৰৰ দক্ষিণ অঞ্চল আৰু আমেৰিকাৰ দক্ষিণ-পূৱ উপকূলৰ পৰা নাতি দূৰত অৱস্থিত। ১৯৪৫ চনৰপৰা এই বাৰ্মুডাত ১০০খন বিমান আৰু জাহাজ প্ৰায় ১০০০ দুৰ্ভগীয়া যাত্ৰীৰে সৈতে হেৰায় যায়। বিজ্ঞানৰ চৰম উন্নতিৰ দিনতো ই এটি বিৰাট প্ৰত্যাহ্বান। কোনো বিজ্ঞানীয়েও এতিয়ালৈকে ইয়াৰ প্ৰকৃত ৰহস্য উদঘাটন কৰিবলৈ সক্ষম হোৱা নাই।

সুচাৰুৰূপে গৈ থকা বিমান বাৰ্মুডাত ৰহস্যময় ভাবে অন্তৰ্দ্ধান হয়। তেনে বিমানৰপৰা প্ৰেৰণ কৰা অনাতাঁৰ বাৰ্তাত এই বুলি প্ৰকাশ পায় যে তেওঁলোকৰ যন্ত্ৰ-পাতি আৰু কম্পাচ কাটাই কোনো কাম নিদিয়ে। শান্ত অৱস্থাত থকা আকাশখন হালধীয়া আৰু কুঁৱলিময় হৈ বিকৃত ৰূপ ধাৰণ কৰে। কিন্তু আশ্চৰ্য্যৰ বিষয় এই বিকৃত ৰূপৰ বৰ্ণনা সঠিকভাবে দিবলৈ কোনো সমৰ্থ নহয়।

বাৰ্মুডাৰ ৰহস্যৰ বিষয়ে জানিবলৈ ১৯৪৫ চনৰ ডিচেম্বৰ মাহৰ ৫ তাৰিখে Fort Lauderdale নৌ বাহিনীৰপৰা পাঁচখন T. B. M. প্ৰতিশোধ পৰায়ণ বিমান আৰু Martine Mariner নামৰ বিৰাট উদ্ধাৰকাৰী যানেৰে সৈতে বাৰ্মুডালৈ ৰাওনা হয়। সকলোকে আচৰিত কৰি গোটেই কেইখন বিমান বাৰ্মুডাত অন্তৰ্দ্ধান হয়। অনুসন্ধান কৰি বিমানকেইখনৰ ধ্বংসাৱশেষ, যাত্ৰীৰ শ, তেলৰ টোপাল আদি কৰি একোকেই পোৱা নগল। যেন বিমান, জাহাজ আদি চালক, যাত্ৰীৰে সৈতে এক বেলেগ Dimension ত হেৰাই যায়। ৪২৫ ফুট দীঘল Martine Sulphur Queen আৰু ১৯০০টন ওজনৰ Cyclops নামৰ বিৰাট জাহাজ দুখন ৩০৯ জন যাত্ৰীৰে সৈতে বাৰ্মুডাত সাধাৰণভাবে নাইকীয়া হৈছিল। দুৰ্ঘটনাৰ পিছত চলা উদ্ধাৰকাৰ্য্যত কেতিয়াবা মদৰ বটল বা পোহনীয়া কুকুৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয় কিন্তু যিয়ে ঘটনাৰ কোনো সবিশেষ বৰ্ণনা কৰিব নোৱাৰে। এটি দুৰ্ঘটনাত এটি কথা ক'ব পৰা ভাটো চৰাই আছিল। কিন্তু চৰাইজনীও যাত্ৰীবোৰৰ সৈতে নাই-কীয়া হয়। অনুমান কৰিব পাৰি যে বাৰ্মুডাই নিজৰ ৰহস্যৰ কোনো কথা পৃথিৱীক জানিব নিদিয়ে।

## বিমান অদৃশ্যকাৰী বাৰ্মুডা ঃ

Martine Mariner লুপ্ত হোৱাৰ পিচদিনাখন বাতিপুৱা ২৪০খন বিমান, ৬৭খন অতিৰিক্ত বিমা-নেৰে সৈতে বিমানবাহী জাহাজ Solomons, ৪খন ধ্বংসকাৰী বিমান, বহুকেইখন চাবমেৰিণ, ১৮খন উপকূলৰখীয়া জাহাজ আৰু কেবাশও ব্যক্তিগত বিমান, অসংখ্য সৰু জাহাজ আৰু নাও ঘটনাস্থলীলৈ যায়। এই বিৰাট সন্ধান কাৰ্য্যত Banana River Air Station, R.A.F. আৰু বাহামাৰ ৰাজকীয় নৌ বাহিনীয়ে অংশ গ্ৰহণ কৰে। কিন্তু কোনো সুংসূত্ৰ পোৱা নগল। প্ৰতিদিনে ১৬৭খন বিমানে

সমুদ্র পৃষ্ঠৰপৰা ৩০০ ফুট ওপৰেৰে সাগৰ আৰু উপকাষৰীয় অঞ্চল, আটলাণ্টিক মহাসাগৰৰ কেৰেবিয়ান, মেক্সিকো, ফ্লৰিডাৰ মুখ্য অঞ্চল আৰু ওচৰ চুবুৰীয়া দ্বীপপুঞ্জবোৰকে আদি কৰি মুঠ ৩,৪০,০০০ বৰ্গমাইল ৪১০০ ঘণ্টাত সন্ধান চলাই কোনো ধ্বংসাৱশেষ, শ, তেলৰ টোপাল এটুপিও নাপালে। কেবা সপ্তাহলৈ ফ্লৰিডাৰ উপকূল আৰু বাহামাৰ পৰা তীক্ষ্ণ দৃষ্টি ৰাখিলে। কিন্তু সবিশেষ একো নাপালে।

বহুবছৰ মিয়ামিৰপৰা গৱেষণা কৰি থকা প্ৰসিদ্ধ বিজ্ঞানী Dr. Manson Valentine এ মিয়ামিৰ পৰা প্ৰকাশিত এখন বাতৰি কাকতত এই বুলি উদ্ধৃতি দিছিল, "তেওঁলোক এতিয়াও ইয়াতে আছে; কিন্তু বেলেগ এক Dimension ত। যি U.F.O. দ্বাৰা প্ৰতিষ্ঠিত চুম্বকীয় বেহু। [They are still here but in a different dimention of magnatic phenomenon that could have been set up, by a U.F.O.] দুৰ্ঘটনাত মৃত্যু হোৱা এজন বৈমানিকৰ মাতৃয়ে সূক্ষ্মভাৱে উপলব্ধি কৰি কয় যে তেওঁৰ পুত্ৰ এতিয়াও মহাকাশৰ কোনো অংশত জীয়াই আছে।

১৯৪৭ চনৰ ৩ জুলাই। বাৰ্মুডাই পৃথিৱীবাসীক আকৌ চমক খুৱালে। আমেৰিকাৰ সেনাবাহিনীৰ C-54 বিমানখন ৬জন চালকৰ সৈতে বাৰ্মুডাৰপৰা মৰিচনৰ সৈন্যবাহিনীৰ এয়াৰপ'ৰ্টলৈ উৰা মাৰিছিল। কিন্তু ই বাৰ্মুডা আৰু Palm Beach ৰ মাজত হেৰাই যায়। বিমানখনৰ শেষ অৱস্থান বাৰ্মুডাৰপৰা ১০০ মাইল দূৰত আছিল। অনতিপলমে অনুসন্ধান বাহিনীৰদ্বাৰা ১০০০ বৰ্গমাইল সন্ধানকাৰ্য্য চলোৱাৰ পিচতো কেইটামান অক্সিজেনৰ বটল আৰু কেইখনমান ভগ্ন আসনৰ বাহিৰে কোনো বস্তুৱেই দৃষ্টিগোচৰ নহল। বিজ্ঞানীসকলে পৰ্য্যবেক্ষণ কৰি একমত হৈছে যে প্ৰায়বোৰ দুৰ্ঘটনা নভেম্বৰ মাহৰপৰা ফেব্ৰুৱাৰি মাহৰ ভিতৰত ঘটে যিটো সময়ত ভ্ৰমণকাৰীসকল পৃথিৱী ভ্ৰমণ কৰি ফুৰে। আশ্চৰ্য্যৰ বিষয় যে বৰদিন উৎসৱৰ কেইসপ্তাহমান আগে পিচে বাৰ্মুডাই কালৰূপ ধাৰণ কৰে।

১৯৪৮ চনৰ ২৮ ডিচেম্বৰত DC-3 নামৰ এখন যাত্ৰীবাহী বিমান ৩৬ জন যাত্ৰী আৰু ৬ জন চালকৰ সৈতে Sanjuan ৰ পৰা Miami লৈ গৈ থকা অৱস্থাত দোকমোকালিতে বাৰ্মুডাত অদৃশ্য হয়। ৪০ খন সামৰিক বিমান আৰু অসংখ্য জাহাজেৰে ৩,০০,০০০ মাইল মহাসাগৰ আৰু উপকূলীয় অঞ্চল চলাথ কৰিও কোনো উমান পোৱা নগল। DC-3 যেন মহাসমুদ্ৰৰ গৰ্ভত চিৰদিনৰ বাবে লীন হৈ গ'ল। DC-3 ৰাতি ১০-৩০ বজাত মিয়ামিলৈ উৰা মাৰে। সেইদিনা বতৰ ফৰকাল আৰু ৰাতিটো বৰ সুন্দৰ আছিল। এনেতে হঠাৎ নিবিষ্টমনে বহি থকা কেপ্তেইনে Linquist য়ে তেওঁকে উদ্দেশি কোনোবাই অনাতাঁৰত কোৱা শুনিলে--- "Captain Linquist, ....what do you know? ....We are all singing Christmas Carols !!!" কেপ্তেইনে এয়া আগতে দুৰ্ঘটনাত লুপ্ত হোৱা যাত্ৰীবোৰৰ কণ্ঠস্বৰ বুলি কৈছিল। আনহাতে ৪-১৩ বজাত DC-3 ৰ পৰা প্ৰেৰিত এটি বাৰ্তাত উল্লেখ কৰিছিল যে বিমানখন মিয়ামিৰপৰা মাত্ৰ ৫০ মাইল দূৰত আছে আৰু তেওঁলোকে ইতিমধ্যে মিয়ামিৰ বিজুলী চাকিৰ পোহৰ দেখিবলৈ পাইছে। ইয়াৰ পিছত কোনো বাৰ্তা বিমানখনৰ পৰা পোৱা নগ'ল। DC-3 বিমানখন য'ত হেৰাই গৈছিল সেই অংশত পানীৰ গভীৰতা মাত্ৰ ২০ ফুট আছিল। তথাপিতো বিমান খনৰ ধ্বংসাৱশেষ নোপোৱাটো আচৰিত হবলগীয়া।

১৯৬৪ চনৰ ৭ জুন। Carolyn Cascio নামৰ এজন বৈমানিকে এখন সৰু বিমানেৰে নাচান্তৰপৰা বাহামাৰ গ্ৰেণ্ড ট্ৰাক দ্বীপলৈ আনন্দ মনেৰে গৈ আছিল। গৈ থকা অৱস্থাত দিক্ নিৰ্ণয় কৰিবলৈ সমৰ্থ নহৈ দুটা অচিন দ্বীপৰ ওপৰত বিমানখন চক্ৰাকাৰে ঘূৰি আছিল। সেই বেহুৰপৰা ওলাই আহিবৰ

বাবে তেখেতে সহায় পাবলৈ বাৰ্তা প্ৰেৰণ কৰিছিল। সেই মুহূৰ্তত গ্ৰেগুট্ৰাকৰ ৰাইজে এখন সক বিমান প্ৰায় আধা ঘন্টা জুৰি চক্ৰাকাৰে ঘূৰি থকা দেখিছিল। বৈমানিকজনে বাৰ্তা প্ৰেৰণ কৰিছিল যে তেওঁ তলৰ কোনো বস্তু দেখা পোৱা নাই। প্ৰশ্ন হয় যদি গ্ৰেগু ট্ৰাকৰ ৰাইজে বিমানখন দেখিছিল তেন্তে বৈমানিক জনে গ্ৰেগুট্ৰাকৰ ঘৰ-বাৰীবোৰ নেদেখাৰ কাৰণ কি?

বিমানবোৰ বাৰ্মুডাত লীন হৈ যোৱাত পৃথিৱী বাসী শঙ্কিত হৈ পৰে। তথ্যমতে ১৭০ বছৰ বা তাৰ আগতো বহুতো বিমান আৰু জাহাজ অলেখ দুৰ্ভগীয়া যাত্ৰী আৰু চালকৰ সৈতে বাৰ্মুডাত চিৰ দিনৰ বাবে হেৰাই যায়।

## জাহাজ অদৃশ্যকাৰী বাৰ্মুডা ঃ

সাধাৰণতে পশ্চিম আটলান্টিক মহাসাগৰৰ যি অঞ্চলত জাহাজবোৰ লুপ্ত হয় সেই অংশ চাৰগাচো সাগৰ নামেৰে জনাজাত। ৫০০ বছৰ আগতেও স্পেনীচ আৰু পৰ্তুগীজ নাবিক সকলে এই সাগৰত কিছুমান অমঙ্গলীয়া বিপদৰ সন্মুখীন হৈছিল। ব্যৱসায়িক জাহাজ অন্তৰ্দ্ধান হোৱাৰ ভিতৰত ফ্ৰান্সৰ 'Rosalie' নামৰ জাহাজখন অন্যতম। ই ১৮৪০ চনত হাভানালৈ গৈ থাকোতে নাবিক আৰু সহযাত্ৰীবোৰ আচৰিতভাবে নাইকীয়া হৈছিল। অথচ জাহাজখন সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত পোৱা গৈছিল। যদি এইটো জলদস্যুৰ কাম বুলি ধৰা হয় তেনেহলে মূল্যবান বস্তুবোৰ জাহাজৰ ওপৰত পোৱা নগলহেঁতেন। নাইবা যদি হঠাৎ হোৱা কোনো মাৰাত্মক বেমাৰ বা প্লেগৰদ্বাৰা যাত্ৰীবোৰ আক্ৰান্ত হৈছিল তেন্তে তাৰ নিশ্চয় কোনো সূত্ৰ পোৱা গ'লহেঁতেন। প্ৰশ্ন উঠে জাহাজৰ মানুহবোৰ ক'ত অন্তৰ্দ্ধান হ'ল? ই বাৰ্মুডাৰ মায়াজাল নেকি?

ঠিক একেদৰে ১৮৫৫ চনৰ ২৬ ফেব্ৰুৱাৰিৰ দিনা Tames B. Chester নামৰ জাহাজখন চাৰগাছো সাগৰৰ ওপৰত পালটনা অৱস্থাত মৃদু গতিত উদ্দেশ্যবিহীন ভাবে গৈ থকা অৱস্থাত উদ্ধাৰ কৰা হয়। জাহাজখনত কোনো চালক বা যাত্ৰী পোৱা নগ'ল। জাহাজখনত মূল্যবান বস্তুবোৰ নিজৰ নিজৰ স্থানতে আছিল, আনকি লাইফবʼট কেইখনো নিজ স্থানতে আছিল। অনুসন্ধান কৰি জাহাজখনত কোনো তেজৰ দাগ পোৱা নগ'ল যিয়ে ইয়াক জলদস্যুৰ আক্ৰমণৰ কথা প্ৰমাণ নকৰে। আচৰিত হবলগীয়া কথা যে কম্পাচটো জাহাজত বিচাৰি পোৱা নগল। এই অংশত বতৰ ফৰকাল থকা অৱস্থাত বহুতো মাছমৰীয়া জাহাজ, আমোদ-পূৰ্ণ জাহাজযাত্ৰী আৰু চালকৰে সৈতে কৰুণভাবে নাইকীয়া হয়। অথচ সন্ধান চলোৱাৰ পিছত জাহাজৰ ধ্বংসাৱশেষ, শ, বা তেলৰ টোপাল সাগৰত বা উপকূল অঞ্চলত বিচাৰি পোৱা নাযায়। জাহাজ যোৰৰপৰা কোনো সহায়ৰ কাৰণে পঠোৱা বাৰ্তা নাইবা ট্ৰেন্সমিটাৰৰ বিজুটিৰ কথা জানিব পৰা নাযায়। অথচ জাহাজবোৰৰ কোনো সুংসূত্ৰই পোৱা নাযায়। ১৯২৫ চনত Cotopaxi নামৰ জাহাজখন হাভানাৰপৰা চাৰলেণ্টনৰ মাজত হেৰাই যায়। ১৯২৪ চনত জাপানৰ Raifukumaru নামৰ জাহাজখন বাহামা আৰু কিউবাৰ মাজত অন্তৰ্দ্ধান হোৱাৰ আগতে এক আচৰিত বাৰ্তা প্ৰেৰণ কৰিছিল। বাৰ্তাটোত উল্লেখ আছিল যে "Danger like a dager now......come quickly ........we cannot escape........" বাৰ্তাটোত কি বিপদৰ কথা কৈছে তাৰ সবিশেষ গম পোৱা নগল। যদি ই হঠাৎ হোৱা ধুমুহা বা waterspret ৰ বিপদ হলহেঁতেন, তেনেহলে তাক অতি সহজে প্ৰকাশ কৰিব পাৰিলেহেঁতেন। অনুমান কৰিব পাৰি যে চালকবোৰে এনে এক নিমিষতে উদ্ভৱ হোৱা বিপদৰ সন্মুখীন হৈছিল যে তাক প্ৰকাশ কৰিবলৈ তেওঁলোক অসমৰ্থ।

আমেৰিকাৰ 'SCRPION' নামৰ আনবিক চাবমেৰিণখনো বাৰ্মুডাৰ মায়াবী জাল ভেদ কৰি আগ বাঢ়িব নোৱাৰিলে। ১৯৬৮ চনৰ

২৮ মে'ত ৯৯জন সহযাত্ৰীৰে সৈতে ই বাৰ্মুডাত হেৰায় যায়। কেইমাহমানৰ পিছত Azores দ্বীপৰ কাষত ৪৬০ মাইল দক্ষিণে ১০,০০০ ফুট পানীৰ তলত ইয়াক গৱেষকসকলে আবিষ্কাৰ কৰে। কুৰি শতিকাৰ বিজ্ঞানৰ চৰম আবিষ্কাৰেৰে পৰিপূৰ্ণ এখন আনবিক চাবমেৰিণ অতি সহজভাবে বাৰ্মুডাৰ বুকুত চিৰদিনৰ বাবে হেৰাই যোৱাটোৱে বাৰ্মুডাৰ চৰম শক্তিৰ কথা জগৎবাসীক সোঁৱৰাই দিয়ে।

কলম্বাচৰ বাৰ্মুডাৰ মাজেৰে যোৱা যাত্ৰা আজি পৃথিৱীত আলোচ্য বিষয় হৈ পৰিছে। ১৪৯২ চনৰ ১৫ ছেপ্টেম্বৰৰ দিনাখন চাৰগাচোৰ পশ্চিম অংশত যেতিয়া চালকবোৰ ক্ৰমান্বয়ে দুৰ্বলমনা হৈ পৰিছিল তেতিয়া তেওঁলোক সকলোৱে দেখিছিল যে এক বিৰাট জ্বলন্ত অগ্নিপিণ্ড আকাশৰপৰা বাৰ্মুডাত পৰি নাইকীয়া হৈছিল। কিছুসময়ৰ পিছত সাগৰ খনৰ এটা অংশ ক্ৰমে উন্মাদ হৈ পৰিছিল আৰু জ্বলন্ত অগ্নিপিণ্ডটো পানীৰ মাজৰপৰা উঠি আকাশলৈ পোনে পোনে উৰি কলম্বাচৰ জাহাজখনৰ চাৰিওফালে এপাক মাৰি অন্তৰ্দ্ধান হয়। কলম্বাচে বাৰ্মুডা অতিক্ৰম কৰাৰ আগমুহূৰ্ত্ততলৈ বিদ্যুৎ চুম্বকীয় আকৰ্ষণৰ ফলত কম্পাচৰ বিজুতি লক্ষ্য কৰিছিল।

বাৰ্মুডাৰ ওপৰত গৱেষণা কৰা Spencer নামৰ এজন বিজ্ঞানীয়ে মত পোষণ কৰে যে বাৰ্মুডাত ৰহস্যময়ভাবে হেৰাই যোৱা চালক আৰু যাত্ৰীৰে সৈতে বিমান আৰু জাহাজবোৰৰ পিছত কোনো বেলেগ গ্ৰহৰ প্ৰাণীৰ হাত আছে। ফ্লৰিডাৰ পশ্চিম অংশৰ আৰু বাহামাৰ প্ৰত্যক্ষদৰ্শীৰ মতে এয়া কোনো দূৰ মহাকাশৰপৰা অহা U.F.O.ৰ কাৰ্য্য। তেওঁলোকৰ মতে U.F.O.ই পানী আৰু আকাশত সমানে বিচৰণ কৰিব পাৰে। U.F.O. কেতিয়াবা আকাশৰপৰা পানীত পৰে আৰু কেতিয়াবা পানীৰ পৰা আকাশলৈ উঠি যায়। প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনাৰপৰা সিদ্ধান্তত আহিব পাৰি যে বাৰ্মুডাত বিমান—জাহাজবোৰ অন্তৰ্দ্ধান হোৱাৰ লগত U F.O.ৰ সম্পৰ্ক আছে।

১৯৭৪ চনত Centre for research and study of the Esoteric Arts and Sciences" নামৰ প্ৰতিষ্ঠানটোৱে বাৰ্মুডাৰ ৰহস্য উদ্ঘাটনৰ কাৰণে গৱেষণা কৰে। গৱেষণাৰ সঞ্চালক Jean Byrd য়ে যেতিয়া বাৰ্মুডাত আকস্মিকভাবে জাহাজৰ নাবিক তথা যাত্ৰীবোৰে কম্পাচ-কাটাৰ অস্বভাৱিকতা, বিজুতি বা চুম্বক ক্ষেত্ৰৰ অৱনতি ঘটি হোৱা বিপদৰ সন্মুখীন হয়, তেতিয়া তেওঁলোকৰ মানসিক স্থিৰতাৰ ওপৰতো গৱেষণা কৰে। ইয়াৰপৰা তেখেতে অনুমান কৰে যে তীব্ৰ চৌম্বক প্ৰৱাহৰ ফলত নাবিক তথা যাত্ৰীবোৰ মানসিকভাবে আক্ৰান্ত হয়, যাৰ ফলত বিমান তথা জাহাজবোৰ আয়ত্বৰ বাহিৰত যায় ধ্বংসৰ সন্মুখীন হয়। দৰ্শন সন্মত ভাবে কিছুমান গৱেষকে মত পোষণ কৰে যে বাৰ্মুডাৰ ৰহস্য প্ৰকৃতিৰ নিয়মৰ এক ব্যতিক্ৰম। তেওঁলোকৰ মতে বাৰ্মুডাৰ আকাশমণ্ডলত যেন এটা বিৰাট ডাঙৰ ফাট আছে, যি 'Dimension'ৰ মধ্যৱৰ্ত্তি বাট। য'ত বিমানবোৰ মাত্ৰ সোমাব পাৰে কিন্তু ওলাব নোৱাৰে। কিছুমানে এই ৰহস্যৰ অন্তৰালত অন্য এক মহাকাশৰ সংযোগ থকা বুলি ভাবে। ইয়াৰ বিভিষীকাই এইটো প্ৰমাণ কৰে যে বৰ্ত্তমান বিজ্ঞানৰ চৰম উন্নতিতকৈও বাৰ্মুডাৰ লগত জড়িত বিজ্ঞান বহুত পুৰণি আৰু শ্ৰেষ্ঠ।

---

[ N.B. Charles Berlitz ৰ লিখনিৰ সহায় লৈ ]

U. F. O.— Unidentified flying object. ই চলন্ত গোলাকাৰ অগ্নিপিণ্ড। ইয়াক দূৰ মহাকাশৰপৰা অহা কোনো মহাকাশচাৰীৰ যান বুলি ভবা হয়। পৃথিৱীৰ বহুত মানুহে এই যানবোৰ বিভিন্ন ঠাইত দেখা পাইছে।

# কৃত্রিম উপগ্ৰহ আৰু মানৱ সমাজত ইয়াৰ প্ৰতিক্ৰিয়া

শ্ৰীহেৰম্ব কুমাৰ নাথ,
স্নাতক মহলা (বিজ্ঞান), ২য় বাৰ্ষিক

সৃষ্টিৰ পাতনিৰেপৰা মানৱ জাতিয়ে নজনাক জানিবলৈ আৰু নোপোৱাক পাবলৈ অনুসন্ধিৎসু মন লৈ সভ্যতাৰ জখলাত ভৰি দি ক্ৰমান্বয়ে অগ্ৰসৰ হৈ আহিছে। এই অগ্ৰসৰৰ স্বাক্ষৰ স্বৰূপে এটাৰ পিছত এটাকৈ উৎপত্তি হল বিজ্ঞানৰ ন ন আবিষ্কাৰ। ঠিক তেনেদৰে বিশ্বব্ৰহ্মাণ্ডৰ নানান বতৰা পাবলৈ, ন ন কথা অধ্যয়ন কৰিবলৈ আবিষ্কাৰ হ'ল বিজ্ঞানৰ মহৎ অৱদান কৃত্ৰিম উপগ্ৰহ। কৃত্ৰিম উপগ্ৰহক লৈ নতুন যুগৰ শুভাৰম্ভ হোৱাৰ লগে লগে পৃথিৱীৰ বিভিন্ন দেশে নিজৰ নিজৰ অভাৱ পূৰণ কৰিবলৈ বিভিন্ন ধৰণৰ কৃত্ৰিম উপগ্ৰহ মহাকাশত উৎক্ষেপণ কৰি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত পাৰদৰ্শিতা দেখুৱাবলৈ উখল-মাখল লাগিল ।

কুৰি শতিকাৰ সবাতোকৈ উত্তেজনাপূৰ্ণ মহাকাশ অভিযানৰ ১৯৭৫ চনৰ ৪ অক্‌টোবৰৰ দিনটো ইতিহাসৰ বুকুত সোনোৱালী আখৰেৰে লিখা থাকিব। কিয়নো সেইদিনা ছোভিয়েত ৰুছিয়াই স্পুটনিক-১ মহাকাশত বিচৰণ কৰাই কৃত্ৰিম উপগ্ৰহ যুগৰ সূচনা কৰিলে। তেতিয়াৰেপৰা ১৯৮০ চনলৈ ছোভিয়েতে ১৩৩৯ টা, আমেৰিকাই ৫৮৭ টাৰ উপৰিও চীন, ফ্ৰান্স, জাপান, ভাৰত আদি দেশে নানান উপগ্ৰহ উৰুৱাবলৈ সক্ষম হৈছে। মহাকাশৰ বুকুত কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণৰ বেলিকা ভাৰতে বিশ্বৰ একাদশ দেশ হিচাপে, নিজাকৈ উপগ্ৰহ উৎক্ষেপণ যানেৰে উপগ্ৰহ উৰুৱাই সপ্তম আৰু বাৰ্তাবাহী উপগ্ৰহ উৎক্ষেপণত পঞ্চম দেশ হিচাপে গৌৰৱ অৰ্জন কৰিছে।

মানুহে সাজি লোৱা যি মহাকাশযানে কোনো ধৰণৰ ইন্ধন নোহোৱাকৈ পৃথিৱী বা আন কোনো গ্ৰহক পৰিভ্ৰমণ কৰি থাকে, সেই মহাকাশ যানকে কৃত্ৰিম উপগ্ৰহ বোলে। পৃথিৱীৰপৰা কোনো এটা উপগ্ৰহ উৎক্ষেপণ কৰিবলৈ হলে ই পৃথিৱীৰ মধ্যাকৰ্ষণীয় বলক অতিক্ৰম কৰিব পাৰিব লাগিব অৰ্থাৎ ইয়াক প্ৰায় ২৩৬ কিলোমিটাৰ ওপৰলৈ নি প্ৰতি চেকেণ্ডত ৮'০৪ কিঃমিঃ বেগেৰে অনুভূমিক দিশত এৰি দিব লাগিব। তেতিয়া ই বৃত্তাকাৰ পথত ঘূৰিব। ইয়াকেই বৃত্তীয় কক্ষপথ বোলে। বেগ ইয়াতকৈ কম হলে ই পুনৰ পৃথিৱীলৈ নামি আহিব। যদিহে ইয়াক ২৭৪০০ কিঃমিঃ ওপৰলৈ নি ১১'১১ কিঃমিঃ বেগেৰে এৰি দিলে ই উপবৃত্তাকাৰ পথত ঘূৰিব আৰু যদি ১১'২৬ কিঃমিঃ / চেকেণ্ড এৰি দিয়া হয় তেনেহলে ই পৃথিৱীৰপৰা আতৰি যাব। ইয়াকেই পলায়ন বেগ বোলে। আকৌ যদি এটা উপগ্ৰহ বিষুৱৰ ওপৰত প্ৰায় ৩৬০০০ কিঃ মিঃ ওপৰলৈ নি চেকেণ্ডত ৩'০৭ কিঃ মিঃ বেগেৰে এৰি দিয়া যায় তেনেহলে ই পৃথিৱীৰ আহ্নিক গতিৰ লগত মিলাই ২৪ ঘন্টাত পশ্চিমৰপৰা পূৱলৈ এপাক ঘূৰিব তেতিয়া ইয়াক যি কোনো ঠাইৰপৰা একে ঠাইতে ৰৈ থকা যেন লাগিব। এই কক্ষপথটোক ভূসমলয় পথ বোলে। যিখন

যানেৰে কৃত্ৰিম উপগ্ৰহক মহাকাশৰ বুকুত নিক্ষেপ কৰা হয়, সেই মহাকাশ যানখনক "এচ, এল, ভি" অৰ্থাৎ শ্বেটেলাইট লান্স ভেহিক্‌ল" বোলে। পৃথিৱীৰ মধ্যাকৰ্ষণৰ বিপৰীতে শ শ কিঃ মিঃ ওপৰলৈ নি ঘণ্টাত হাজাৰ হাজাৰ কিঃ মিঃ বেগেৰে ঠেলি নি কক্ষপথত থিতাপি লগাবৰ বাবে এই যানত কেবা খলপীয়া ৰকেট ব্যৱহাৰ কৰা হয়। সময়মতে ই এটাৰ পিছত এটা খলপৰ ইন্ধন প্ৰজ্বলিত হয় আৰু প্ৰতিটো খলপ প্ৰজ্বলিত হোৱাৰ পিছত এৰাই যায়। আৰু শেষত গৈ মাত্ৰ মূল যানখন কক্ষপথত থিতাপি লয়।

কৃত্ৰিম উপগ্ৰহে মানব জাতিৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ জৰিয়তে বৈজ্ঞানিকসকলে মহাকাশ বিজ্ঞান, ভূবিজ্ঞান জল-বিজ্ঞান, বতৰৰ বতৰা আদি সংগ্ৰহ কৰি মানব জাতিৰ মহৎ কল্যাণ সাধিছে। কৃত্ৰিম উপগ্ৰহে মহাকাশ ভ্ৰমণত নানা অবিহণা যোগোৱাৰ উপৰিও সৌৰজগতৰ বাহিৰৰ গ্ৰহ-নক্ষত্ৰ, মহাকাশৰ বিভিন্ন স্তৰৰ তথ্যপাতি সংগ্ৰহ কৰি বিজ্ঞানীসকলক নতুন প্ৰেৰণা দিছে। ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহ প্ৰায় পাঁচকোটি টকাৰে নিৰ্মিত আৰ্যভট্ট মহাকাশত মাত্ৰ পাঁচদিন (অৱশ্যে ইয়াক আঢ়ৈ বছৰৰ বাবে উৎক্ষেপণ কৰা হৈছিল কিন্তু যান্ত্ৰিক বিজুতিৰ বাবে ৫ দিনতে বিকল হৈ পৰে) থিতাপি লৈয়েই মহাকাশৰ এক্স ৰশ্মি, আয়ন মণ্ডলৰ ইলেক্‌ট্ৰ'ন ৰাতিৰ আকাশৰ অতি বেঙুনীয়া ৰশ্মিৰ উৎপত্তি, মহাকাশৰ নিউট্ৰন নক্ষত্ৰ, কৃষ্ণ ৰন্ধ্ৰ আদিৰ তথ্যপাতি সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। কৃত্ৰিম উপগ্ৰহত থকা এন্টেনা সকলো সময়তে পৃথিৱীৰ ফালে মুখ কৰি ৰখা হয় আৰু গ্ৰাহক যন্ত্ৰ, প্ৰেৰক যন্ত্ৰ, ইলেক্‌ট্ৰনিক এম্‌প্লি-ফায়াৰ, টেপ ৰেকৰ্ডাৰ আদিৰ দ্বাৰা 'ভূ-উপগ্ৰহ কেন্দ্ৰ'ৰ লগত যোগাযোগ ৰক্ষা কৰি চলা হয়। আজি কালি য'ৰ ত'ৰ পৰাই কৃত্ৰিম উপগ্ৰহৰ জৰি-য়তে যোগাযোগ ৰাখি দূৰবাৰ্তা প্ৰেৰণ-গ্ৰহণ আৰু দূৰদৰ্শনৰ সুবিধা আদায় কৰিবলৈ ভ্ৰাম্যমান দূৰ সংযোগী টাৱাৰৰ ব্যৱস্থা কৰা হৈছে। ৰেডিঅ' আৰু দূৰদৰ্শনৰ বিভিন্ন কাৰ্য্যসূচী প্ৰচাৰ কৰিবলৈ সক্ষম হল। কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা খনিজ সম্পদৰ সন্ধান, নানান উদ্যোগ গঢ়াত, জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণত, বনাঞ্চলৰ খবৰ, কৃষি আদিৰ উৎকৰ্ষ সাধনত বতৰৰ আগতীয়া খবৰ দিয়া আদি কাৰ্য্যত মানব জীৱনত মহৎ উপকাৰ সাধন কৰিছে।

কৃত্ৰিম উপগ্ৰহে আন্তঃৰাষ্ট্ৰীয় যোগসূত্ৰ স্থাপনতো সহায় কৰিছে। ১৯৭৫ চনৰ ৰুছিয়া আৰু আমেৰিকাৰ যুটীয়া অভিযান মন কৰিব লগীয়া। ১৫ জুলাইত ৰুছিয়াৰ বৈকানুৰ পৰা এলেক্সি লিয়নভ আৰু ভেলৰি কুব্‌চভক লৈ চুয়জ-১৯ মহাকাশত উৰি যোৱাৰ ৮ ঘণ্টাৰ পিচতেই ১৬ জুলাইৰ দিনা কেপ কেনেডীৰ থমাচ ষ্টেফৰ্ড, ভেন্সবেণ্ড আৰু জেনাল্ড শ্লেইটনক লৈ আমেৰিকাৰ এপলো উৰা মাৰে আৰু ১৭ জুলাইত দুয়োখো মিলন হল। দেশ আৰু ভাষাৰ সংকীৰ্ণতাক নেওচি দুখন দেশৰ মহাকাশচাৰীয়ে কৰমৰ্দনৰে আৰু আলিঙ্গনৰে আন্তঃৰাষ্ট্ৰীয় যোগসূত্ৰ স্থাপন কৰিলে। ভাৰত আৰু ৰুছিয়াইও একেলগে মহাকাশত যোৱাৰ প্ৰচেষ্টা চলাইছে আৰু ইতিমধ্যে ভাৰতৰ ৰবীন মালহোত্ৰা আৰু ৰাকেশ শৰ্ম্মা নিৰ্ব্বাচিত হৈছে। অদূৰ ভৱিষ্যতে কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে মহাকাশ-চাৰীসকলে নানান গৱেষণা কৰি আৰু অধিক তথ্যপাতি সংগ্ৰহ কৰিব পাৰিব।

কৃত্ৰিম উপগ্ৰহ যে অকল মানব জীৱনৰ কল্যাণ সাধনতেই ব্যস্ত আছে এনে নহয় ইয়াক আজি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি মানব সমাজক আতংকিত কৰি তুলিছে। কোনো এখন দেশৰ ওপৰেৰে আন এখন দেশৰ বিমান বিনা অনুমতিত পাৰ হৈ গলে তাক গুলীয়াই ভূপাতিত কৰা হয় কিন্তু কৃত্ৰিম উপগ্ৰহ বিনানুমতিতে আন দেশৰ ওপৰেৰে পাৰ হৈ যাব পাৰে; কিয়নো ১৬০ কিলোমিটাৰ ওপৰৰ আকাশখন কোনো জাতিয়ে দাবী কৰিব নোৱাৰে। তাত যি কোনো মহাকাশযান

বিনানুমতিত পাৰ হব পাৰে । সেয়েহে পাৰপত্র নলগাৰ সুযোগ লৈ যোৱা দশকৰপৰা চোৰাংচোৱা কৃত্রিম উপগ্রহবে নানান বতৰা লৈ ফুৰিছে । আন কোনো উপগ্রহৰ পৰিচয় লৈ প্রয়োজন হলে তাক ধ্বংস কৰিছে মহাকাশত থাকি ইহঁতে আন দেশৰ সামৰিক ঘাটিবোৰ, কোন দেশে কি কৰিছে আদি তদাৰক কৰি তাৰ ফটোবোৰ ভূকেন্দ্রলৈ পঠায় । ফলত গুপ্তচৰ উপগ্রহ নির্মাণ কৰি বৃহৎ গোষ্ঠীৰ মাজত শক্তি পৰীক্ষাৰ অৰিয়াঅৰি হৈছে । ১৯৭৬ চনৰপৰাই ৰুছিয়াই আন দেশৰ উপগ্রহ ধ্বংস কৰিবৰ বাবে চেষ্টা কৰা বুলি পশ্চিমীয়া দেশ সমূহে দাবী কৰিছে । ইয়াৰ প্রতিক্রিয়া স্বৰূপে ৰুছিয়াৰ লগত সমানে ফেৰ মাৰি আমেৰিকাও আগবাঢ়ি গৈছে । আমেৰিকাৰ বিশেষজ্ঞ মিচ মেৰিয়া সিমথে ঘোষণা কৰিছে যে তেওঁলোকে এবিধ এন্টি-চেটেলাইট সাজি উলিয়াইছে যাৰদ্বাৰা প্রয়োজন হলে আন দেশৰ গুপ্তচৰ উপগ্রহ মহাকাশত ধ্বংস কৰিব পৰা যাব । সেয়েহে বিশ্বজুৰি প্রতি-ৰক্ষাৰ কামত উপগ্রহ ব্যৱহাৰ হব ধৰিছে ।

১৯৭৪ চনৰ ১৮ মে'ত ভাৰতে ৰাজস্থানৰ থৰ মৰুভূমিত যেতিয়া পাৰমাণৱিক বোমা বিস্ফোৰণ কৰে তেতিয়া আমেৰিকাৰ 'বিগবার্ড' আৰু ৰুছিয়াৰ 'কস্মচ-৬৫২' আৰু 'কস্মচ-৬৫৩' নামৰ উপগ্রহ কেইটাই পহৰাদাৰৰ দৰে কর্তব্য পালন কৰিছিল । ১৯৮০ চনৰ ২২ নভেম্বৰত ইৰাণ আৰু ইৰাকৰ যুদ্ধত আমেৰিকাৰ 'কে, এইচ,-১১' আৰু 'বিগবার্ড', ৰুচিয়াৰ 'কস্মচ-১২০৮, ১২১০, ১২১২ আদি উপগ্রহে নিৰীক্ষণ কৰি নিজ নিজ দেশলৈ বার্তা প্রেৰণ কৰিছে ।

১৯৬০ চনত আমেৰিকাই আগতীয়া সংকেত দিব পৰা কৃত্রিম উপগ্রহ মিডাচ-২ (মিছাইল ডিটেকছন এণ্ড চার্ভেইলেন্স) য়ে মিছাইল ইঞ্জিনৰ সন্ধান দিছে । ১৯৮১ চনৰ ৰুছিয়াৰ 'কস্মচ-১২৪৯'ৰে ভাৰত মহাসাগৰৰ মাকিন সামৰিক ঘাটিৰ সন্ধান ললে। ১৯৮১ চনত আমেৰিকাই 'মহাকাশ ফেৰী' (এক বিশেষ কৌশলেৰে নির্মাণ কৰা কৃত্রিম উপগ্রহ) আবিষ্কাৰ কৰাৰ লগে লগে ৰুছিয়াই তাক এন্টি চেটেলাইট মহাস্ত্র' বুলি অভিহিত কৰিছে । আমে-ৰিকাৰ প্রতিৰক্ষা বিভাগে ১৯৮৪ চনত কালিফর্নিয়াৰ বিমান বাহিনীৰ ঘাটিৰপৰা 'মহাকাশ ফেৰী' মহাকাশত নিক্ষেপ কৰাৰ কথা ।

মানুহৰ সৃষ্টি কেতিয়াবা মানুহৰ ধ্বংসৰ কাৰণ হৈ উঠে । যিদৰে বৈজ্ঞানিকসকলে অশেষ কষ্ট স্বীকাৰ কৰি আবিষ্কাৰ কৰিছিল পাৰমানৱিক শক্তি আৰু সেই শক্তিয়েই আকৌ যুদ্ধক্ষেত্রত ব্যৱহাৰ কৰি হাজাৰ হাজাৰ মানুহক বিশ্বৰ বক্ষৰপৰা নিশ্চিহ্ন কৰিলে । আজি কৃত্রিম উপগ্রহেও তেনেকুৱা দিশৰেই কিছুমান দেশে পৰিচালিত কৰিব খুজিছে যাৰ প্রতিক্রিয়া স্বৰূপে আজি বিশ্বৰ সমগ্র মানব জাতিয়ে চিন্তিত হবলগা হৈছে । তাৰোপৰি কোনো এটা কৃত্রিম উপগ্রহ কিবা কাৰণত ধ্বংসপ্রাপ্ত হলে সেই দেশৰ অর্থনৈতিক দিশত প্রতিক্রিয়াৰ সৃষ্টি হয় । ভাৰতৰ ক্ষেত্রতেই যদি চোৱা যায় তেনেহলে ইয়াৰ বেছিভাগ জনগণেই দৰিদ্রতাৰ সীমাৰেখাৰ তলত বাস কৰিছে আৰু এটাৰ পিচত এটাকৈ কৃত্রিম উপগ্রহ ধ্বংসপ্রাপ্ত হৈ কোটি কোটি টকাৰ অপচয় হৈ অর্থনৈতিক দিশত বাৰুকৈয়ে মাৰ খাইছে । সেইটো যিয়েই নহওক বৈজ্ঞানিকসকলৰ সৃজনশীল প্রতিভাৰ স্বাক্ষৰ কৃত্রিম উপগ্রহ আবিষ্কাৰ কৰিছে মানব সমাজৰ অনেক কল্যাণ সাধনৰ নিমিত্তে। কিন্তু ইয়াক আজি যুদ্ধলিপ্সু জাতিসমূহে প্রতিৰক্ষাৰ দিশত ব্যৱহাৰ কৰি মানব সমাজক আতংকিত কৰি তোলাৰ বাবে বিশ্ববাসীৰ মনত প্রশ্নৰ উদয় হৈছে কৃত্রিম উপগ্রহে সচাকৈয়ে কল্যাণ সাধনেই কৰিবনে ?

০০০

# মানৱ জীৱনৰ উদ্দেশ্য

ডঃ ৰমেন কুমাৰ ৰায়, এম,এ,
(ত্রিপোল), পি এইচ, ডি, কাব্যতীর্থ

মানৱ জীৱনৰ উদ্দেশ্য হ'ল ঈশ্বৰ প্ৰাপ্তি। এই ঈশ্বৰ প্ৰাপ্তিৰ কাৰণে সাধনা কৰা দৰকাৰ। আৰু এই সাধনা সংসাৰ জীৱন নিৰ্বাহ কৰিও কৰিব পাৰি, গৃহত্যাগী সন্ন্যাসী হৈও কৰিব পাৰি। সংসাৰ জীৱন নিৰ্বাহ কৰি সাধন-ভজন কৰা যিমান সহজ, সিমানে কঠিন। গীতাত কৰ্ম-সন্ন্যাসৰ কথা আছে। কৰ্ম-সন্ন্যাস হ'ল নিৰাসক্ত হৈ কৰ্ম কৰা। হোৱাটো আমাৰ লক্ষ্য, কৰাটো নহয়। কিন্তু কৰোঁতে কৰোঁতেই হোৱা হয়।

সংসাৰ প্ৰলোভনৰ বিচিত্ৰ আগাৰ। প্ৰবৃত্তিক দমন কৰিব নোৱাৰিলে এই প্ৰলোভনবোৰে আমাক জাহান্নমলৈ নিক্ষেপ কৰিব পাৰে। গতিকে প্ৰবৃত্তিক লালন নহয়, দমনেই হ'ল আমাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। আৰু এই প্ৰবৃত্তি দমনেই হ'ল যোগ। 'যোগ ঃ চিত্তবৃত্তি নিৰোধ ঃ।' 'যোগ' শব্দটোত যুক্ত হোৱাৰ কথা আছে। কাৰ লগত যুক্ত হ'ব লাগিব? সন্ত সদ্‌গুৰুৰ লগত। আমাৰ দৃঢ় বিশ্বাস—সন্ত সদ্‌গুৰুত সম্পূৰ্ণ আত্ম সমৰ্পণ ব্যতিৰেকে চিত্তবৃত্তি নিৰোধ তথা প্ৰবৃত্তি দমন সম্ভৱ নহয়।

মানৱ জীৱনৰ পৱিত্ৰ কৰ্তব্য গুৰু গ্ৰহণ। বৈদিক যুগত শিক্ষাৰ আগতে দীক্ষা গ্ৰহণৰ ব্যৱস্থা আছিল। যিয়ে মানুহক কৃষ্ণ তথা ইষ্টমুখী কৰে সিয়েই হ'ল দীক্ষা। 'যি মন্ত্ৰৰ যোগে হয় কৃষ্ণত শৰণ/ তাকে দীক্ষা বোলে বেদ শাস্ত্ৰৰ বচন।' কৃষ্ণ বা ইষ্টমুখী হোৱাৰ বাবে গুৰু গ্ৰহণ অৱশ্য কৰ্তব্য। কিন্তু এই গুৰু কোন হ'ব পাৰে? মহাপুৰুষ শঙ্কৰ দেৱৰ মতে, যিজনে 'বেদৰ ৰহস্য তত্ত্ব সমস্ত জানন্ত। / কৃষ্ণকো ভকতি বলে সাক্ষাৎ কৰন্ত॥' ---তেওঁহে উত্তম গুৰু। 'ইহাৰসে উপদেশে শুদ্ধ হোৱে মতি।' মতি শুদ্ধ হোৱা চিত্ত শুদ্ধ হওয়া। এই চিত্ত শুদ্ধি অধ্যাত্মজগতৰ মূল কথা। অস্বচ্ছ সলিলত সূৰ্য্য বিম্বিত নহয়। অনুৰূপ অশুদ্ধ চিত্তত ঈশ্বৰৰ প্ৰকাশ অনুভূত নহয়। কিন্তু কিছুমানে মানুহ হৈ মানুহক গুৰুৰূপে গ্ৰহণ কৰিবলৈ টান পায়, নহয়? টান পালেও উপায় নাই---ব্ৰহ্মবিদ্যাৰ কাৰণে ব্ৰহ্মজ্ঞৰ কাষ চাপিবই লাগিব। সন্ত সদ্‌গুৰুক গ্ৰহণ নকৰাকৈ এজনে ঈশ্বৰলাভ কৰিব নোৱাৰে। এই প্ৰসঙ্গে ডঃ ৰাধাকৃষ্ণণৰ এটি মন্তব্য সুঁৱৰিব পাৰি ঃ"Man cannot know God, unless he comes into contact with him in a personal encounter as an object of worship." ---ভগৱানক জানিবলৈ হলে ঈশ্বৰ পূজাৰ মাজেদি জানিব লাগিব। অব্যক্ত এই ঈশ্বৰৰ সাকাৰ ৰূপেই হ'ল সন্ত সদ্‌গুৰু তথা প্ৰেৰিত পুৰুষ (prophet)। এই গুৰুৱেই সাংসাৰিক জীৱনৰ একমাত্ৰ আদৰ্শ। এই গুৰু বিনে ভক্তি, অনুৰাগ আৰু পাৰ্থিৱ কাম, কিন্তু জঞ্জালৰপৰা মুক্তি---একোৱেই সম্ভৱ নহয়। বিনে গুৰুচৰণ/ ভকতি ৰকতি / মুকুতি কবহো ন হোই।'

ধৰ্মজগতত ব্যক্তিত্ব বুলি একো নাই। এজনে গুৰুত যিমানে লীন হব পাৰিব, সিমানে তেওঁ ঈশ্বৰলাভৰ পথলৈ আগবাঢ়ি যাব। গুৰুৰ কথাই কথা। নিজৰ কথা বুলি কোনো কথা থাকিব নোৱাৰে। জগদ্‌বৰেণ্য স্বামী বিবেকানন্দই এই কথাষাৰৰ তাৎপৰ্য্য মনে প্ৰাণে উপলব্ধি কৰিছিল আৰু সেই কাৰণেহে স্পষ্টকৈ কব পাৰিছিল "Carrying out the commands of the Guru without the least shadow of doubt or hesitation, is the secret of success in religious life to follow. There is no other way." গুৰু প্ৰীত হ'লে, তেওঁৰ মাজেদি ঈশ্বৰ দৰ্শন হয়। বিবেকানন্দই ঈশ্বৰ লাভ কৰিছিল ৰামকৃষ্ণ পৰমহংসক গুৰুৰূপে বৰণ কৰাৰ পাচত, আগত নহয়। এনে এজনক ভাল পাব লাগিব, যিজনে সকলোকে ভাল পায়। তেনে এজনক ভাল পাব পাৰিলেহে আমি সকলোতে ঈশ্বৰক দৰ্শন কৰিবলৈ পাম। সন্ত সদ্‌গুৰু তেনে এজন মানুহ। সকলোতে হৰি তথা ঈশ্বৰ আছে—সন্ত সদ্‌গুৰুৰ কৃপা হলেহে এজনে এই দিব্যদৃষ্টি লাভ কৰিব পাৰে। 'সব ঘটমে হৰি হ্যায় গিৰিযুতমে জ্যোতি। /সদ্‌গুৰু চমকি বিনা কৈসে প্ৰকট হোতি ॥'

মানুহৰ মাজত অৱগুণ আছে, দেৱগুণো আছে। আমাৰ মাজত থকা এই দেৱগুণ পুৰুষানুক্ৰমে চলি অহা বহু বছৰৰ কুসংস্কাৰ-কঁৱলিৰদ্বাৰা আচ্ছন্ন। এই ডাঠ কৰাল বন্ধা ময়লাবিলাক সহজতে পৰিস্কাৰ নহয়। এই ময়লাবিলাক পৰিষ্কাৰ কৰিবলৈ হলে যথেষ্ট কষ্ট, চেষ্টা আৰু অনুশীলন প্ৰয়োজন। কিন্তু ই ঠিক আন্তৰিক অভিলাস আৰু নিৰন্তৰ অনুশীলনৰ ফলত মানুহৰ চিত্ত এদিন নিৰ্মল হব, দেৱ ভাব জাগ্ৰত হব। 'Centuries of passions and systematized error have built a crust above our souls which light cannot pierce but the spirit when awake can produce miracles.' (Dr. S. P. Radha Krishnan).

সংসাৰত সং বা মায়া আছে। সাৰ বা ভগৱানো আছে। সংসাৰৰ মায়া বা অবিদ্যাই সাধন-ভজনত মনোনিবেশ কৰাত বিঘিনি সৃষ্টি কৰে। সেই কাৰণে কিছুমানে গৃহত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰে। সংসাৰৰ এই মায়া বা অবিদ্যাৰ দুষ্প্ৰভাৱৰপৰা মুক্ত থাকিবলৈ সকলোৱে বিচাৰে। কিন্তু ইষ্টনিষ্ঠভাৱে চলাত অভ্যস্ত হলে সংসাৰ ঈশ্বৰ লাভৰ উপায়হে, অপায় নহয়। যিসকল সাধকে পৰমাৰ্থৰ সোৱাদ পাইছে, তেওঁলোকক পাথিৱ প্ৰলোভনে একোৱেই কৰিব নোৱাৰে। যি সকলে পৰমাৰ্থৰ সোৱাদ পোৱা নাই, পাথিৱ প্ৰলোভনত আসক্ত হয় সেই সকলেই। মহাজ্ঞান লাভ কৰাৰ পাচত ৰামচন্দ্ৰই ক'লে, 'নাথাকো আৰু এই সংসাৰত। শুনি ৰজা দশৰথে ম্ৰিয়মাণত পৰিল। তেওঁ ৰামক বুজাবৰ নিমিত্তে কুলপুৰোহিত বশিষ্ঠক পঠিয়ালে। বশিষ্ঠই ক'লে, 'ৰাম, সংসাৰত যদি ঈশ্বৰ নাই, তুমি এৰিব পাৰা।' ৰামে এতিয়াহে নিজৰ ভুলটো ধৰিবলৈ পালে। যোগ্য গুৰু পালে এই সংসাৰত থাকিও এজনে ঈশ্বৰ লাভ কৰিব পাৰে। জোৰকৈ গৃহত্যাগ কৰা মানে প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰা, আৰু প্ৰকৃতিৰ এই বিৰুদ্ধাচৰণৰ ফল বহুক্ষেত্ৰতেই বেয়া হোৱাহে দেখা যায়।

কোনো মানুহকেই আমি সম্পূৰ্ণ জ্ঞানী বুলিব নোৱাৰো। প্ৰেৰিত পুৰুষসকলৰ কথা অৱশ্যে বেলেগ। কুলপুৰোহিত মহৰ্ষি বশিষ্ঠৰ কথাকেই কওঁ। তেওঁ এজন ব্ৰহ্মজ্ঞ ঋষি। পুত্ৰশোকত তেৱোঁ কান্দিবলৈ ল'লে। এই দৃশ্য চাই অগ্ৰজ লক্ষ্মণে ৰামক ক'লে, দাদা, মহৰ্ষি বশিষ্ঠইও দেখোন পুত্ৰশোকত উদ্‌বাউল হয়। কি আচৰিত কথা। তেতিয়া ৰামে ক'লে, য'ত জ্ঞান, ত'তেই অজ্ঞান। কথাষাৰ ঠিকেই। ধোঁৱা নোহোৱা জুই অসম্ভৱ। অজ্ঞানতা মুক্ত জ্ঞানো অসম্ভৱ। মায়া বা অবিদ্যাৰ প্ৰভাৱ এনে দুৰপনেয়। শকুন্তলাৰ পালক পিতা

কন্বইও মায়াৰ এই অমিত শক্তিৰ কিঞ্চিত উপলব্ধি কৰিছিল শকুন্তলাক পতিগৃহলৈ পঠিওৱাৰ সময়ত।

ধৰ্মজগতটো এটি বেলেগ জগত। এই জগতৰ কথা-বতৰাবোৰ বেলেগ ধৰণৰ। যেনে সন্ত সদ্-গুৰুৱে আনৰ ৰোগ নিৰাময় কৰে বুলি আমি বিশ্বাস কৰোঁ, অথচ তেওঁলোকে নিজৰ ৰোগ ভাল কৰিব নোৱাৰে। শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰৰদৰে এখন ডাঙৰ যুদ্ধ পৰিচালনা কৰিছিল, জীৱনত বহুত শত্ৰুক পৰাভূত কৰিছিল, অথচ সেই কৃষ্ণৰ মৃত্যু হ'ল এজন ব্যাধৰ হাতত। গৌতম বুদ্ধ জৰা, ব্যাধি আৰু মৃত্যুৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি শেষত জৰা-ব্যাধি-মৃত্যুক জয় কৰিছিল বুলি কোৱা হয়, এই গৌতম বুদ্ধৰ মৃত্যু হৈছিল গ্ৰহণী ৰোগত। বেচিদিন আগৰ কথা নহয়, ৰামকৃষ্ণ পৰমহংস দেৱৰ কৃপাত কিমান মানুহ ৰোগমুক্ত হৈছিল, সেই ৰামকৃষ্ণ পৰমহংসৰ মৃত্যু হৈছিল ক্যানচাৰ ৰোগত। এই ধৰণৰ মৃত্যুৰ বাবে তেওঁলোকৰ ভগৱত্ব ক্ষুণ্ন হৈছে বুলি আমি নকওঁ। কাৰণ ব্যাধিৰ কাৰণে মৃত্যু দেহৰ বাস্তৱ বিজ্ঞানসন্মত পৰিণতি। ই প্ৰকৃতিৰ বিধান। প্ৰেৰিত পুৰুষ সকলে প্ৰকৃতিৰ বিধানৰ বিৰুদ্ধাচৰণ নকৰে।

গুৰুগ্ৰহণ আৰু ধৰ্মাচৰণ বৃদ্ধ হলেহে কৰিব লাগে—এই যুক্তিও দৃঢ় নহয়। সৰুবেপৰা চৰিত্ৰ গঠিত নহলে বৃদ্ধবয়সত তাক সুগঠিত কৰা টান। গুৰুৰ নিৰ্দেশ আৰু ধৰ্মাচৰণে মানুহক সুস্থ-স্বচ্ছ ভাৱে সকলোকে লৈ জীয়াই থাকিবলৈ প্ৰেৰণা দিয়ে। গতিকে গুৰুগ্ৰহণ আৰু ধৰ্মাচৰণক বৃদ্ধ বয়সৰ কাৰণে পেলাই ৰখাটো যুক্তিসন্মত নহয় যেন লাগে।

ধৰ্মনিষ্ঠ মানুহ আৰু সাধাৰণ মানুহ এজনৰ মাজত প্ৰভেদ অনেক। ধৰ্মনিষ্ঠ মানুহ এজন যেন কুলা আৰু সাধাৰণ মানুহ এজন যেন চালনি। কুলাই সাৰ বস্তু ৰাখি অসাৰ বস্তু পেলাই। আৰু চালনিয়ে অসাৰ বস্তু নিজৰ মাজত ৰাখি সাৰৱস্তুহে পেলাই।

এই সংসাৰ হ'ল বাঘধৰা খাঁচা। এই খাঁচাৰ ভিতৰত আছে মায়া ছাগলি। বাঘে প্ৰলুব্ধ হৈ এই মায়া ছাগলিক খাবলৈ গৈ ভিতৰলৈ সোমোৱা মাত্ৰেই বাহিৰলৈ ওলোৱাৰ বাটটো বন্ধ হয়। আমি সাধাৰণ মানুহ পাথিৱ প্ৰাপ্তিৰ ছাগলিৰ মোহত মুগ্ধ। এই বাঘৰ দৰে আমাৰ পৰিণতিও অশুভ, বেদনাদায়ক।

সাধন-ভজনৰ ঘোৰ অন্তৰায় কামিনী আৰু কাঞ্চন। সংসাৰী মানুহ মাত্ৰেই এই কামিনী কাঞ্চনৰদ্বাৰা কম-বেচি পৰিমাণে আসক্ত। কাক-তত তেল লাগিলে লিখিব পৰা নাযায়, মনত কামিনী কাঞ্চনৰ তেল লাগিলে সাধন-ভজন নচলে। অথচ এই কামিনী আৰু কাঞ্চনক বাদ দি আমাৰ সংসাৰ জীৱন কল্পনাই কৰিব নোৱাৰি। সেয়ে প্ৰেৰিত পুৰুষসকলে কামিনী আৰু কাঞ্চনক বাদ দিবলৈ কোৱা নাই, কৈছে কামিনী আৰু কাঞ্চনৰ সদ্ ব্যৱহাৰ কৰিবলৈ। আৰু এই সদ্ ব্যৱহাৰ কৰিবলৈ হ'লে সন্ত সদ্গুৰুক গ্ৰহণ কৰি তেওঁৰ নিৰ্দেশিত পথত চলাৰ বাহিৰে আন উপায় কোনো নাই।

সন্ত সদ্গুৰুক গ্ৰহণ কৰিলেই এজন মানুহ ৰাতাৰাতি ভাল হব পাৰেনে ? ---নোৱাৰে। স্কুলত নাম লগালেই ছাত্ৰ নহয়, মন্ত্ৰ ললেই শিষ্য নহয়। যিজনে ভক্তি আৰু নিষ্ঠাৰে সৈতে গুৰু-প্ৰোক্ত নিয়ম-নীতিবোৰ পালন কৰে, তেওঁহে শিষ্য। এনে এজন মানুহৰ আচৰণ, সাধাৰণ মানুহতকৈ ভাল হবলৈ বাধ্য। সন্ত সদ্গুৰুৱে নজনা একোৱেই নাই। তেওঁ জ্ঞানৰ সাগৰ। প্ৰণাম, সেৱা আৰু প্ৰশ্ন--এই তিনিটাৰে তেওঁৰপৰা সকলো কথা আহৰণ কৰিব পৰা যায়। 'তদ্বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেৱয়া।' নৈৰ পাৰত গলেই পিয়াহ দূৰ নহয়, পানীত নামিব লাগিব। তেহে পিয়াস মিটিব।

গুৰুগ্ৰহণ কৰি চলা মানুহসকলো দোষমুক্ত বুলি আমি নকওঁ। গুৰু গ্ৰহণ কৰা নাই---এনে এজন মানুহে জীৱনৰ চলাৰ পথত বহুতো ভুল কৰে। ভুল কৰে গুৰুগ্ৰহণ নকৰা ভকতেও। গতিকে

গুৰুগ্ৰহণ কৰি কি লাভ ? ধৰ্ম ধৰ্ম কৰি কি লাভ? এই প্ৰশ্নৰ এটি ধুনীয়া উত্তৰ দিছে স্বামী বিবেকানন্দই ---""If a man with an ideal makes a thousand mistakes, then I am save that a man without an ideal makes fifty thousand. Therefore, it is better to have an ideal."

এজন মানুহ শৰণ ললেই দেৱতা হৈ গ'ল--- এনে ধাৰণা কৰা ভুল । এজনে শৰণ ললে মানে সন্তভাৱে জীৱন যাপন কৰিবলৈ বিচাৰিছে । গতিকে এজন শৰণ লোৱা মানুহে কিমান নিজকে পৰিশুদ্ধ কৰিলে সেইটো বিচাৰ্য্য বিষয় নহয়, বিচাৰ্য্য বিষয় হ'ল তেওঁ গুৰুপ্ৰোক্ত নিৰ্দেশ কিমানখিনি মানি চলিছে । যদি চলা নাই তেওঁৰ চৰিত্ৰত একোৱেই পৰিবৰ্তন পৰিলক্ষিত নহব । যদি চলিছে ওচৰচুবুৰীয়াক তেওঁৰ চৰিত্ৰৰ সদ্‌গুণবোৰে আকৃষ্ট কৰিবই কৰিব ।

ধৰ্ম এক । মত আৰু পথ বেলেগ হব পাৰে। সত্য, শিৱ, সুন্দৰ, প্ৰেম, অহিংসা---সকলো ধৰ্মমতৰ কথা । যিজনে আনৰ ধৰ্মমতৰ প্ৰতি সশ্ৰদ্ধ নহয়, তেওঁ নিজৰ ধৰ্ম মতকো শ্ৰদ্ধা নকৰে । সেই কাৰণে সকলো সন্ত সদ্‌গুৰুৱে শিষ্য সকলক পৰ ধৰ্মমত সহিষ্ণু হবলৈ কৈছে । উদাহৰণ হিচাপে মহাপুৰুষ শঙ্কৰদেৱৰ এটি বাণী উদ্ধৃতি কৰিব পাৰি—

পৰৰ ধৰ্মক নিহিংসিবা ।<br>
কৰিবা ভূতক দায়া সকৰুণ চিত্ত ॥<br>
হুইবা শান্ত চিত্ত সৰ্ব ধৰ্মত বৎসল ।<br>
এহি ভাগৱত ধৰ্ম জানা মহাবল ॥<br>
(ভক্তিপ্ৰদীপ)

আমাৰ শাস্ত্ৰৰ কথাবোৰ বৰ তাৎপৰ্য্যপূৰ্ণ । কাৰণ শাস্ত্ৰকাৰসকল আছিল সুপণ্ডিত আৰু পৰিণামদৰ্শী । নহলে বহুবছৰ আগতে তেওঁলোকে আজিৰ সমাজৰ নৈতিক অৱনতিৰ কথা কেনেকৈ বাৰু উমান পালে ? শ্ৰীশঙ্কৰ ভাগৱতত আছে—

ম্লেচ্ছ সব হৈব পৃথিৱীৰ অধিকাৰ ।<br>
ন কৰিব সুখদুখ বিচাৰ প্ৰজাৰ ॥<br>
লোভ মোহে আকুল ন চাইব গুণ দোষ ।<br>
সদায়ে কৰিব মাত্ৰ ধনত আক্ৰোশ ॥<br>
হৈব দুষ্ট মন্ত্ৰী তাৰ ধৰিব বচন ।<br>
ধনৰ নিমিত্ত যেন খাৱে প্ৰজাগণ ॥

অনুৰূপ চিত্ৰ আমি শ্ৰীশ্ৰীমাধৱদেৱৰ 'জন্মৰহস্য'তো পাওঁ ---

অধৰ্মক ধৰ্মক জিনিবে সত্যক<br>
জিনিবে মিছা বচনে।<br>
পুৰুষক স্ত্ৰীয়ে জিনিবে ৰাজাক<br>
জিনিবেক ভৃত্যগণে ॥<br>
কনিষ্ঠে জ্যেষ্ঠক জিনিবে পিতৃক<br>
পুত্ৰে জিনিবেক দণ্ডে ।<br>
বলিক নিৰ্বলী জিনিবে কলিত<br>
ভালক জিনিবে মণ্ডে ॥<br>
কলিৰ যুগত মহাম্লেচ্ছ যত<br>
ফুৰিবে ৰাজা বোলাই ।<br>
এৰি ৰাজনীতি ডকাইতৰ নীতি<br>
ধৰিব ৰাজা সদাই ॥

---গতিকে শাস্ত্ৰৰ কথা আমি পালন কৰাই বিধেয় ।

মানৱ জীৱন আহাৰ নিদ্ৰা আৰু মৈথুনৰ কাৰণে নহয় । এই জীৱনৰ সম্যক বিকাশৰ কাৰণে দৰ্শন নাইবা ধৰ্মৰ প্ৰয়োজন আছে । ই কেৱল ভাৰতৰ সন্ত সদ্‌গুৰু আৰু শাস্ত্ৰকাৰসকলৰ কথা নহয় । বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে পণ্ডিতেও তাকে মানি লৈছে :— "The world has need of philosophy, or a religion, which will promote life." মানৱ জীৱন সাধন ভজনৰ জীৱন। সাধন ভজন

নকৰাকৈ এই জীৱনটো নষ্ট কৰিবৰ কোনো যুক্তি নাই। ভাৰতবৰ্ষ ধৰ্মৰ দেশ। ব্ৰহ্মা আদি দেৱগণে ইয়াত জন্ম লভিবলৈ বিচাৰে। 'দুৰ্লভ ভাৰতে নৰতনু আছা পাই। ব্ৰহ্মা আদি দেৱে যাক প্ৰাৰ্থন্ত সদাই ॥' (শ্ৰীশ্ৰী মাধৱদেৱ, ভক্তি ৰত্নাৱলী)। এনে এখন দেশত আমাৰ জন্ম— ইকি কম সৌভাগ্যৰ কথা? ভাৰতবাসী হৈও আমি ভোগ বিলাসত মতলীয়া হৈ থকাটো বৰ দুখৰ কথা। এই দুখৰে বাংময় প্ৰকাশ মহাপুৰুষ শঙ্কৰদেৱপ্ৰোক্ত নিম্নোদ্ধৃত পদ দুটিত—

আছন্ত ঈশ্বৰ কৃষ্ণ হৃদয় কমলে।
নজানে পামৰ সবে বিষয় বিকলে ॥ ×××

"আজি প্ৰত্যেক অসমীয়াই সঙ্কল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ; অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ; অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ দোলেৰে গুথি, দুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়ো, শক্তিমান ন অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন অসমীয়া সংস্কৃতি ৰচো, সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাঙ্ক্ষাৰ কাবেংঘৰ, কামনা বাসনাৰ তলাতল ঘৰ সাজোঁ।" ........

--কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা।



# শ্বহীদ বেদী / মঙলদৈ মহাবিদ্যালয়

"আয়ে দিয়া কিহ গামোচাৰে
গুলী খোৱা তেজ মচি
ৰণ দেৱতা ৰঙা থাপনতে
জলাওঁ শলিতা গছি
পুনৰ সম্ভ্ৰম সাজু হৈছোঁ আই
দিবলৈ জীৱন দানে"।।

— জ্যোতি প্ৰসাদ

অশ্ৰু অঞ্জলি, আমাৰ মহাবিদ্যালয়ৰ শ্বহীদ বন্ধুলৈ ..



শ্বহীদ ডিম্বেশ্বৰ ডেকা

"বাট ভেটি দিয়া
হেজাৰ এলাগিৰি পাহাৰ ভাঙি
শত শ্বহীদৰ দল
লৈ দল বল
আমি আগবাঢ়িম
আমাৰ কলিজাৰ তপত শোণিতেৰে
আইৰ চৰণ পখালিম"

— জ্যোতি প্ৰসাদ



শ্বহীদ হৰগোবিন্দ গোস্বামী



শ্বহীদ লোকনাথ বৰুৱা



শ্বহীদ কুলেন শৰ্মা




শ্বহীদ স্বৰ্গেশ্বৰ বৰুৱা

# বৰ্ষাস্নাত পৃথিৱী

কাঞ্চন বৰুৱা

আকাশত মেঘ উঠে
বিজুলীয়ে ৰেখা টানে
প্ৰিয় জনৰ আগমনত
ধৰিত্ৰীৰ বুকু কঁপে
মেঘেও প্ৰেমিকালৈ
সিঁচি সিঁচি দিয়ে
মৰমৰ কণিকাবোৰ
বৰষুণ ৰূপে
ধৰিত্ৰী হয় ধন্য
বহু দিনৰ আকাংক্ষিত
প্ৰিয় জনৰ প্ৰেমৰ সুঁৱৰাৰে
গৰ্ভা হয় ধৰিত্ৰী
সেউজী সাজে পিন্ধি
আশা কঢ়িয়াই কৃষকৰ মনলৈ

নৱতৰ মাদকতাৰে মনলৈ
যৌৱন নামে নীৰৱে
বিপ্লৱীৰ বাহুলৈ বল ঃ
মেঘ আহে পৃথিৱীৰ প্ৰেমে
আশা আহে উদ্যম আনে
সোঁৱৰাই জনে জনে
সাজু হবৰ হ'ল।
সাজু হবৰ হ'ল।



# সংযোগ

— মিচ্ মেঘালী দেৱী।

সোণোৱালী শৈশৱে
মোক কৈছিল — বাৰে বাৰে,
মিঠা মিঠা মোহ লগা জীৱনৰ কথা।

কল্পনাৰ ডেউকা মোৰ
মেল খাইছিল
মন পক্ষী মোৰ উৰা মাৰিছিল সুদূৰৰ পিনে।

কাৰণ —
মই আছিলোঁ
স্ৰষ্টাৰ নিচেই কাষতে।
বয়সৰ সীমাবোৰ
অতিক্ৰম কৰি
মই আগবাঢ়িছিলো
জাগতিক পংকিলতাই
মোক গ্ৰাস কৰিলে
ধূলিত মিহলি হ'ল সকলো কল্পনা
আৰু
উকা বাস্তৱে মোক পুনৰ ক'লে —
মোৰ ডেউকা ভগা জীৱনটোৰ কথা।
মই আজি শ্ৰান্ত, ক্লান্ত।

কাৰণ — হৈ গ'লে মোৰ সকলো সংযোগ
বিচ্ছিন্ন
স্ৰষ্টাৰ কেন্দ্ৰৰ লগতে।
সেয়ে হেৰুৱালো জীৱনৰ মোহ।
আৰু আজি লাগে মোক
হেৰুৱা সংযোগ
স্ৰষ্টাৰ কেন্দ্ৰৰ লগতে।



# বিশুদ্ধ যৌৱন ঃ তোমালোক সাৰে থাকা

শৰৎ চন্দ্ৰ চহৰীয়া

হেৰা! মোৰ প্ৰাণৰ
সংগ্ৰামী বিশুদ্ধ যৌৱন
চাৰিটা বসন্তৰ অন্ততে তোমালোকে অপৰাজেয়
তোমালোকে মাথো সাৰে থাকা।

তোমালোকে গণতন্ত্ৰৰ (?)
বিশুদ্ধ যৌৱন হয় নে ?
"বিকলাঙ্গ গণতন্ত্ৰক"
তোমালোকে চিতাত তুলিব পাৰিবা
তোমালোকে মাথো সাৰে থাকা।



তোমালোকে জানা,
বিকলাঙ্গ গণতন্ত্ৰত
অন্তৰ ভাৱৰিহে থাকে ঃ
ট্ৰিগাৰৰ ভূমিকা থাকে ঃ
মই জানো-তোমালোকে অপৰাজেয়
মাথো, তোমালোক সাৰে থাকা।

মাদ্ৰিদৰ—ৰাজপথৰ যৌৱনবোৰক
তোমালোকে দেখিছা—?
ভেৰোণীয়া গুণ্ডাবোৰক—
এই যৌৱনবোৰেই পৰাজিত কৰিছিল।
তোমালোকে শক্তি সঞ্চিত—যৌৱন—
মাথো তোমালোকে সাৰে থাকা।

হেৰা ! মোৰ প্ৰাণৰ
সংগ্ৰামী বিশুদ্ধ যৌৱন,
যোৱাৰাতি বিচনাৰ পৰা - সংগোপনে –
মোক আৰু প্ৰিয়তমা জায়াক
কাৰাগাৰলৈ আনিলে –
গণতন্ত্ৰৰ (?) কাৰাগাৰত অত্যাচাৰ চলে –,
জয়াই কাৰাগাৰত প্ৰলাপ বকিছে
অ, নহয় – ,
বিশ্বৰ কাৰাগাৰত
" বিকলাঙ্গ গণতন্ত্ৰই " প্ৰলাপ বকিছে
তোমালোক সাথে সাৰে থাকা ।



# চিৰন্তন

— দেবেন কলিতা

শুভ্ৰ কলিজাত
কিহৰ ঝংকাৰ
ধ্বংসৰ !
কিহৰ বাবে ?
নতুনৰ সৃষ্টি ।

অৰ্চনা ৰক্তজবাৰ
কিহৰ বাবে ?
ইতিহাস ৰচনাৰ

(কালান্তৰৰ কবিতা)

# বন্দী শালৰ পৰা




— সাবিত্ৰী তালুকদাৰ (ভেক)

শৰণেৰে আই —
চাওঁতে চাওঁতে এনিশাৰে দুনিশাৰে
হজাৰ বিনিদ্ৰ নিশাৰে
এজামুৰি কাঢ়ি যায় —
বন্দীশালৰ চৌপাশে
তোৰ শুমুনিয়াহে বোৱে
মোকেই খুলিয়াই চাই
মোৰ যে কি মন যায়
দুহাতে মেৰিয়াই থোৱা লোৰ শিকলিডাল
এই দৰে ছিঙি যাওঁ !



দিখৌ ঘাটেৰে কলং পাৰেৰে
সৰতি জনীও আহিছিল হেনো ?
লুইতৰ বালিত খুলিছিল জানো
আলফুল কপৌপাহি
মানুহ বিলুৱ দিনা তয়ো হেনো নললি
বুটা বচা বিহাখনি
মেৰিলে বাটে আজি কিমানে চাবি ?
কালৰ বুকুতে মহাকালৰ ইনিয়ি বিনিয়ি
কুটুমৰ মঙহেৰেই কুটুমে খেলায় !
এই বোৰ ভাবোতেই পখৰা ভাগৰে পায় ।

মোৰ আই
ডাৱৰে-ডাৱৰে পালো তোৰ
আশীষে বিচৰানি খনি
মাথো এই খন খুজিব পামনে নেপামে !
উগামা আকাশ মনৰ ইকোণেও সিকোণেও
বাৰুদৰ ধোঁৱা —
সিহঁতবা জীয়াই আছেনে নে নাই !
তোৰ মাজতে জীয়াই আছো মই
তোৰ সুদিনলৈ বাট চাই চাই ।



# ৰূপান্তৰ

—ড° ৰমেন ৰায়


তাই এই ঠাই ডেখেৰত
বহিছিল
তাই মোৰ চকুলৈ চাই
কৈছিল
মই তোমাৰ
কেৱল তোমাৰে ।

এই পাহাৰৰ নামনিত
য'ত তাইক সমাধিস্থ
কৰা হৈছিল
তাইৰ কুঁৰৰী হাড়ত
গজি উঠা কুমলীয়া
ঘাঁহ বোৰ
তাইৰ দৰেই নম্ৰ।

জোনৰ কোলাত থকা
শহা পহুটি এই
কুমলীয়া ঘাঁহ বোৰ চাই
জিলিকি উঠিলেও
সেই বোৰ খাবলৈ
মন কৰা নাই।

সেউজীয়া ধাননি
ডাৱৰ দুৰণীৰ
আৰু চৰাইৰ চিৰিকতি
তাই কিমান যে
ভাল পাইছিল

কেতিয়াবা মই ভাবো
তাই আৰু নাই।
তেতিয়াই মই `
শুনিবলৈ পাও :



তোমাৰ ভৰিৰ তলৰ মাটি
মাটিৰ তলৰ পানী
বন পোৰা জুই
অথিৰ ধুমুহা জাক
আৰু নীলা আকাশ
মই নহয় জানো ?

তথাপি মন নামানে
এই ঠাই ডোখৰলৈ আহো
আহি লাহেকৈ
অকনমান বহো
হাতত এমুঠি মাটি লৈ
নিৰ্নিমেষে চাই থাকো
তাই যেনো ইয়াত আছে
চাওচোন আছে নে নাই
মোৰ তাইক —
মই এই মাটি মুঠিত
বিচাৰি ফুৰো।

# সহযাত্ৰী তোমালৈ

— বীণা দেৱী ৰ

বন্ধু,
তুমি জানো দেখা নাই
যুগে যুগে প্ৰৱাহিত হোৱা
ঋজুতাৰ নৈখন...
হিয়া ধুনি কন্দা মোৰ
আইৰ বুকুখন।
ইতিহাসৰ বুকুত,
তেজৰ ঢল নামিছে
পিশাচৰ অট্টহাস্যত
আইয়ে উচুপিছে।
মাতৃৰ কোলাত সন্তানৰ প্ৰশ্ন
"মা ৰাতি পুৱাবলৈ কিমান বাকী"?
কালৰাত্ৰিৰ বুকুত নিয়তিয়ে হাঁহিছে
নৰকংকালৰ ছবি অংকিত কৰি।

বন্ধু,
তুমি এতিয়াও আছা নীৰৱে?
থান বান কৰা নাই হৃদয় তোমাৰ
নিষ্পেষিত কৰুণ আৰ্তনাদে??
আকাশে বতাহে মুখৰিত আজি
সহস্ৰ অগ্নিফিৰিঙতি,
জিলমিলি অহা লেলিহান শিখাৰে
তুমি দিছিলা আঁচা প্ৰতিশ্ৰুতি।
লাঞ্ছিতৰ অশ্ৰুৰে —
শ্বহীদৰ কেঁচা তেজেৰে,
লিখি যাম জীৱনৰ জীয়া কাহিনী।

# সাধুকথাৰ মুক্তি

— মিঃ গোলাপী বৰুৱা

মই বাৰ্কি খোৱা
ৰঙা ঘোঁৰাটোৰে
এৰি দিমেই—
যাৰ খট্ খট্ শব্দত
সিঁহতে জাকে আৰু পাৰে।
তাৰ উৰন্ত চেকুৰত
ধূলিময় হোৱা গগনত
আবেলিৰ টিক্ টিক্ৰিয়া
তেজ ৰঙৰ ৰাঙৈ
আতোঁৰ মেলিব,
মৰা মানুহবোৰ
জীয়া সাধুকথাৰ
জোনাক ৰাতি চোতালত কম।
বন্ধা ঘোঁৰাৰ
এৰাখে পিছত
জোনাকে আহিব—
খুলাৰ তামোলবোৰ
মুখ ৰঙা কৰি
গোটেই ৰাতি সাধু কম ॥

# অবান্তৰ

হেমলতা দেৱী


সৃষ্টি নয়নযুৰিৰ
সু প্ৰভাতৰ—
মহাশূন্যতাত ;
প্ৰসাৰিত ক্ৰমাগতে
সন্মুখত—
শৈল শিখৰ ;
পূৰ্ণতাৰ আগমনিত
প্ৰয়াসৰ—
মুক্তকেশ ;
মধ্যাহ্নৰ প্ৰখৰতাত
স্থবিৰতা (?)
জ্বলন্ত অগ্নিশিখৰ ;
আবেগেৰে চিৰজ্যোতিৰ্ময়
তাৰেই গৌণতাত
মৃত্যুৰ অভিনয় ;
কালসন্ধ্যা তৰঙ্গিলত—
জীৱন যুগতে ;
কাৰাৰুদ্ধ ও বেদনাহত
অভিশপ্ত হৃদয়ৰ
জ্বলন্ত আত্মা ;

# সাম্প্ৰতিক বন্দী কবি মই তোমালোকৰ দুখৰ

— প্ৰমোদ চন্দ্ৰ চহৰীয়া

সাম্প্ৰতিক বন্দী কবি মই তোমালোকৰ দুখৰ
সঁচা কোনোৰ অপৰাধত
লৌহ কাৰাগাৰৰ আবেষ্টনীৰ মাজত
সাম্প্ৰতিক বন্দী কবি মই তোমালোকৰ দুখৰ
শাসনৰ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদৰ কণ্ঠ তুলি যিদিনা চিঞৰিছো মই,
কাঢ়ি নিয়া মৌলিক অধিকাৰ ঘূৰাই অনাৰ প্ৰতিজ্ঞাৰে প্ৰত্যাশী মানুহক মোৰ
স্বদেশৰ মাটিত বিপ্লৱৰ সতে চিয়ঁৰ কৰাই যিদিনা চিঞৰিছো মই,
দুৰ্দশাগ্ৰস্ত মানুহৰ মুক্তিৰ বাবে বিপ্লৱৰ প্ৰস্তুতিৰে যিদিনা চিঞৰিছো মই —
সেই দিনা কশাঘাতত বৈ পৰা তনবল তেজত উদযাপিত
যামিনী-দিৱসৰ উমালে জ্যোতিয়ে আবৰি ছিল মোৰ উদং দেহ — মোৰ-
দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন — অকুণ্ঠিত দেহ
বিষন্নতাত বৈ পৰা দুখৰ ৰাতিৰ উজাগৰী মানুহৰ মৰ্মন্তুদ বতৰাৰে
লিখিছো সঁচা কবিতা — নিঃস্ব মানুহৰ সঁচা কবিতা
বাস্তৱ জীৱনৰ উপলব্ধিৰে লিখিছো কঠিন দিনৰ সঁচা কবিতা
বিপ্লৱী কবি কণ্ঠত কবিতা তুলি চিঞৰি চিঞৰি আঘাতে কৰিছো কাৰাগাৰৰ
কঠিন দেৱাল
ভাঙিব খুজিছোঁ, থহাব খুজিছোঁ — মোৰ শব্দৰ আঘাতত চূৰ্ণকৃত
কৰিব খুজিছোঁ কাৰাগাৰৰ বিশাল দেৱাল।
মোৰ কণ্ঠস্থ কবিতা — আজি
প্ৰতিধ্বনিত হৈ বৈ যাব দহোদিশে — বতাহত, জলত, স্থলত

প্ৰতিধ্বনিত হৈ হৈ যেন সকলোতে — আকাশৰ নীলিমত, ফুলৰ সুবাসত, চৰাইৰ কণ্ঠত
সুৰ হৈ বাজি বহু মানুহৰ মুখে মুখে মোৰ কণ্ঠদীপ্ত কবিতা-আৱাজ ॥
মই জানো, সঁচা লিখাৰ বাবে সঁচা কোৱাৰ বাবে
কাৰাগাৰৰ দেৱাল আঘাত কৰা বাবে
স্বাধীন দেশৰ নাগৰিকৰ মৌলিক অধিকাৰ কাঢ়ি নিয়া গণতন্ত্ৰী (?) শাসক দলে
মগজুত গোবৰৰ ভৰণ লোৱা স্বৈৰঃ তান্ত্ৰিক শাসক দলে
একনায়কত্ব বাদ শাসক দলে
মোক হত্যা কৰিব শংকাবিহীন দ্বিধাহীনতাৰে নাইবা কৰিব
যীচুৰ দৰে মোকে ক্ৰুচ বিদ্ধ মোক
কৰে যদিও কৰক মোক হত্যা নতুবা যীচুৰ দৰে ক্ৰুচবিদ্ধ
মই কেতিয়াও মোৰ বিবেকক হত্যা কৰিব নোৱাৰো
অথবা সত্যৰ অপলাপ
গুৰু দ্ৰোণাচাৰ্য্যই একলব্যক কৰাৰ দৰে মোৰো যদি
সোঁ বৃদ্ধাঙ্গুষ্ঠ ছেদন কৰে শাসক দলে
তথাপি মই মোৰ সত্যক কবৰ দিব নোৱাৰো



আঙুলীয়ে বৈ পৰা তেজৰ ধাৰেৰে
মোৰ স্লোগান সৰল সাহসী শব্দ উটুৱাই
সুশৃংখল মোৰ দ্বিতীয় হতত তুলি লম শাণিত কলম
(নেভাবিবা মোৰ দ্বিতীয় হাত যে অভ্যস্ত বিহীন !) ঃ
ৰক্ত সেৰীয়া হৰফত লিখি যাম সভ্যতাৰ কাব্য
লিখি যাম মেহনতী মানুহৰ দুঃস্থ জীৱনৰ দীনতাৰ কাব্য
সাম্প্রতিক বন্দী কবি মই তোমালোকৰ দুখৰ
সঁচা কোৱাৰ অপৰাধত তোমালোকৰ দুখৰ
লৌহ কাৰাগাৰৰ আবেষ্টনীৰ মাজত তোমালোকৰ দুখৰ
তোমালোকৰ আজন্ম দুখৰ ॥



# প্ৰত্যাহ্বান

— হিমাংশুৰঞ্জন নাথ

ঘনঘোৰ আউসী নিশা—
সমাগত আজি—
চৌদিশৰ এন্ধাৰে যেন—
আহিছে পোহৰ নাশি।
সুযোগ সন্ধানী, কোনো মায়াবী হাতোৰাৰ—
তীক্ষ্ণ আচোৰাত ঃ
তেজাৰে তুমুকলি—
মোৰ সৰ্ব্ব শৰীৰ।
নাই, নাই নিদিও নুমাবলৈ—
মোৰ আয়ে জ্বলোৱা তুলসী তলৰ বন্তি গছি।
নিদিওঁ নাশিবলৈ মোৰ পদূলীৰ শেৱালী জুপিৰ—
তল পোহৰাই থকা স্নিগ্ধ পোহৰ খিনিকে।
যুঁজি যাম শৰীৰত থকালৈকে—
প্ৰাণৰ শেষ স্পন্দন !
থৈ যাম মোৰ উত্তৰ পুৰুষলৈকে—
সেই এখনি স্নিগ্ধ পোহৰৰ আশা—
যি আশাৰে ন সাহসী হৈ, কৰিব আলোক যাত্ৰা—
বিনাশীৰ মায়াবী আমসী এন্ধাৰ—
ঠুলিব চৌদিশ—
আকৌ পোহৰাই।



# ৰজনীগন্ধা মন যাৰ

— গজেন্দ্ৰ বৰুৱা
স্নাতক ২য় বাৰ্ষিক (কলা)

মৰমী মহন্তয়ো সমদলটোত শোকৰ সমভাগী হৈ লাহে লাহে গৈ আছে। যিমানে আগবাঢ়ি গৈ আছে সিমানে সেই কথা দুফাঁকিয়ে তাইৰ মন ৰলুকাত প্ৰতিধ্বনি তুলি বৈ বৈ বাজি মাৰ গৈছে।

তুমি মোক নামাতিবা।

আৰু কথাও নাগাতিবা।

ক্ষন্তেকিয়া অভিমানত গদ্‌গদ্ হৈ খণ্ডৰ স্ফুলিংগ ৰূপে তাইৰ মুখৰ পৰাই এদিন ওলাই অহা তাইৰ নিজৰে কথা। অনাহকতে তাক তেনেকৈ গালি পাৰিবলৈ সিদিনাখন মৰমীক কিহে পাইছিল তাই আজিও নুবুজে। অথচ তাতকৈও লেতেৰা কথা কলেজৰ অলেখ বন্ধু বান্ধৱীয়ে কোৱাকুই কৰা তাই নিজ কাণেই শুনা পাইছে। যাক এদিন তাই বেয়া ল'ৰা ("তুমি মোক নামাতিৰা") বুলি গালি পাৰিছিল আজি তাৰ কথাই কিয় তাইক ভৰাই তুলিছে।

অলেখ ল'ৰা-ছোৱালীৰে ভৰা সমদলটোৰ কাৰো মুখতে মাতবোল নাই। মাতি, মাতি চিঞৰি, চিঞৰি আটাইবোৰে যেন আজি ভাগৰি অসহনীয় শোকৰ সন্তাপে সকলোকে বোবা কৰিছে নে বিক্ষুব্ধ শোকৰ দাবানলেহে দহি দহি মনৰ সুন্দৰতাক ধাহি ধুহি ধুই নিছে তাক ধৰা টান হৈ পৰিছে। সিহঁত আটাইবোৰেই যেন এটা সীমিত গতি। সীমিত সীমাৰ লক্ষ্যই সিহঁতক সিহঁতে ক'বলগীয়া কথাবোৰ আপোনা আপুনি কব। সিহঁতে কোনোয়ে এতিয়া কথা নকয়।

কথাচহকী বাংগালী বুলি খ্যাত বনলতা বেগমেও আজি কথা ক'বলৈ পাহৰি গৈছে, খুহ-তীয়া কথা কৈ পেটৰ নাৰী-ভুক বাজ কৰিব পৰা দেৱকান্তয়ো তললৈ মুৰ কৰি আগবাঢ়ি গৈ আছে। ছোৱালী জুমৰ প্ৰায়বোৰৰে চকুত দুচকুৰ নীলা ঢাকি চকুপানী। 'ছোৱালী বিলাকৰ চকুপানীবোৰ মোৰ দেখোন নিয়ঁৰত তিতা শেৱালী ফুল যেন লাগে।' অসমীয়া অনাৰ্চৰ ক্লাচত এদিন কৌশিকেই কৈছিল। সি আৰু কৈছিল "মই শেৱালী ফুল ভাল পাওঁ বাবেই নেকি?"

ঃ আহ!

ঃ কি হ'ল মৰমী? দুখ পালা নেকি? আকাশ পাতাল ভাবি যোৱা মৰমী মহন্তই অঘয়া শিলত উজুতি খাই পৰিব ওলোৱাত পাচফালৰ পৰা

তাইৰ কান্ধত থাপমাৰি ধৰি অনুপমাই সুধিলে।

ঃ নাই পোৱা অনু। চুটিকৈ উত্তৰ দিলে মৰমীয়ে।

ঃ বৰ দুখ লাগে নহয় ?

ঃ কি ?

ঃ এই যে, কাশ্যপৰ এক্‌চিডেন্টটো।

ঃ অ—।

অ'তে শেষ কৰি থলে মৰমীয়ে অনুপমাৰ কথাটো।

কিন্তু তাইৰ অন্তৰৰ অনন্ত প্ৰশ্নবোৰৰ জানো কিবা সমিধান পালে! আজি কেৱা মাহৰ পৰা দেশখনত যে কি সোমাল। কোনে কাক মাৰিছে, কোন ক'ত মৰিছে ইয়ত্বা নাই। কেৱল হুলস্থূল। বেপাৰ বনিজ বন্ধ হোৱাত সাধাৰণ খাটি খোৱা এটা চামৰ মুখলৈ চাব নোৱাৰা অৱস্থা। ঘৰৰ পৰা বাটলৈ ওলালেই যেন ক'ৰবাৰ পৰা এপাট তীক্ষ্ণ কাড় আহি বুকুৰে সোমাই পাৰ হৈ যোৱাৰ ভয়। দুজনমান লগ লাগিলেই যেন ৰাইফলে গৰজি উঠিব। মানুহৰ দেশত মানুহে মানুহক মাৰে। গৰু, ছাগলী, গাহৰিৰ তেজ মাংস খাই খাই মানুহবোৰো গৰু, ছাগলী গাহৰি হৈ গল নেকি? নহলেনো সম্প্ৰীতিৰ সাংগাঠনিক সভাৰ পৰা ঘূৰি আহোতে কৌশিকটোক নিৰ্মম ভাৱে কিয় মাৰিব লগা হল। কোনোবাই কোনোবা এজনক মাৰিলে। মৃতজনক চিনিব নোৱাৰি। মুছলমান লোকখিনি জাঙুৰ খাই উঠিল হিন্দুৱে মুছলমান ল'ৰা মৰা বুলি। অকস্মাতে গোটেই অঞ্চলটো উত্তপ্ত হৈ উঠিল। পাছত যেনিবা ওলাল মৃতজন হিন্দুহে। অৱস্থাই সিমানতে সামকটা হলে ভালেই আছিল, পিছে কোনোবা কু-চক্ৰান্তকাৰীয়ে নৈৰ নদীৰ বালিত চিপজৰী লগাই মৰাত পুতি থোৱা জন্য এটি মৰাশ লৈ আহি আকৌ পৰিবেশ গৰম কৰি দিলে। তাৰ মাজতে আকৌ জ্ঞানী লোকো নথকা নহয়। সকলোকে বুজাই বঢ়াই মৰাশটো কবৰ দিয়ালে। তাৰ পাছত বুজা গ'ল হিন্দু আৰু মুছলমানৰ মাজৰ কৌটিকলীয়া ভাই, ভাই সম্বন্ধটো ছেদ কৰি দিবৰ কাৰণে এটা চক্ৰান্তকাৰী দলেহে এইবোৰ কৰি আছে। ঃ জানা মৰমী। ঃ কি ? বনলতা বেগমৰ মাতত চক খাই উঠিল মৰমী। চোৱা মৰমী ঃ

সাধাৰণ গাওঁৰ নিৰক্ষৰ লোকৰ মাজত আমাৰ পুৰণা সম্বন্ধ বজাই ৰাখিবৰ বাবে মিটিং কৰি ঘূৰি আহোতে কৌশিক কাশ্যপ নামৰ শান্ত সহজ ল'ৰা-জনক যোৱা নিশা নিৰ্মমভাৱে হত্যা কৰা হ'ল। দেশক ভাল পাবলৈ গলে, দেশৰ হকে যুঁজিবলৈ গলে সেই দেশৰ সকলো ধৰণৰ মানুহেই মৰিব। শত্ৰু দেশত সোমালে শত্ৰুৱে হিন্দু মুছলমান কাকো নেচাই। দুয়োটা জাতিৰ লোককে মাৰিব। সেই সময়ত যদি হিন্দু মুছলমান সকলোৱে হাত সাৱটি বহি থকা হয় তেনেহ'লে শত্ৰুৱে সকলোকে সমানে ধ্বংস কৰি যাব। তেতিয়া দেশৰ হিন্দু, মুছলমান, জাতি, উপজাতি সকলোৱে জানো দেশৰ বাবে থিয় দিব নালাগিব ? সেই সময়ত যদি হিন্দু লোকহে বেছিকৈ মৰে নতুবা মুছলমান লোকহে মৰে তেতিয়া হিন্দুৱে মুছলমানক নতুবা মুছলমানে হিন্দুক আক্ৰমণ কৰিলে জানো দেশ ৰ'ব। একেখন ঘৰতে বাস কৰি, একেখন ঘৰৰ ৰক্ষাৰ কাৰণে আগবাঢ়ি গলে কিছুপৰিমাণে ডেকা বুঢ়া মৰিবই লাগিব। ঘৰৰ তেনে অৱস্থাতো যি হাত সাৱটি বহি থাকিব, আচলতে ঘৰৰ মূল শত্ৰু সিয়েঁ। লঙ্কা ধ্বংসৰ মূল বিভীষণ হৈ নপৰে জানো ?

বনলতা বেগমৰ কথাত যুক্তি আছে। তাৰ উত্তৰত মৰমীয়ে মাথো সাধাৰণ ভাৱে তুলনা এটি দি ক'লে ঃ

ঃ বিলত বৰালী মাছ মাৰিবলৈ গলে অকলমে বৰালী মাছহে মৰে তেনে নহয়, পুঠি খলিহনা মাছো মৰে বনলতা।

ঃ আমি কিবা সভ্য হৈয়ো অসভ্য হৈ যাব ধৰিছো যেন লাগে।

বনলতা বেগমৰ কথাত মৰমীয়ে আৰু একো

উত্তৰ নিদিলে। তাইৰ এটা কথা মনত পৰি গ'ল। এদিন ক্লাচত কিবা কিবি কথা আলোচনা কৰি থাকোঁতে মৰমীয়ে কৈছিল "আচলতে নিজৰ দেশক কোনোবাই ভাল পাইনে? যি বিলাকে দেশক ভাল পাওঁ বুলি কৰ খোজে আচলতে সিহঁত 'হঠাৎ পেট্ৰিয়ত'।

বেঞ্চৰ এটা মূৰত কিবা গাই গুণ গুণাই থকা কৌশিকে কৈছিল "তুমি ভুল বুজিছা মৰমী। দেখাত দেশখনক কোনোৱে ভাল নাপাই বুলি তুমি কৰ পাৰা। আচলতে দেশক ভাল পোৱাটো জাগি উঠে মানুহে কৰা কৰ্মৰ মাজেদিহে। আমাৰ অফিচ-আদালতৰ মানুহকে ধৰি দোকানী-পোহাৰীলৈ সকলোৱে যেতিয়া "আমি আমাৰ দেশৰ ভাই বন্ধুৰ বাবেহে কাম কৰিছোঁ" বুলি আত্মজ্ঞান জন্মিব তেতিয়া বিশৃঙ্খলতাই দেখা নিদিয়ে। কিন্তু আজি মানুহৰ মাজত সেই বোধগম্যতা হ্ৰাস পাই গৈছে। এনেকুৱা কিয় হ'ল জানা? বহুত দিন ইংৰাজৰ তলত আমাৰ দেশৰ মানুহে চাকৰ খাতি থাকি অকস্মাতে নিজেই ৰজা হোৱাৰ বাবে। ভীক্ষাৰীয়ে আনক বিলাব নাজানে, এমুঠি সৰহকৈ হাতলৈ আহিবৰ দিনাও গোগ্ৰাসে খাই। সেয়ে আমাৰ দেশৰ মানুহে মানুহক কুকুৰ মেকুৰীতকৈও হীন-যেন ভবা, সৰুৱে ডাঙৰক নমনাটোও আজি এটা বেমাৰত পৰিণত হৈছে।

সিদিনা মৰমীয়ে একো বুজা নাছিল। কম কথা কোৱা মৰমীয়ে দুনাই তাক প্ৰশ্ন কৰাৰ আগতেই বড়া বাইদেউ ক্লাচত সোমাইছিল আহি। কিন্তু আজি তাই তাৰ কথাৰ মৰ্ম মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে। আজি সৰুৰ পৰা ডাঙৰলৈ অফিচত অফিচাৰ সকলৰ যি টকা খোৱাৰ খক, মুখৰ যি লাগ বান্ধ নোহোৱা অফিচাৰ সকলৰ ব্যৱহাৰ এই আটাইবোৰ যেন তাহানি তাইক, আইতাকে কোৱা সাধু কথাবোৰৰ বাক্ষস। যাৰ ফলত দেশখনত আজি হাহাকাৰ, কান্দোন, অনাতনে চেপি মাৰিছে।

মৰমী?

আৰু কিবা কৰা বনলতা?

আন্দোলনৰ সুবিধা লৈ এটা শ্ৰেণীয়ে বেচ গা কৰি উঠিছে কিন্তু।

কোনবোৰে?

যিবোৰে একেখন ঘৰত থাকিও সেইখন ঘৰৰ পৰিয়ালৰ মাজতে কন্দল লগাই দূৰে দূৰে ৰং চাই ফুৰিছে। নহলে আজি কৌশিক দা মৰিব লগা হ'ল কিয়? যি জন মানুহে সকলোকে আপোন বুলি ভাবিছিল, মানুহৰ পোৱা-নোপোৱা, হাঁহি-কান্দোনৰ গীত গাইছিল আৰু লিখিছিল। যি জন মানুহে পৰচৰ্চা কৰাটো মহাপাপ আখ্যা দিছিল। কোনো লগ সঙ্গ বিশেষ নাছিল, অকলেই ঘূৰি ফুৰিছিল। প্ৰাণ খোলা হাঁহিৰে সকলোকে স্তব্ধ কৰিছিল সেইজন ল'ৰাক কিয় বাৰু নিৰ্মম ভাৱে হত্যা কৰিব লগা হ'ল?

বনলতা বেগমৰ কথাবোৰ নিৰৱে মৰমীয়ে শুনি গৈছিল মাথো। একো মন্তব্য কৰা নাছিল। তাইৰ অন্তৰে বাহিৰে আজি কেৱল কৌশিক। তাই আজি তাৰ কথা নিৰৱে ভাবিব খোজে। কম কথা কোৱা মৰমীয়েও কৌশিকটোক বুজিবলৈ কেতিয়াবা যে চেষ্টা কৰা নাছিল তেনে নহয়। কিন্তু তাক একো বুজিবলৈ নোৱাৰিলে। তাৰ অন্তৰৰ নিভৃত কোণত কিবা এটা যে বেদনা পুঞ্জীভূত হৈ আছিল তাক কিন্তু তাই জানিছিল। কিন্তু তাইৰ লাজ আৰু ভয়ে তাৰ কাষ চাপি গৈ কিবা কিবি সোধা আৰু কোৱাৰ হেপাহটোক বাধা দি ৰাখিছিল। অন্যান্য সতীয়া ল'ৰাতকৈ ভাল বুলি ভবা কৌশিকটো যে সিদিনা সেইদৰে কিয় অকস্মাতে বেপৰোৱা হৈ উঠিছিল তাই আজিও নুবুজে। তাই সিদিনা খঙতে কৈ তাক পেলাইছিল-

তুমি মোক নামাতিবা

আৰু কথাও নাপাতিবা।

সিদিনা সেই মুহূৰ্তত বোবা হৈ পৰা তাৰ মুখৰ প্ৰতিচ্ছবিটো অকস্মাতে মৰমীৰ মনত পৰাত

তাইৰ মনটো বেদনাত শিঙৰি উঠিল।

অকস্মাতে তাইৰ চকুহাল কিয় জানো সেমেকি উঠিল--

ঃ এটা কথা মনত পৰেনে মৰমী ?

ভাগ্য ৰাভাৰ কথাত মৰমীয়ে সচেতনতা লাভ কৰিলে। আথে বেথে হাতত থকা সৰু ৰুমাল খনেৰে ওলাই আহিব খোজা চকুপানীবোৰ মচি তাই সুধিলে ?

ঃ কি ?

ঃ কৌশিকে যে কৈছিল কলেজীয়া ল'ৰা-ছোৱালীৰ প্ৰেমৰ বিষয়ে।

ঃ কি কৈছিল জানো !

ঃ সি যে কৈছিল, কলেজীয়া ল'ৰা-ছোৱালীৰ প্ৰেম মানেই বিবৰ্ত্তিৰ একাপ চাহ। কি যে ল'ৰা আছিল সি। সকলো কথাকে খোলাখুলি ভাৱে কব পাৰিছিল। তোৰ দৰে সিওঁ কম কথা কোৱাৰ কাৰণে তাৰ মন পাবলৈ বিচাৰি মন নোপোৱা কিছুমান ছোৱালীয়ে তাক মতগৰী আখ্যা দিছিল। কৌশিকে এদিন মোক কৈছিল "জানা ভাগ্য, তোমালোক ছোৱালীবোৰে সঁচা প্ৰেমৰ মূল্য নুবুজা। যিবোৰ ল'ৰাক চেপি চেপি খাব পাৰি সিহঁতকহে প্ৰেমৰ অভিনয়েৰে ব্লেকমেইল কৰি নচুৱাই ভাল পোৱা। বেচেৰাহঁতেও মিছা প্ৰেমতে হাবু-ডুবু খায় বাপেক মাকহঁতে কষ্ট কৰি পঠোৱা টকা খৰছ কৰি দামী দামী উপহাৰ দি তোমা-লোকৰ মন সন্তোষিত কৰিবলৈ চেষ্টা কৰে। বন্ধু মহলত সিহঁতে লেক্‌চাৰ মাৰে তোমালোক কিমানে সিহঁতক ভাল পোৱা। (তুমি কিন্তু সেইটো নক-ৰিবা বুলিয়েই ভাবো।) সমাজৰ সঁচা সংস্কৃতি খিনি তোমালোকেই ৰক্ষা কৰি আহিছা যেতিয়া মই ভাবো এই দিশটোতো তোমালোকে বেয়া পথে যাব ধৰা ল'ৰাবোৰক একোটা ভাল শিকনি দি একোজন ভাল বন্ধু লাভ কৰিব পাৰা। কিয়নো মিছা প্ৰেমৰ বান্ধোনত সঁচা প্ৰেমিকতকৈ একোজন সঁচা বন্ধু বহুগুণে শ্ৰেষ্ঠ।

ভাগ্য ! এসময়ত মই এজন চাকৰি কৰা বন্ধুৰ লগত আছিলোঁ। সেই বন্ধুজনে কি কৰিছিল জানা ? পেটে ভাতে খাই থকা ঘৰখনলৈ সি কাণসাৰেই নকৰিছিল। তাৰ দৰমহাৰ প্ৰায়খিনি টকাই সি তাৰ কলেজত পঢ়ি থাকোঁতে বনাই লোৱা কোনোবাজনী ভনী, কোনোবাজনী প্ৰেয়সী আৰু কোনোবাজনী মৰমৰ বান্ধবীৰ নামত উপহাৰ কিনি তেওঁলোকৰ লগত ৰং ৰহইচ কৰি খৰছ কৰিছিল। অথচ তাৰ ঘৰতো এজনী ভনী আৰু এটা সৰু ভায়েক আছিল। এদিন বন্ধুজনৰ লগত তাৰ ঘৰ গৈ ওলালোঁ। দেখিলো তাৰ ঘৰৰ না-জল না-স্থল অৱস্থা। এটা সময়ত ভনীয়েক জনীয়ে মোৰ কাষলৈ চাহ দিবলৈ অহাত তাইক লক্ষ্য কৰি দেখিলো অনাঘ্ৰাত যেন এজোপা গোলাপ ফুল। পিন্ধি থকা ফ্ৰকটো বহু ঠাইত ফটা। মুখত প্ৰসাধনৰ লেশমানো নাই। সৰু ভায়েক-টোৰো অৱস্থা তথৈবচ। ইহঁতক সুধি-পুছি জানিলো ককায়েক চাকৰি কৰাৰ পাছত আজিৰে সতে দুবাৰহে ঘৰলৈ আহিল। বন্ধুজনৰ প্ৰতি খং, ঘৃণাত মোৰ নাক কোচ খাই গ'ল। তেতিয়াই মোৰ এটা ধাৰণা হ'ল, যিয়ে নিজৰ ঘৰখনক ভাল পাব নোৱাৰে সি কেতিয়াও আনকো ভাল পাব নোৱাৰে।

জানা মৰমী, এইবোৰৰ কাৰণে কৌশিকক মই সুপ্ত আগ্নেয়গিৰি আখ্যা দিছিলো।

'সুপ্ত আগ্নেয়গিৰি'! নিজৰ মনতে কথাষাৰ ৰহবাৰ আওঁৰালে মৰমীয়ে। নহলেনো কোন ল'ৰাই 'ফেচ্‌টু ফেচ্' তেনেকৈ গালি পাৰিব পাৰে? এদিন চাপৰিৰ ফালৰ লাট্ মণ্ডল এজনৰ পুতেক, ডিগ্ৰি ফাৰ্ষ্টয়েৰত পঢ়া হৰেশ্বৰক কৌশিকে গালি পাৰিছিল। 'কি অ' হৰেশ্বৰ, বিদেশীয়ে খালে বুলি চিঞৰি মৰিবলৈ আহিছ। আচলতে সিহঁতে খোৱা নাই, খালে বাপেৰহঁতে। বাপেৰহঁতে চাপৰিত নিজৰ মানুহক পট্টন নিদি বিদেশীকহে বহুৱাইছিল। আৰু এদিন বিপুলকো গালি পাৰিছিল "বিপুল,

তই এই নাহৰতলী ছাত্র সন্থাৰ চেক্রেটাৰী নহয় জানো? পিছে তহঁতে চোন মাছৰ তেলেৰেই মাছ ভাজ অ"।

ঃ মানে! মই বুজা নাই? বিপুলে আচৰিত হৈ সুধিছিল।

ঃ এবা ভাই আমাৰ দৰে খাব খোৱা গাঁৱলীয়া ভূতৰ কথা ক'ত বুজিবি। কাৰণ তহঁত দেশৰ ভৱিষ্যত কৰ্ণধাৰ নহয়। মানে কি জান? তই মৰিছ ব'দে বতাহে বিদেশীক দেশৰ পৰা খেদিব লাগে বুলি আৰু তোৰ ঠিকাদাৰ ককায়েৰে, বাপেৰে বাংলাদেশী মিঞা এমখা আনি বনুৱা ৰাখিছে। কথাটো কেনে দেখা হৈছে জান বিপুল--"বোলে গোঁসাই ঘৰত কোন? মই কল খোৱা নাই--"

সমদলটো আগবাঢ়ি গৈ আছিল। সকলোৰে আগত কৌশিকৰ মৰাশ। আজিজ, নবীন বাভা, অমল আৰু অতুল কুৰ্মীহঁতে এখন চাঙিৰ ওপৰত তাক তুলি লৈ গৈছে। শুধ বগা কাপোৰ এখনৰ তলত কৌশিক শুই আছে—নিৰৱে। সমদলটো অকস্মাতে বৈ গ'ল। সমুখত অলেখ মানুহ। হাতে হাতে ফুলৰ থোঁপা। আগৰ সমদলকাৰী সকল বৈ যোৱাত পাছৰ সমদলকাৰীয়ে আগৰ-বোৰৰ গাত এটা মৃদু খুন্দা মাৰি বৈ গ'ল। মৰমী মহন্তয়ো তাইৰ আগত গৈ থকা প্ৰতিভা বড়াৰ গাত মৃদুভাৱে খুন্দা মাৰি দিয়াত তাইৰ মনৰ পৰা সুপ্ত আন্দোলনবিৰ কৌশিকটো কেনিবাদি উৰামাৰি গুচি গ'ল। মৰমীয়ে থত্মত খাই প্ৰতিভাৰ কান্ধত হাত এখন থৈ শুধিলে--

ঃ কি হ'ল প্ৰতিভা?

ঃ চকটোত বহুত মানুহে কৌশিকক মাল্যাৰ্পণ কৰিবলৈ বৈ আছে।

অ'---।

কৌশিক সকলোৰে আজি প্ৰিয় হৈ পৰিছে। প্ৰিয়জনক ফুল দিব লাগে। সেয়ে এদিনৰ বাবে প্ৰিয় হৈ পৰা, নিৰৱে শুই থকা কৌশিকটোলৈ সবেই ফুল আনিছে। কলেজত কৌশিকক ভাল নোপোৱা এটা বিশেষ দল আছিল। সিহঁতেও আজি কৌশিকক ভাল পাই পেলাইছে। ফুলৰ মালাৰে সজাই তাক সজ্জিত কৰিছে। কৌশিক কলেজৰ সম্পাদক হৈ থাকোঁতে মিছা অভিযোগেৰে অভিযুক্ত কৰি সম্পাদকৰ পদৰ পৰা তাক বহিষ্কাৰ কৰিছিল। কলেজত বেনামী পোণ্টাৰ মাৰিছিল। কৌশিকে মিটিঙত কথা ক'লে মেকুৰীৰ দৰে, কুকুৰৰ দৰে কিছুমান শব্দ কৰিছিল। অথচ সেইমখা মেকুৰীৰ দৰে মিউমিৱাই উঠা ল'ৰাই আন্দোলনত সন্তীয়া নেতাগিৰি চলাইছিল। তাই ভাবি নাপাই দেশৰ মহান কামত আগবাঢ়ি গৈ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে কিয় ইমান তললৈ নামিব পাৰে।

সাধাৰণ গাওঁৰ ল'ৰা বুলি সিহঁতে এদিন কৌশিকক হাঁহিছিল। কিন্তু দেশৰ বাবে বলি হ'ব লগা হৈছে গাঁৱলীয়া কৌশিকহঁত। সম্ভৱ সেয়ে সিহঁত আজি আগবাঢ়ি আহিছে। মৰমীৰ সেয়ে প্ৰশ্ন কৰিবলৈ মন যায়—বিশ্ব কবি ৰবি ঠাকুৰৰ ভাষাৰে "জীৱনে যাৰে তুমি দাও নি মালা, মৰণে তাৰে কেন দিতে এলে ফুল?

"একৃকা একৃকা ভাল লাগেনা। আওঁনা কাক্কু--"।

মৰমীয়ে তাইৰ সোঁফালৰ শাৰীটোলৈ ঘূৰি চালে। অনিমা বেনাৰ্জীয়ে কাৰ্কলি বয়ক তাইৰ কাষলৈ মাতিছে। ইমান ছোৱালীৰ মাজত থাকিও তাই অকলশৰীয়া হ'ল--কেনেকৈ। নে বঙালীতে কথা কব নাপাইহে তাই একৃকা একৃকা হৈ গ'ল। অকস্মাতে তাইৰ 'কাৰফিউ' চলি থকা দিন কেইটাৰ কথা মনত পৰি গ'ল। এদিন দোকমোকালিতে পলাই পলাই আদহীয়া বঙালী তিৰোতা এগৰাকী মৰমীহঁতৰ ঘৰলৈ আহিছিল। আহিয়েই তাই মৰমীৰ মাকক কাউবাউকৈ ভৰিত ধৰিব খুজি কলে--

"মা আজ তিন দিন থেকে কিছুই খাইতে পাইনি। ৰোজগাৰেৰ কাম কইবাৰ কিছুই চুবিধা

নেই। হাতের যতই চাউল চিল ততই চেস হ'ল। বাছা গুলীৰ ভোকেৰ চিল্লেতে থাক্‌তে পাৰ্‌লাম না। আপনাৰ উদাৰ মনেৰ কথা মনে কৰি আপনাৰ কাসে এলো মা। দাও লক্ষীমা নাহইলে---"।

মানুহ জনীৰ কথা শুনি মৰমীৰ মাকে কৈছিল-- "হেৰি অ মধুমতী, বোলে 'চোৰে নেৰে চোৰ বৃত্তি কুকুৰে নেৰে ছাঁই" বোলা প্ৰবচন এটা আমাৰ অসমীয়াত আছে। তই অসমতে বুঢ়ী হলি আহি, অসমতে থাকি অসমৰে খালি, অথচ অসমীয়া কলে তহঁতৰ জাত যায় নহয়।" তাকে কৈ মাকে ভাইক এককিলোমান চাউল দি পঠাইছিল।

ব'ল মৰমী। আগৰবোৰ গ'ল নহয়।" তাইৰ পাছত থকা গৌৰীয়ে কলে।

ঃ এৰা।

মৰমীহঁত আকৌ আগবাঢ়িবলৈ ধৰিলে। তাইৰ তেতিয়াহে চকুত পৰিল ৰাস্তাত তহলদাৰী অলেখ পুলিচ চি-আৰ-পি। সিহঁতৰ উদণ্ড মনবোৰো আজি যেন সংকুচিত হৈ গৈছে। সিহঁতে সমদলটোলৈ ভেবা লাগি চাই আছে। সৰ্ব সাধাৰণৰ শান্তিৰ বাবে প্ৰতিষ্ঠিত এই পুলিচ মখা আজি দেশৰ ফোপজহি কৰ্ণধাৰ সকলৰ গা-ৰক্ষীত পৰিণত হৈছে। চাহাব সকলৰ ভেৰোণীয়া চাকৰত পৰিণত হৈছে। সাধাৰণ দৰমহাৰ টকা কেইটাৰ লোভে সিহঁতৰ সকলো স্বাধীনতাক হৰণ কৰিছে। সৰ্বসাধাৰণ বনুৱা শ্ৰেণীতকৈও দুখ লগা ইহঁতৰ পৰাধীন অৱস্থাটো দেখি মৰমীৰ পুতৌৰ হাঁহিহে উঠিল। তাকে দেখি তাইৰ কাষে কাষে গৈ থকা বেবীয়ে কৌতুহলেৰে সুধিলে।

ঃ তই দেখোন হাঁহিছ মৰমী ?

ঃ কিবা এটা কথা মনত পৰিছে।

ঃ কিনো— ?

ঃ সেই যে, ধুলাত নিশা জুই জ্বলিছিল। আমি যে, বাতিয়ে কানি-কাপোৰৰ টোপোলা বান্ধি ক'ৰবালৈ পলাই যাব খুজিছিলো।

ঃ হাঁহি নুঠে ভাই। দুখহে লাগে। সেইদিনাই বিদেশীয়ে বহুতকে মাৰিলে। পিছদিনাখন চাউল খোৱাতো একেই ঘটিল। মনত পৰিলে বৰ দুখ লাগে অ'।

ঃ ওঁ--! দুখ লাগিলেওটো আৰু উপাই নাই--।

লাহে লাহে সমদলটো আগবাঢ়ি দলংখন পাৰ হৈ সোঁফালে চাপৰিলৈ নামি গ'ল। নদীৰ পাৰত কৌশিকৰ বাবে 'চিতা' এখন আগতিয়াকৈ সজাই ৰখা হৈছে। এদিন বিদেশীৰ আক্ৰমণত মৃত্যু হোৱা অলেখ শ্বহীদক য'ত সৎকাৰ কৰা হৈছিল তাৰ কাষৰে এটুকুৰা খালী ঠাইত অঞ্জনহঁতে এখন 'চিতা' সজাই থৈছে।

আজিজহঁতে কৌশিকৰ মৰাশটো তাৰ কাৰতে নমাই থলে। সমদলটো শেষ হৈ ভাঙি গৈ জুমা জুমিত পৰিণত হ'ল। মৰমী মহন্ত কৌশিকৰ মৰাশটোৰ ফালে লাহে লাহে আগবাঢ়ি গৈ থাকিল। এদিন মৰমীয়ে সাধাৰণ কথাতে তাক গালি পাৰিছিল। তাইক মাতিবলৈ হাক দিছিল।

তুমি মোক নামাতিবা।

আৰু কথাওঁ নাপাতিবা।

মাত্ৰ এটা সামান্য কথা। সেইদিনা মৰমীয়ে ক্লাচলৈ আহোতে 'ষ্টুডিও'ৰ পৰা তাইৰ বহুত কেইখন ফটো লৈ। আহিছিল। তাৰে এখন আছিল তাইৰ সৰু ভনী মৌচুমীৰ। কথক নৃত্য নাচি থাকোঁতে লোৱা ফটো। সেইখন চাই কৌশিকে তাইক সুধিছিল 'এওঁ কোন মৰমী ?'

ঃ মোৰ সৰু ভনী হয়।

ঃ নাচে নেকি ?

ঃ 'অ' নাচে।

ঃ ভালেই হ'ল তেনেহলে। তোমাৰ ভনীক মোৰ লগতে বিয়া দি দিয়া। তেওঁ নাচিব আৰু মই গীত গাম। চাকৰি নোহোৱাৰ দিনত আমি গাই নাচিয়েই খাব পাৰিম। তাৰ পাছত কৌশিকে প্ৰতিভা বড়াক মনে মনে সোধা তাই শুনা পাইছিল--

ঃ এই প্ৰতিভা, আমাৰ নিমাতী মৰমীয়ে কাৰোবাক ভাল পাই নেকি অ'।

ঃ মৰাটো ! তোৰ নিচিনা বুলি ভাবে নেকি সবকে।

ঃ নাভাবো। কাক ভাল পাই কচোন।

ঃ এজন ফৰেষ্টত চাকৰি কৰা বাবুক।

ঃ হয় নেকি ? বহ মই মৰমীক এটা কথা এতিয়াই কৈ থওঁ। কৌশিক মৰমীৰ কাষলৈ উঠি গৈছিল। তাইৰ কাষতে বহি দুষ্টামিৰে ভৰা এমোকোৰা হাঁহি লৈ মৰমীক কৈছিল "এই মৰমী। তই ভাই যাকেই ভাল নাপাব লাগে জংঘলৰ মাজত হলে নাথাকিবি। তাত যিহে বনৰীয়া জন্তুৰ পাইচাৰি তোৰ জীৱই যাব।

কৌশিকৰ বেপৰুৱা কথা শুনি মৰমী খঙত অধীৰ হৈ পৰিছিল। তাক কিবা কবলৈ খোজো-তেই শৰ্মা চাৰ ক্লাচত সোমাইছিলহি। সিমানতে ঘটনা শেষ হোৱা হ'লে কথাই নাছিল। অসমীয়া সন্মানৰ ভাষা বিজ্ঞানৰ ক্লাচটো তাৰ পিছৰ পিৰিয়-ডত এল, বিত নেচাবাইদেৱে লব। আটাইবোৰেই শৰ্মা চাৰৰ ক্লাচ শেষ কৰি এল, বিত সোমালগৈ। মৰমীও গৈ আগৰ বেঞ্চত বহি আছিল। সিদিনা কৌশিক অলপ পলম কৈ সোমাই মৰমীৰ কাষত থিয় দি মৰমীক আকৌ ক'লে "মৰমী কথা এটা কওঁনে--।" লগে লগে মৰমীয়ে গৰজি উঠিল।

'তুমি মোক নামাতিবা
আৰু কথাওঁ নাপাতিবা।'

কম কথকী মৰমীৰ কঠোৰ মাতত কৌশিকে আৰু একো নকৈ 'বেলপুং' এটাৰ দৰে থিয় দি ৰ'ল। আনবোৰে কথাটো বুজি নুঠোতেই সি তাইক ক'লে 'ঠিক আছে ভাই, মাতিব নালাগে যদি নামাতো।" তাকে কৈ লাহে লাহে গুচি গৈছিল কৌশিক কাশ্যপ।

সিদিনা কৌশিকক তেনেকৈ কোৱাৰ পাছৰে পৰা কৌশিকৰ প্ৰতি যি ভাল ভাব এটা তাইৰ মনত আছিল তাৰ পৰিবৰ্তে সিদিনাৰ পৰা কৌশিকক সৰ্বসাধাৰণ ল'ৰা এজনৰ মাজৰে এজন বুলি তাই ধৰি ললে। সেয়ে কৌশিকে তাইক কিবাকৈ অপমান কৰিব পাৰে বুলি ভাবি কথাটো প্ৰথমে মাক বাপেক আৰু ককায়েকহঁতক কৈ দিছিলগৈ।

মাকে তাইক গালি পাৰিছিল 'তই এতিয়া সৰু ছোৱালী নহয়। তোৰ সাধাৰণ কথা এটাকে আকৌ আমাক আহি কব লগা হলহি কিয়। তোবো নিশ্চয় ল'ৰাজনৰ সম্মুখত কিবা এটা দুৰ্বলতা প্ৰকাশ পাইছিল। সেই বাবেহে তোক তেনেকৈ কবলৈ পাৰিছে।"

তাৰ পাছৰ পৰা কৌশিকে তাইক কোনোদিন মতা নাছিল। সি আনৰ লগত ধেমালি কৰিবলৈ পাহৰি গৈছিল। মনে মনে আহে, ক্লাচ কৰে গুচি যায়। এদিন প্ৰতিভা বড়াই তাক কৈছিল— "কৌশিক আমিতো তোক একো জগৰ লগোৱা নাই নামাতিবলৈ।" তেতিয়া কৌশিকে কোৱা তাই শুনিছিল "মই বৰ ভাল ল'ৰা নহয় অ' প্ৰতিভা। মোৰ দৰে অসৎ ল'ৰাবোৰক তহঁতে লাই নিদিয়াই ভাল নেকি ?"

তাৰ পাছৰ পৰা মৰমীৰ মনতো কৌশিকৰ প্ৰতি পুতৌ ভাব এটি জন্মিছিল। কৌশিকক সেই-দিনা তেনেকৈ কোৱাটো আচলতে তাইৰ উচিত হোৱা নাছিল। পূজাৰ বন্ধ খোলাৰ লগে লগে তাই কৌশিকক যেনে তেনে মাতিব। কিন্তু হ'ল জানো—

সময়ে কাকো অপেক্ষা নকৰে। মৰমী আৰু কৌশিকলৈও অপেক্ষা নকৰিলে। মৰমীৰ অহঙ্কাৰ বিচূৰ্ণ কৰি সময়ে কৌশিকক নিৰ্মম ভাবে লৈ গুচি গ'ল।

কৌশিকৰ নিঃসাৰ দেহাটোৰ কাষতে গৈ মৰমী ৰ'ল। বগা কাপোৰ এখনেৰে তাক ঢাকি থোৱা আছে। তাৰ ওপৰত ফুলেই ফুল। ফুলৰ নিহালি লৈ এদিন তাই মাতিবলৈ হাক দিয়া বেয়া ল'ৰাটো নিঃশব্দে শুই আছে। তাই আজি কৌশিকৰ ওচৰত ক্ষমা খুজিব—'কৌশিক, তুমি মোক ক্ষমা কৰিব নোৱাৰিবানে ? তুমি কি কবলৈ বিচাৰিছিলা তাক নজনাকৈ খঙতে মোক

মাতিবলৈ হাক দিছিলোঁ। এতিয়া ভাবিছো কৌশিক, মই সঁচাই তোমাক জানো বেয়া পাই গালি পাৰিছিলো? মৰমীৰ মনৰ মাজত কথাবোৰে উকমুকাবলৈ ধৰিলে। তাইৰ কুমাৰী দেহা কৌশিকক চুই চাব ওলাই কঁপি উঠিল। কৌশিকক শেষ বিদায় দিবলৈ অনা খৰিকাজাই ফুলথিনি ক'ববাত হেৰাই থাকিল। তাইৰ চকুৰ পানী কৌশিকৰ মৰাশটোৰ ওপৰত টোপা টোপে পৰিবলৈ ধৰিলে। "ছোৱালী বিলাকৰ চকুপানীবোৰ মোৰ দেখোন নিয়ঁৰত তিতা শেৱালী ফুল যেন লাগে। শেৱালী ফুল ভাল পাওঁ বাবেই নেকি।" তেনেহলে মৰমীয়ে প্ৰিয়জনক প্ৰিয় ফুলেৰেই আজি শেষ সম্ভাষণ জনোৱা হৈ গ'ল নেকি?

মৰমী লাহে লাহে তললৈ হাউলি গ'ল। হাত দুখন বতাহত কঁপা বহাগী গছৰ কোমল পাত কঁপা দি কঁপিছে। কঁপা কঁপা দুহাতেৰেই মৰমীয়ে কৌশিকৰ মুখৰ পৰা বগা কাপোৰখন গুচাই দিলে। যন্ত্ৰণাত স্থবিৰ হৈ পৰা কৌশিকৰ মৰম লগা মুখখন মৰমীৰ আগত জল জল পত পতকৈ ওলাই পৰিল। এইজনেই সেই সুপ্ত আগ্নেয়গিৰিৰ কৌশিক কাশ্যপ, যিজন ল'ৰাই আজি দুদিন আগলৈকে হাঁহি মাতি থাকি, দেশৰ দহৰ বাবে কাম কৰি আজীৱনৰ বাবে লুপ্ত হৈ গল। যিজন ল'ৰাক এদিন তাই মাতিবলৈ হাক দিছিল, সেইজন ল'ৰাই আজি মৰমীক উপেক্ষা কৰি বুদ্ধৰ মৌনতাৰে শুই আছে।

মৰমীয়ে তাইৰ অন্তৰৰ নিভৃত কোণত এক অসহ্য বেদনা অনুভৱ কৰিলে। মৰমীয়ে কৌশিকৰ নিষ্প্ৰাণ মুখখনিলৈ আৰু এপলকো চাই থাকিবলৈ নোৱাৰিলে। বেদনাত কঁপি উঠা ওঠ দুটি তাই দাঁতেৰে কামুৰি ধৰি চকুহাল মুদি দিলে। ঠিক তেতিয়াই যেন তাই শুনা পালে, এসময়ত তাইৰ সেই কথা ফাকিকে পুনৰুক্তি কৰি কৌশিকে যেন তাইৰ কাণে কাণে ফুচ্ ফুচাই সানুনয়ে কৈছে--

তুমি মোক নামাতিবা
আৰু কথাও নাপাতিবা। ×××

"সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।"

—জ্যোতিপ্ৰসাদ

# অধিকাৰ

অধ্যাপক বিচিত্ৰ মেধি



বগৰি খাই অতোৱাৰ পাছতো যি তৃপ্তিৰে ছোৱালীবিলাকে গুটিটো মুখত লৈ থাকে, ঠিক তেনে তৃপ্তিৰেই বহুবাৰ পঢ়াৰ পাছতো কাকলিৰ চিঠিখন মলয়ে আকৌ পঢ়ি থাকিল ।

চিঠিখন মাথোন কেইশাৰী মানৰ । তথাপিও সেই কণমানি চিঠিখনেই কাকলি নামৰ এক মৰম লগা ছোৱালীৰ হিয়াৰ চেনেহে মলয়ৰ দেহত শিহৰণ তুলিলে ; মনত পুলক জগালে ।

কালি আবেলি সি কাকলিৰ চিঠিখন পাইছিল। চিঠিখন হাত পাতি লওঁতে এসোপা লাজ, অনাবিল আনন্দই তাক কঁপাই তুলিছিল । বোধকৰো কিছু ভয়ত মলয় কঁপিছিলও । জেপত ভৰাই ৰখা চিঠিখন অস্বস্তি আৰু উৎকণ্ঠাৰে উলিয়াই পঢ়িছিল মাক আৰু বাইদেৱেক মণিকা ৰাতি ভাত খাই বিছনাত পৰাৰ পাছত ।

আবেলিৰপৰা ৰাতিলৈকে এই কেইটা ক্ষণ কিমানযে অস্বস্তিৰ !! মলয় যেতিয়া নিশ্চিন্ত হ'ল মাক আৰু বায়েক বিছনাত পৰিল তেতিয়া খুব আলফুলকৈ পেন্টৰ জেপৰপৰা সি চিঠিখন উলিয়ালে কঁপা কঁপা হাতেৰে ।

আনন্দৰ আতিশয্যত প্ৰথমবাৰ চিঠিখন মলয়ে একোৱেই বুজি নাপালে । তাৰ পাছত দ্বিতীয়বাৰ, তৃতীয়বাৰ, চতুৰ্থবাৰ-----। প্ৰতিবাৰ পঢ়ি যাওঁতে চিঠিখনে তাক নতুন নতুন সোৱাদ যাচিলে । কাকলিৰ মৰম লগা মুখখনে তাক আমনি কৰি আছিল । শেষবাৰৰ বাবে চিঠিখন পঢ়ি যেতিয়া টেবুলক্লথৰ একোণ ভাঙি সুমুৱাই থয় তেতিয়া ঘড়ীত নিশা চাৰে বাৰ বাজিছে ।

পিছদিনা পুৱা শুই উঠোতে তাৰ পলম হ'ল। বাইদেৱেক মণিকা আহি তাৰ কোঠাটো যেতিয়া সাৰিবলৈ লয় তেতিয়াহে মলয় বিছনাৰপৰা উঠি মুখ-হাত ধুবলৈ গৈছিল ।

ৰাতিপুৱা চাহ খাই উঠাৰেপৰা মলয় এনেদৰে ব্যস্ত হবলগীয়া হ'ল যে এবাৰৰ বাবেও সি কাকলিৰ চিঠিখন পঢ়িবলৈ সুৰুঙা এটাকে নাপালে। কোনোবাবাৰ মাক আহিল তাৰ কোঠালৈ, আন এবাৰ মণিকা। এবাৰ হয়তো সি নিজেই ওলাই যাব লগীয়া হ'ল । কাকলিৰ চিঠিখন পঢ়িবলৈ তাৰ মনটো উচ্পিচাই আছিল । তাৰোপৰি, পঢ়া টেবুলৰ টেবুলক্লথৰ তলতযে থাকিল চিঠিখন ! নিৰাপদ ঠাই এডোখৰলৈ নিব পৰাহেঁতেন ভাল আছিল । কেনেবাকৈ বাইদেৱেকে অথবা মাকে চিঠিখন যদি পায় ?

অলপ সময়ৰ পাছতেই মলয় যাবলগীয়া হ'ল বজাৰলৈ । বৰ অনিচ্ছাৰে চাইকেলখনত বজাৰ কৰা মোনাটো ওঁৰি দি মলয় ঘৰৰপৰা ওলাল ।

ওবে বাটটোতে কাকলিৰ ধুনীয়া মৰমলগা মুখ খনে তাক আমনি কৰি আছিল। কাকলি। কাকলি অধিকাৰী। বতাহত ঢউ খেলা চুলিকোচাৰে আটিল দেহৰ কাকলি দেখিবলৈ সঁচাই ধুনীয়া। গাড় চেলাউৰিৰ তলতল হাঁহো হাঁহো কৰি থকা তাইৰ চকুহাল। আৰু তাইযে সেইদিনা অনুষ্ঠানত হেজাৰ শ্ৰোতাক স্তব্ধ কৰি গীতটো গাইছিল—

এন্ধাৰ কোনে ভাল পায়?
যাৰ হৃদয়ৰ ৰং
কাঢ়ি নিলে কোনোবাই ---।

অথচ এইজনী ছোৱালীকেই মলয়ে কেইদিনমান আগলৈকে খুউব বেয়া পাইছিল। এই সৰু চহৰ খনত কলেজত পঢ়া যিমানবিলাক ছোৱালী আছে তাৰে ভিতৰত সি অতি বেয়া পোৱা ছোৱালীজনীয়েই আছিল কাকলি; কাকলি অধিকাৰী। তাইৰ আউল-বাউল চুলি, কাপোৰ পিন্ধাৰ ধৰণ, চট্‌ফট্ চট্‌ফট্ খোজ, হৈ-হৈ হাঁহি—এইবোৰৰ প্ৰতিটোতেই মলয়ক বিৰক্ত কৰিছিল। আৰু সেই বিৰক্তিৰ পৰা ওপজা খং....। কাকলিক দেখিলেই মলয়ৰ কিবা ঘিণ ঘিণ লগা ভাবটো আহিছিল।

চহৰখনৰ কোনজনী ছোৱালীয়ে দপদপাই খোজ কাঢ়ে?
কাকলিয়ে।
কাৰ শাৰীৰ আচলে বতাহ কোবাই যায়?
কাকলিৰ।
কলেজত কোনজনী ছোৱালীৰ হৈ-হৈ হাঁহিয়ে আকাশ কঁপায়?
কাকলিৰ।

আৰু এইবোৰ কাৰণতেই তাইৰ ওপৰত মলয়ৰ কিবা এক আক্ৰোশ, বুজাব নোৱাৰা খং, অপৰিসীম বিৰক্তি।

ছোৱালী মানুহ ছোৱালীৰদৰে হব লাগে। কিন্তু এইজনী? কি চাবা তাইৰ খোজৰ ছেও, হাঁহিৰ লহৰ, শাৰীৰ ভাজ !!!

ঘটনাটো ঠিক সেই সময়তেই ঘটিল।

কলেজ উইক চলি আছে। দুজনী ছোৱালী লগত লৈ কাকলি মলয়ৰ সন্মুখত ঠিয় হ'ল। মলয় চক্ খাই উঠিল।

"আপোনাৰ লগত কথা এটা আছে।"

কাকলিৰ কথা শুনি মলয়ে বিস্ময়ত চকুদুটা মেলি দিলে।

"মোৰ লগত? কি কথা?"

কথাষাৰ কওঁতে চাৰিওফালে ঘূৰি ফুৰা কলেজৰ লৰা-ছোৱালীৰ সৰু সৰু জাকবোৰলৈ মলয়ে এবাৰ চাই পঠিয়ালে। কাকলিৰ দৰে ছোৱালী এজনীৰ লগত কথা পতা দেখিলে লৰা-ছোৱালীবিলাকে কিযে নাভাবিব?

কাকলি কিন্তু স্থিৰ। মলয়ৰ চকুলৈ পোনে পোনে চাই তাই ক'লে—

"আজি সঙ্গীত প্ৰতিযোগিতা আছে। মই গান গাম। আপুনি তবলা বজাব লাগিব।"

"মই?" সি যেন আকাশৰপৰাহে পৰিল। কাকলিয়ে গান গাব আৰু ষ্টেজত সি তাইৰ গানত তবলা বজাব? কাকলিয়ে কয় কি?

কাকলি কিন্তু তেতিয়াও স্থিৰ। মিচিকিয়া হাঁহি মাৰি তাই মলয়ক কলে—

মৃণালে তবলা বজোৱাৰ কথা আছিল। আজি পুৱাই সি হেনো মাহীয়েকৰ ঘৰলৈ গ'ল। মইনো আৰু আন কাৰোবাক কি কম। আপোনাকেই কৈছো।"

মলয়ে মৃদু আপত্তি কৰিলে। আচলতে কাকলিৰ দৰে চঞ্চলা ছোৱালী এজনীৰ সৈতে কথা পাতি সি বৰ অসহায় অনুভৱ কৰিছিল। কিন্তু তাৰ মৃদু আপত্তিলৈ কাকলিয়ে কোনো গুৰুত্বই নিদিলে। একপ্ৰকাৰ জোৰ কৰিয়েই তাই মলয়ক ৰিহাৰ্চেলৰ বাবে মাতি লৈ গ'ল। কিবা মন্ত্ৰমুগ্ধৰ দৰে সিও কাকলিৰ পিছে পিছে যাবলৈ বাধ্য হল।

সন্ধিয়া বৰ অস্বস্তিৰে কাকলিৰ সৈতে সি উঠিল। অডিটৰিয়াম লৰা-ছোৱালীৰে গিজ গিজ কৰা। চিনাকি কাৰোবাৰ চকুৰে চকুৰে পৰিলে

অপ্রস্তুত হোৱাৰ ভয়ত কালৈকো নাচাই মলয়ে তবলা ঠিক কৰি ললে। কাকলিয়ে গীত আৰম্ভ কৰিলেই চিঞৰ-বাখৰ হ'ব বুলি তাৰ ধাৰণা আছিল। আৰু সেই চিঞৰ-বাখৰত কাকলিয়ে গান গাব পাৰক নোৱাৰক, সি যে ভাল ভুল কৰি পেলাব সেই বিষয়ে সি নিশ্চিত আছিল।

কিন্তু ভবামতে ইমানখিনি একো নহ'ল। সিহঁত দুয়ো ষ্টেজত উঠাৰ লগে লগেই কোনোবা এজনে মুখত আঙুলি সুমুৱাই মৰা এক উৎকট সুহুৰিৰ বাহিৰে আন একো চিঞৰ-বাখৰ নহ'ল। প্ৰথমে কিছু গুঞ্জন----তাৰ পাছত সকলো শান্ত। কাকলিয়ে গাই গ'ল----

"মোৰ গান কোনে ভাল পায় ?
মোৰ গানে যাৰ হিয়া
ৰঙে ৰঙে দিলে উপচাই......।"

নিৰ্বিকাৰ ভাবে সি কাকলিৰ গীতৰ লগে লগে তবলা বজাই গ'ল। এটা সময়ত তাইৰ গীত শেষ হ'ল। লগে লগে অডিটৰিয়াম কঁপাই হেজাৰ মুগ্ধ শ্ৰোতাৰ অন্তহীন হাতচাপৰি।

সি দ্বিতীয় গীতটোৰ সৈতে তবলা বজালে বেচ মুকলি মনেৰেই। গীত দুটা কাকলিয়ে সঁচাকৈয়ে ভাল গাইছিল। মলয়ক বিস্ময়ত হতবাক কৰি গোৱা কাকলিৰ সেই দুটা গীতে আনকি অনুষ্ঠান নষ্ট কৰি পেলাবপৰা উদণ্ড লৰা কেইজনবো হাত চাপৰি আদায় কৰিছিল।

সেইদিনাখনেই পোনপ্ৰথমবাৰৰ বাবে মলয়ে ভাবিলে কাকলি অধিকাৰী নামৰ দেখাত উচ্ছৃঙ্খল ছোৱালীজনী সি ভবাৰ দৰে সিমান বেয়া নহয় কিজানি। কলেজ উইকৰ পাছৰেপৰা মুখা মুখি হৈ গলে 'ক্লাচ নাই নেকি ?' জাতীয় দুই এষাৰ কথাও সহজ ভাবে পাতিব পাৰিলে। লাহে লাহে দুয়ো কিছু বেছি সময়ৰ বাবে কথা পাতিবলৈ আৰম্ভ কৰিলে। । দুয়ো দুয়োৰো ভাল চিনাকি হৈ লোৱাৰ পাছত মলয়ে লক্ষ্য কৰিলে, কাকলি নামৰ ছোৱালীজনী কিমান সহজ-সৰল। তাই কিমান ৰঙীয়াল। ওৰে দিনটো কি সুন্দৰকৈ হাঁহি থাকিব পাৰে।

কাকলিৰ চঞ্চল-চপল খোজ মলয়ৰ ভাল লাগিবলৈ ধৰিলে। তাইৰ কাপোৰ পিন্ধাৰ ধৰণ, চুলি বন্ধাৰ ষ্টাইল উচ্ছল প্ৰাণখোলা হাঁহি সকলোতেই সি কিবা নতুন সৌন্দৰ্য্য দেখিলে।

দুয়ো দুয়োৰে কাষ চাপি অহাৰ পাছৰেপৰাই মলয়ে উপলব্ধি কৰিলে তাৰ মনৰ দুৱৰি বনত সৰিয়হ ফুলৰ পাপৰিৰে তাই নিজৰ নাম লিখি থৈ যাওক।

বহুবাৰ ভাবি, বহুবাৰ লিখি কেইবাবাৰো কটা-কুটা কৰি অৱশেষত মলয়ে কাকলিক জনালে, তাৰ মনৰ মণিকোঠাৰ পৰা কোচভৰি মৰম পাহি বোৰ বুটলি নিয়ক।

কাকলিও যেন মলয়ৰ এই আহ্বানৰ বাবেই বাট চাই আছিল। তাই মলয়ক জনালে, মলয় আহক তাইৰ মনৰ কাৰেঙলৈ ; গুটিমালীৰ পাহি সিঁচি থৈ দিছে মলয় অহাৰ বাটত।

কালিৰেপৰা এইখন চিঠিয়েই মলয়ক উদ্বাউল কৰি ৰাখিছে। অজস্ৰবাৰ পঢ়াৰ পাছতো চিঠিখন আকৌ পঢ়ো পঢ়ো লাগিছে।

দুপৰীয়া বজাৰৰপৰা উভতি আহিল সি। গা ধুই ভাত খালে। মণিকা বাইদেউ ঘৰত নাই, ওচৰৰ কাৰোবাৰ ঘৰলৈ গৈছে। মাক এতিয়া তাৰ কোঠালৈ নাহে। পৰম স্বস্তিৰে কাকলিৰ চিঠিখন পঢ়িবলৈ বুলি কোঠাত সোমাই টেবুলক্লথৰ কোণটো ডাঙি দিলে।

ভূত দেখা মানুহৰ দৰে মলয় উচপ খাই উঠিল। চিঠিখন নাই। গোটেই টেবুলক্লথখন ডাঙি দিলে সি ওহো ক'তো নাই। ক'ত থলে বাৰু চিঠিখন ? ভুল কৰি আন ক'ৰবাত থোৱা নাইতো ?

গোটেই টেবুলখন পাত পাতকৈ বিচাৰিলে সি। কিতাপ বহীৰ মাজে মাজে চালে। গাৰু, তুলিৰ তলত বিচাৰিলে। আঠুৱাৰ ওপৰত, পেন্টৰ আটাইবোৰ জেপত তন্ন তন্নকৈ বিচাৰিও যেতিয়া সি চিঠিখন

নাপালে তেতিয়া মলয়ৰ দৃঢ় ধাৰণা হ'ল—কোঠালি পৰিষ্কাৰ কৰিবলৈ আহি বাইদেৱেক মণিকাই নিশ্চয় কেনেবাকৈ চিঠিখন পাই লৈ গ'ল।

কিতাপ-বহী, বিচনাৰ গাৰু-তুলি, আলনাৰ কাপোৰ চব লণ্ডভণ্ড কৰি অসহ্য খং, লাজ, ভয়ত সি ঘৰৰ পৰা ওলাই গ'ল। নিজৰ ওপৰতে তাৰ খং উঠিল। কিয় বিবেচনা. নকৰাকৈ টেবুল ক্লথৰ তলত সি চিঠিখন থৈছিল। এতিয়া বাইদেৱেকৰ সৈতে সি যেতিয়া মুখা মুখি হ'ব—যদি কিবা অঘটন ঘটে, যদি ঘটে নহয়, ঘটিবই, কোনখন মুখেৰে সি ঘৰত থাকিব ?

অসহ্য মানসিক যন্ত্রণাত গোটেই দুপৰীয়াটো মলয়ে অনাই বনাই ঘূৰিলে। নাহো নাহো বুলিও আবেলি চাহ খোৱা সময়তকৈ বহু পলম কৰি সি ঘৰ সোমাল। নাখাওঁ নাখাওঁ বুলিও কোনোমতে চাহকপ খাই বিষাদ মনেৰে নিজৰ কোঠাত সোমাই বিচনাখনত বহিল।

মুগাৰ মেখেলাৰ খচখচনি শুনি মলয়ৰ বুকুখন চিৰিংকৈ উঠিল। হয়, মণিকা তাৰ কোঠাটোলৈকে সোমাই আহিছে। আসন্ন বিপদৰ উমান পাই তাৰ অষ্ঠ কণ্ঠ শুকাই গ'ল। বুকুৰ ধপধপনি ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিলে। কাণ-মূৰ অসহ্য গৰমত ৰঙা হৈ উঠিল।

তাৰ নিচেই ওচৰত মণিকা ঠিয় হ'ল। ৰূঢ় মাতেৰে ভাই মলয়ক সুধিলে—

"কলৈ গৈছিলি দুপৰীয়াখন ?"

সহজ হবলৈ চেণ্টা কৰিছিল যদিও এক অস্ফুট অসহায় কণ্ঠেৰে মলয়ে কলে,—

"ওলাই গৈছিলো অকণমান।"

"টেবুল-বিছনা লণ্ডভণ্ড কৰি কি বিচাৰিছিলি ?"

মলয় নিমাত। যি হবলগীয়া হৈ গৈছে। উত্তৰ দি লাভ নাই। সি তলমূৰকৈ বহি ৰ'ল।

মণিকাৰ মাত ক্ৰমান্বয়ে কঠোৰ হব ধৰিছে। প্ৰশ্নটো পুনৰ কৰিলে তাই —

"কি বিচাৰিছিলি ?"

মলয় নিৰুত্তৰ।

গাৰ বলেৰে মলয়ৰ গালত চৰ এটা মাৰি চিঞৰি উঠিল—

"চিঠি বিচাৰিছিলি। কলেজত নাম লিখায়েই বদমাছি কৰিবলৈ শিকিছ।"

তাৰ পাছত ভাগৰ নলগালৈকে মলয়ৰ দুয়ো-গালত মণিকাই চৰ মাৰি গালি পাৰি থাকিল। অৱ-শেষত মণিকাই তাক মাৰিবলৈ এৰি দি সৰিপৰা চাদৰৰ আঁচলটো খুচি লৈ ক'লে,—

"ৰ, মাক কওঁগৈ।"

মলয় উচপ খাই উঠিল। বাইদেৱেকে তাক গালি পাৰিছে, চৰিয়াইছে। সি নিৰ্বিবাদে সহ্য কৰিছে। কিন্তু মাকে যদি গম পায় ? নাই নাই। মাকক এই কথা জনাবলৈ দিব নোৱাৰি।

জাপ মাৰি বহাৰপৰা উঠিল সি। ওলাই যাব খোজা মণিকাক বাট ভেটি ধৰি সি কঠোৰ মাতেৰে কলে,——

"তই মাক কবি ?"

"কমতো, কিয় নকম ?"

মুহূৰ্ত্তৰ ভিতৰতে মলয়ে কৰ্ত্তব্য স্থিৰ কৰি পেলালে। অলপ টান মাতেৰেই সি বাইদেৱেকক কলে,—

"কচোন মাক। তোৰ কথাও চব মাক কৈ দিম।"

ৰঙা চকুৰে মণিকাই তাক সুধিলে,

"মোৰ কি কথা কবি তই ?"

"মোৰ কথা যদি তই মাক কৱ, তোৰো চব কথা মই মাক কম।"

গেঙেৰি মাৰি মণিকাই তাক প্ৰশ্ন কৰিলে,

"মোৰ কি কথা কবি অ' তই ?"

মলয়ে আৰু পলম নকৰিলে। চুটকেচৰ তলাটো খুলি তাৰ ভিতৰৰ পৰা কোনোবা অৰূপে মণিকালৈ লিখা এজাপ চিঠি উলিয়াই মজিয়াত দলিয়াই দি সি সুধিলে —–

"এইবোৰ কি ?"

এইবাৰ মণিকাৰ উচপ্ খোৱাৰ পাল। মজিয়াত

সিঁচৰিত হৈ পৰা অন্ধপৰ চিঠিবোৰ চাই চাই তাই সৰগ পৰা মানুহৰ দৰে থৰ লাগি ৰ'ল। তাই নিশ্চুপ। ভায়েকলৈ মূৰ ডাঙি চোৱাৰ সাহস গোটাব নোৱাৰিলে। কিছু সময় তেনেদৰে থকাৰ পাছত মজিয়াৰ পৰা থপজপকৈ অন্ধপে লিখা চিঠি কেইখন বুটলি ততাতৈয়াকৈ মণিকা তাৰ কোঠাৰপৰা ওলাই গল। মলয়ে শুনিলে বাইদেৱেকে নিজৰ কোঠাত সোমাই জোৰেৰে দুৱাৰখন বন্ধ কৰি দিছে। তাৰ পাছত বিচনাত বাগৰি পৰাৰ শব্দ আৰু বৈ বৈ মণিকাৰ উচুপনি।

ৰাতি ভাত খাবৰ সময়ত মলয়ে মন কৰিলে আনদিনাৰ দৰে মাকক সহায় কৰিবলৈ মণিকা পাকঘৰলৈ অহা নাই। তাৰ নিজৰো বৰ ভাল লগা নাছিল সন্ধিয়াৰ ঘটনাটোৰ বাবে।

সি ভাত খাই থাকোতেই মাকে কলে, ---

"বায়েৰক সুধি আহিবিচোন ভাত খায় নে নাখায়।".

"মই নোৱাৰো সুধিব।"

"কিয় নোৱাৰ? গধূলিৰেপৰা বায়েৰজনী মূৰৰ বিষত পৰি আছে, তই কিয় নোৱাৰ সুধিবলৈ?

মণিকাৰ মুখা মুখি হবলৈ আচলতে তাৰ সাহস নাছিল। তাইৰ কথা ভাবি মলয়ৰ অলপ দুখ লাগিল। হেজাৰ হওক বায়েকক এইদৰে আঘাট দিয়াটো তাৰ অনুচিত হৈছে।

কিন্তু এতিয়া সি কি কৰিব? কোনটো সতেৰে মলয়ে নাক এতিয়া মণিকাক মাতিবগৈ?

নাই, নাই। লাজ সংকোচ কৰিবলগীয়া কি আছে? মণিকা তাৰ বায়েক। কিমান মৰমত সৰুৰেপৰা বাইদেৱেকে তাক তুলি তালি ডাঙৰ দীঘল কৰিছে। আজি সন্ধিয়া হলেইবা কিবা এটা, সেইবুলি সি বাইদেৱেকক মাতিবও নাযাবনে?

মণিকাক ভাত খাবলৈ মাতিবলৈ সংকল্প কৰি মলয় আগবাঢ়িল তাইৰ কোঠালৈ। কোঠাৰ দুৱাৰত খিলি দিয়া নাই। হয়তোবা মাকে মতাত দুৱাৰ খুলি দিছিল। দুৱাৰ ঠেলি লাহেকৈ সি কোঠাটোত সোমাল। কোঠাটোৰ লাইতটো জ্বলাই মণিকা শুই থকা বিচনাখনৰ আঠুৱাখন সি ডাঙি দিলে। গালে মুখে শুকাই যোৱা চকুপানীৰ দাগেৰে মণিকা টোপনিত। তাইৰ অৱস্থাটো দেখি মলয়ৰ বৰ দুখ লাগিল। লাহেকৈ তাইৰ কাষত বিচনাখনত বহি খুব আলফুলকৈ মণিকাৰ বাহু এটাত ধৰি মলয়ে মাতিলে---

"মণিবা !"

মণিকা তেতিয়াও টোপনিত। বাহুটো এইবাৰ জোকাৰি মলয়ে আকৌ মাতিলে,

"মণিবা, মণিবা !"

এইবাৰ মণিকাই চকু মেলিলে। সন্মুখত মলয়ক দেখি তাই আনফাললৈ মুখ ঘূৰালে।

অলপ দোষী দোষী মাতেৰে মলয়ে বায়েকক আকৌ মাতিলে,

"আহ, মণিবা, ভাত খাবি উঠ।"

মণিকা নিৰুত্তৰ।

"উঠ, মণিবা, মা বৈ আছে, বল ভাত খাবি।"

এইবাৰ মণিকাই আজোৰ মাৰি মলয়ৰ হাতৰ পৰা বাহুটো এৰুৱালে আৰু গাৰুটোত মূৰ গুজি উচুপিবলৈ ধৰিলে।

মণিকাৰ পিঠিত হাত বুলাই কঁপা কঁপা মাতেৰে মলয়ে কলে,

"মোৰ ওপৰতো তই ইমাপ খং কৰ মণিবা? তই মোক ইমান বেয়া পাৱ?"

কথাষাৰ কৈ কৈ মলয়ে কান্দি পেলালে। তাৰ চকুৰপৰা তপত চকুলো টপ্ টপ্‌কৈ মণিকাৰ পিঠিত পৰিবলৈ ধৰিলে।

মণিকা সচকিত হৈ নিজৰ চকুপানী চাদৰৰ আঁচলেৰে মচি বিচনাখনত বহিল। মলয়ৰ কাষলৈ গৈ লৰালৰিকৈ তাৰ চকুলো মচি মচি কলে,

"ছিঃ ভাইটি নাকান্দিবি।"

বায়েকৰ কথা শুনি মলয়ে হুকহুকাই কান্দি

দিলে। আথেবেথে মলয়ৰ চকুপানী মচি দি মণিকাই কলে,

"নাকান্দিবি ভাইটি। তোক, তোক মোৰ ওচৰৰপৰা কোনোবাই লৈ যাওক, তাক মই সহ্য কেনেকৈ কৰোঁ ?"

নিজৰো চকুপানী এহাতেৰে মচি কান্দোনভৰা মাতেৰে মণিকাই কলে,


তই, তই মোৰ ভাইটি হৈয়েই থাক। তোক কোনোবা আন এজনী ছোৱালীয়ে মোৰ ওচৰৰপৰা আঁতৰাই লৈ গৈ মৰম কৰক, তাকযে মই সহিব নোৱাৰো, ভাইটি।"

আৰু মলয় ?

বায়েকৰ মৰম কোমল বুকুত মুখ গুজি উচুপি ব'ল এক সৰু লৰাৰ দৰে, ঠিক এক ভাইটিৰ দৰে।

"অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই। আগৰ ফালে চাৱো। আমাক লাগে অসীম শক্তি, দুৰ্জ্জয় সাহস আৰু অসীম ধৈৰ্য্য ; তেতিয়া হলে আমি মহৎ কাৰ্য্য সাধন কৰিব পাৰিম।"

—স্বামী বিবেকানন্দ।



# দিন আৰু প্ৰতিদিন

পৰমানন্দ ৰাজবংশী
(প্ৰাক্তন ছাত্ৰ)

এক বিশেষ কায়দাৰে তামোলৰ পিকখিনি আলিৰ দাঁতিত পেলাই জোনেই বুঢ়ীয়ে ককালটো পোনাই লৈ ভদ্ৰেশ্বৰৰ পিনে কেৰাহিকৈ চালে। নহয়। সি আনদিনাৰ দৰে ধেমালিকৈ কোৱা নাই। তাৰ চকু মুখত আগৰ দুষ্টালি লক্ষণ নাই। সি গম্ভীৰভাৱেই কৈছে--সেইখন গাওঁলৈ নাযাবলৈ।

সেইখন গাওঁ মানে আধা ফাৰ্লং বাট। কাষে কাষে জাৰ্মানী বন। মাজতে বাঁহেৰে বোৱা দলংখন পাৰ হলেই বৰনগৰী গাওঁ। সেই তাহানিতে মাউৰত মৰা পদেশ্বৰে তাইক বাঘৰবাৰী গাওঁৰ পৰা পলুৱাই অনাৰে পৰা এইখন গাওঁৰ লগত অহা-যোৱা, দিয়া-নিয়া। সেইখন গাওঁলৈ কিয় নাযাব তাই? জোনেই বুঢ়ীয়ে পুনৰ ভদ্ৰেশ্বৰৰ পিনে চালে।

ঃ যাব খুজিছ যা পেহী। কিন্তু আন্ধাৰ নহওতেই আহিবি। দেখিছই নহয় দেশৰ কি অৱস্থা। ক'ত কি হয় পাত্তা নাই।

ভদ্ৰেশ্বৰ যোৱাৰ পিছতো ক্ষন্তেক সময় চাই থাকি জোনেই বুঢ়ীয়ে এটি হুমুনিয়াহ কাঢ়ি পুনৰ খোজ ললে। তাই যাবই লাগিব। লাগিলে সোনকালেই আহিব। নহলে ফাতেমাহঁতৰ চোতালৰ মেলখন নজমিবই। সিহঁতৰ লগত বহি তামোল-চালি এখন নেখালে, ফিকা চাহ এবাটি নাখালে, কথা-বতৰা নাপাতিলে দিনটো অথলে যোৱা যেন লাগে। তাৰপৰা ফকৰুহঁতৰ বাৰীৰ পৰা পান এমুঠা আনিব লাগিব। আহোতে যদি তমিজৰ মাকক লগ পাই তেন্তে অলপ পালেং শাক আনিব লাগিব। এইবাৰ সিহঁতৰ বেৰত পালেং শাকখিনি লহপহীয়া হৈছে। ভৰাৰ চলতে জোনেই বুঢ়ীয়ে বুকুৰ পাতেনিখনৰ খোচটো ভালদৰে মাৰি ললে।

এজাক মৃদু বতাহে জোনেই বুঢ়ীক স্পৰ্শ কৰি গ'ল। ঠাণ্ডা এইবেলি বাৰুকৈয়ে নামিছে। ফৰিদহঁতৰ বস্তিৰ বাঁহনিডৰাৰ আগলিত বেলিটো তিৰবিৰাই আছে যদিও তাৰো যেন তীব্ৰতাখিনি ঠাণ্ডা বতাহজাকে নিষ্প্ৰভ কৰি পেলাইছে। সেই ভদ্ৰেশ্বৰৰ লগত ভেটাভেটি হোৱাৰ পৰা জোনেইৰ মনৰ আগৰ উদ্যমখিনি যেন হেৰাই গৈছে। ক্ৰমাৎ আগলৈ পেলোৱা খোজবোৰৰ যেন শক্তি

নাইকীয়া হৈছে। অতি সোনকালে এডাল লাখুটি লব লাগিব। চিঃ! লাখুটি লৈ খোজ কাঢ়িলে যে তাইৰ কেনে লাগিব। লোকে দেখি কি ভাবিব! তাই সঁচাকে বুঢ়ী হৈ গ'ল নেকি? জোনেই বুঢ়ীয়ে নিজকে প্ৰশ্ন কৰে।

আজি কেইদিনমানৰ পৰা দেশখনৰ কিবা এটা হৈছে। মানুহবোৰৰ ৰঙিয়াল মুখবোৰ হঠাৎ গহীন হ'ল, প্ৰতিটো কথাই কামে জাৰৰ দিনবোৰৰ দৰে সেমেকা ৰূপ ললে। আজি চাৰি বছৰ ধৰি ৰাইজে কৰি অহা আন্দোলনটোক বিশ্বাসঘাটকতা কৰি বোলে চৰকাৰে নিৰ্বাচন পাতিছে। ৰাইজে নিৰ্বাচন বিচৰা নাই। চৰকাৰ কিবা বেলেগ বস্তু নেকি যে ৰাইজে যিটো ভাল নাপায় সেইটো কৰিব?

অহকাণে-পহকাণে, আৰমুখে তাৰমুখে, ফাতেমা-হঁতৰ ঘৰৰ চোতালত ভূ-ভাৰতৰ কথা বহুত ওলায়। আজি অমুকক পুলিচ-চি-আৰ-পিয়ে মাৰিলে, তমুকক ফাটেকত ভৰালে। আজি এজন মৰিল, কালি আন এজন মৰিল। ৰাইজ দেখো খালি হাতেৰেই ওলায় যায়। কিয় পুলিচ-চি-আৰ-পিয়ে অত্যাচাৰ কৰে? ৰাইজক পিটিবৰ বাবেই, অত্যাচাৰ কৰিবৰ বাবেই চৰকাৰে এইবোৰক দৰ্মহা খুৱাই ৰাখিছে নেকি? আজি কিছুদিন ধৰি এই জাৰৰ দিনটো অঞ্চলৰ ডেকা ল'ৰাখিনিয়ে ৰাতি দিন একাকাৰ কৰি ঘূৰি ফুৰিছে। নিৰ্বাচন বোলে হবই নোৱাৰে। চৰকাৰে ভোটৰ বাকচ আনি সমুখত থলেও সিহঁতে ভোট নিদিয়ে। জোনেই বুঢ়ী, ফাতেমাহঁতে ইস্-ইস্, উস-আস্ কৰে। এই চৰকাৰ বোলাটোৰ দেখোন কোৰ বুটিছতকৈ এখোপ চৰা।

এইবুলি মোক দিনৰ ভাগতেই ঘূৰি আহিবলৈ ভদ্ৰেশ্বৰে কিয় ক'লে? সি আন্দোলনত ঘূৰি-পকি প্ৰকৰ ল'বা। মাজতে পুলিচে মাজৰাতি তাক ঘৰত নেপাই ওচৰৰে আন এঘৰৰ পৰা উঠাই লৈ গৈ বহুত শাস্তি দিলে। অল্পতেহে সি জেলৰ পৰা ওলাই আহিছে। সেয়ে তাৰ কথাৰ কিবা গুপুত অৰ্থও থাকিব পাৰে। আজি দিনৰ পোহৰতেই ঘূৰি আহিব লাগিব।

ফাতেমাহঁতৰ পদূলিমুখ পাই জোনেই বুঢ়ী আচৰিত হ'ল। ক'তা আজি দেখো চোতালত কোনো নাই। মইনা, ছাকিনা, কুনকুনি, ৰছিদা কোনো নাই। চোতালখন কিবা যেন নিমাওমাও। জোনেই বুঢ়ী আহি চোতালৰ এদাঁতিত বৈ চাৰিও-পিনে চালে। নাই, কোনো নাই দেখো? চোতালৰ বেলিৰ ৰ'দখিনিও নাইকীয়া হব এখোন।

বাৰীৰ পৰা তামোল কেইটামান হাতত লৈ চোতালত খিয় হোৱা ফাতেমাই হঠাৎ জোনেই বঢ়ীক দেখি যেন আচৰিত হ'ল।

ঃ জোনেই তই ফুৰিব আহিছ?

ফাতেমাৰ আকস্মিক অথচ অস্বাভাৱিক প্ৰশ্নত জোনেই বুঢ়ী আচৰিত হ'ল, ঃ অ'। ফুৰিব আহিছো। ইহঁত ক'ত?

এইবাৰ ফাতেমা জোনেইৰ ওচৰ চাপিল; ঃ মোৰ দেখো ঘটনাবোৰ শুনি বৰ ভয় লাগিছে। তই সোনকালে ঘৰলৈ যা!

ভয়ে ভয়ে চেপি চেপি ফাতেমাই কোৱা কথা-বোৰে জোনেই বুঢ়ীৰ সন্দেহ, শঙ্কা আৰু বেছিহে কৰিলে; - তোৰ ঘৰখনত থকা, মোৰ ঘৰত থকা, এই গাওঁত থকা আৰু মোৰ গাওঁত থকা একে দেখো? মই যেতিয়াই নগলো লাগিলে।

ঃ নহয় অ' জোনেই, তই কথাবোৰ বুজিও নুবুজ হৈছ। কালি ৰাতি মই বহুত কিবাকিবি শুনিছোঁ। মানুহক বিশ্বাস নকৰিবি। দেশখনত কিবা এটা হৈছে। তই সোনকালে ঘৰলৈ যা। জোনেই বুঢ়ীয়ে ফাতেমালৈ চালে। তাইৰ চকু-মুখত ভয়-বিহ্বল-শঙ্কাৰ চিন! তাই উলটিল। ফাতেমাই পিচপিনৰ পৰা পুনৰ মাতিলে। তাই ৰ'ল। ফাতেমাই হাতত থকা তামোল কেইটামান তাই পাতেনিৰ আঁচলত দি ক'লে, ঃ এইকেইটা ভাল চাউলীয়া তামোল। খাবি। এইকেইদিন আহিব নালাগে—একেবাৰে দেশখন শান্ত হ'লে আহিবি।

ফাতেমাইঁতৰ ঘৰৰ পৰা তাইৰ ঘৰলৈ আধা ফার্লংমানৰ বাট। এইখিনি বাট অতিক্ৰমি আহি-বলৈ যেন জোনেই বুঢ়ীৰ শক্তি নাইকীয়া হৈ গ'ল। কণ্টেৰে তাই আহি বাঁহৰ দলংখনৰ কাষ পাই-ছিলহি মাত্ৰ। হৈ-চৈ কৰি এদল মানুহে জোনেই বুঢ়ীক আগুৰি ধৰিলে। তাৰ বহুতকেই তাই চিনি পায়। তাৰে দুই এজনক কোলাত তুলি ডাঙৰ দীঘল কৰা। হাতে হাতে জাঠি-জোং লোৱা মানুহবোৰৰ চকু মুখবোৰ যেন একো একুৰা জুই! চিৎকাৰ, চটফটনিৰ অন্তত জোনেই বুঢ়ীৰ নিশ্চল ৰক্তাক্ত মৃতদেহ মাটিত পৰি থাকিল।

অট্টহাস্য কৰি উভতি অহা দলটিৰ সমুখত ঠিয় হৈ পাগলীৰ দৰে ফাতেমাই চিঞৰি উঠিল, ঃ তহঁত, তহঁত কোনদিনাৰ পৰা পশু হৈ গলি? জোনেইক কিয় মাৰিলি?

ওচৰতে পোৱা এজনৰ গাত খামুচি ধৰি কান্দি কান্দি ফাতেমাই প্ৰশ্ন কৰিলে, ঃ তাইৰ গাত কি দোষ আছিল?

ফাতেমাৰ নিস্ফল কান্দোন ৰৱনগৰীৰ আকাশে-বতাহে সিঁচৰিত হৈ মাৰ গ'ল।

জোনেই বুঢ়ীৰ মৃতদেহটোৰ কাষত কৃন্দনৰত ফাতেমা আৰু দুয়োকে বেঢ়ি ধৰি অসংখ্য মানুহ।

--ঃঃ০ঃঃ--

"তেজৰে বোলেৰে লিখি যাম ইতিহাস
মচি যাম দীন সমাজৰ হীন পৰিহাস"
"কত শ্বহীদৰ দুখৰ জীৱনী লিখা
কত ব্যথিতৰ বেদনাৰ ছবি আঁকা
পৃথিবীৰ চিৰ মুকুতিৰ পথ ৰেখা
মচি যাম বহু শোষিতৰ হা-হুতাশ।"

—বিষ্ণু ৰাভা

(জ্ঞানপীঠ বঁটা বিজয়ী আশাপূৰ্ণা দেৱীৰ বঙালী গল্প 'নাইলনেৰ পুতুল'ৰ অনুবাদ--কুশল দত্ত)





মূল ঃ আশাপূৰ্ণা দেৱী
অনুবাদ ঃ কুশল দত্ত।
স্নাতক মহলা (বিজ্ঞান) ১ম বাৰ্ষিক


বিদায় দিবলৈ টুলুৰ মাকো দুৱাৰমুখ পালেহি। হাঁহিমুখে ক'লে ঃ এতিয়া লাজ আতৰিলতো? আকৌ আহিবা।

পম্পাই জোতাৰ ফিটাডাল ঠিক কৰি শুকান সুৰত ক'লে ঃ নাই নাই লাজনো কেতিয়া কৰিলো? সদায় অহাটোহে দিগদাৰ।

পম্পাৰ কথাৰ ধৰণত টুলুৰ মাকৰ হাঁহি উঠিল। কিজানি ভিতৰলৈ গৈ টুলুৰ পেহীয়েকক কব ঃ টুলুজনী ইমান আজলী। বান্ধৱী জনীক পাই একেবাৰে কব নোৱাৰা হৈ পৰিছে।

হয়তোবা নকলেও, নিজৰ কামত মন দিলে।

টুলুয়েও ইমানকৈ নাজানে। মাকে হাঁহিলেনে নাই তাকো নেদেখিলে। টুলুই দুখ মনেৰে ক'লে ঃ আমাৰ ঘৰত সদায় আহিলেনো তোৰ কি হব? আকৌ আহিবি। আজি যে ইমান ভাল লাগিল।

পম্পাই বান্ধৱীৰ কথাষাৰত সন্তুষ্ট নহৈ কঠিন সুৰত ক'লে ঃ অ' তই তাৰমানে আমাৰ গাড়ীখন বেয়া হোৱাটো বিচাৰ? তেতিয়াহে গাড়ীখন কাৰখানাত পৰি থাকিব।

সুন্দৰী বান্ধৱীক পাই মোহিত টুলুৱে এনেকৈ কব নোৱাৰিলে--তহঁতৰ গাড়ীখনতো সদায়েই বেয়া হয়, মাহটোৰ ভিতৰত কুৰি দিনেই কাৰখানাত

পৰি থাকে। ইমান লোকৰক জানো মই ভাবিব পাৰো? টুলুই বান্ধৱীৰ এই অনৰ্থক খণ্ডত থতমত খাই ভয়ে ভয়ে ক'লে ঃ মই ইমান বেয়া চিন্তাবোৰ কিয় মনলৈ আনিম? গাড়ীখন নহলে জানো খোজকাঢ়িয়েই আমাৰ তালৈ আহিব নোৱাৰিবি?

ঃ নাই নোৱাৰি। পম্পাই খণ্ডেৰে ক'লে যদিও খণ্ডৰ কাৰণ এটি দৰ্শাই ক'লে ঃ নিজে জানো কেতিয়াবা গৈছিলি?

টুলুৱে শান্তিৰ নিশ্বাস পেলালে।

টুলুৱে অন্ধকাৰতো পোহৰৰ চিকমিকনিৰ আভাস পালে। সেয়েহে আৰু দুখ মনেৰে ক'লে ঃ এইবাৰ কিন্তু সঁচাকৈয়ে যাম। তয়ো আহিব লাগিব কিন্তু!

পম্পাই কোনো উত্তৰ নিদিলে।

পম্পাই যেন শুনাই নাই। তাই হাইহিলৰ চেণ্ডেল যোৰেৰে খট্ খট্ শব্দ কৰি আগুৱাই গ'ল। ইয়াৰ পৰা অথবা স্কুলৰ পৰা পম্পাহঁতৰ ঘৰলৈ সিমান দূৰ নহয়। গাড়ীৰে অহাযোৱা কৰা ৰাস্তাই নহয়। তথাপিও মাহটোৰ ভিতৰত দহদিন হলেও পম্পাই এই বেয়া গাড়ীখনতে অহাযোৱা কৰে।

যদিহে পম্পাই এই লাজৰ পৰা অব্যাহতি পাবলৈ কয় ঃ মা মই খোজ কাঢ়িয়েই যাওঁ— তেতিয়া পম্পাৰ মাকে আচৰিত হৈ কয় ঃ খোজ কাঢ়ি যাবা? তুমি খোজকাঢ়ি স্কুললৈ যাবা?

ঃ বহুত ছোৱালীয়েইতো যায়--পম্পাৰ এনে ধৰণৰ যুক্তিত মাকৰ খং উঠে। তেওঁৰ অনবৰতে প্ৰসাধন কৰা মুখখন ৰঙা হৈ যায়। চিঞৰি চিঞৰি কয় ঃ মাকৰ লগত জানো তৰ্ক কৰিব পায়? স্কুলত হবলা এইবোৰেই শিকায়? যিহে স্কুল। আৰু এইটো যিহে বেয়া চুবুৰী।

বেয়া চুবুৰীটোত পম্পাৰ মাক কিয় আছে আৰু এনেকুৱা স্কুললৈ নিজৰ ছোৱালীজনীক কিয় পঠিয়াইছে, পম্পাই সেই প্ৰশ্নটো কৰিবলৈ শিকা নাই বাবেই সদায় এই ধিক্কাৰৰ বাক্যটো মাকে আওৰায়।

পম্পাৰ বায়েক চম্পাই কেতিয়াবা এই প্ৰশ্নতো কৰে। কয় ঃ এই নিম্নস্তৰৰ চুবুৰীটোত কিয় বাস কৰিছা? তোমাৰ সেই চিৰপৰিচিত উচ্চস্তৰৰ চুবুৰীৰ তিনি মহলাৰ ফ্লেটত নাথাকা কিয়? ছোৱালীজনীক উন্নত স্কুলত নপঢ়োৱা কিয়?

ডাঙৰজনী ছোৱালীৰ ঠাট্টাৰ সুৰক ভয় কৰি নন্দিতাই অভিমানৰ সুৰত ক'লে ঃ তোমালোকৰ দেউতা যে এতিয়া আৰু নাই, সেয়া বোধহয় পাহৰিছা?

চম্পাই গহীন সুৰত ক'লে ঃ মই পাহৰা নাই মা, তুমিয়েই পাহৰিছা।

ঃ তাৰ মানে আমি ভিক্ষাৰীৰ দৰে থাকিব লাগে? নন্দিতাই ক'লে।

চম্পাই ক'লে ঃ ভিক্ষাৰীৰ দৰে থাকিব নালাগে মা! অৱস্থা অনুযায়ী থকাই ভাল। ঘৰভাড়াৰ বাবে ঘৰৰ সকলোবিলাক ফাৰ্ণিচাৰ যেতিয়া এৰি আহিব লগীয়া হৈছে, তেনেস্থলত আকৌ কিয় ভাড়া কৰা চোফাচেট, কাৰ্পেটৰ ধূলিৰে ঘৰটো ভৰাইছা।

নিজৰ ছোৱালীৰ কথাত নন্দিতা বহি পৰিল। আচৰিত হৈ ক'লে ঃ কিয় কৰিছো? এইবোৰ নহলে জানো চলিব?

ঃ কিয় নচলিব? নন্দিতাৰ ডাঙৰ ছোৱালী-জনীয়ে মাকক যেন সোঁৱৰাই দিলে ঃ সজোৱা ড্ৰইংৰুম-ডাইনিং ৰুম নাই, ফ্ৰিজ নাই, ৰেডিঅ' গ্ৰাম-গাড়ী নাই--নাই ড্ৰাইভাৰ, এনেকুৱা ঘৰ জানো তুমি দেখা নাই? এই চুবুৰীটোৰ বহুতৰ দেখোন এইবোৰ নাই। তেওঁলোক জানো মানুহ নহয়?

কথা কেইষাৰ শুনি নন্দিতা উত্তেজনাত অৱশ হৈ পৰিল। ক'লে ঃ সিহঁতৰ লগত মোক তই তুলনা কৰিছ? সেইবোৰ মানুহৰ লগত তোৰ মাৰৰ তুলনা কৰিবলৈ তাৰ লাজ লগা নাই।

চম্পাই মাকৰ এই ভাগি পৰা অভিমানতো বিচলিত নহল। ক'লে ঃ তোমাৰ এই দৰিদ্র চকাৰ প্রয়াস দেখিলে মোৰ দুখ লাগে মা! যদি তুমি চুবুৰীৰ মানুহৰ দৰে কাম কৰি থোৱা হয়তো তুমিও বাচিবা, আমিও বাচিম।

ডাঙৰ ছোৱালীজনী এতিয়া বিয়া হৈ শহৰেকৰ ঘৰলৈ গুচি গৈছে। নন্দিতা বক্ষা পৰিছে। নন্দিতাই এতিয়া এই সৰু ছোৱালীজনীৰ ওপৰত আশা পোষণ কৰিছে। পম্পা তেওঁৰ মনৰ দৰে, মাকক অসম্ভৱ ভয় কৰে। আলসুৱা সুৰত যিখিনি প্রতিবাদ জনায় সেয়া বায়েকৰ দৰে কঠিন সুৰত নহয়। অথচ পম্পাই ইতিমধ্যে বাহিৰত জোৰ দি কথা কবলৈ শিকিছে।

ঘৰুৱা চাকৰে পম্পাক ভয় কৰি চলে। ড্রাইভাৰক পম্পাই শাসনৰ সুৰত নির্দেশ দিয়ে। এতিয়াও তাই শাৰী পিন্ধা নাই, স্কার্টেই পিন্ধে।

নন্দিতাৰ ছোৱালীজনীক চিনেমাত নমোৱাৰ ইচ্ছা আছে। চেষ্টাত ঘূৰাঘূৰি কৰিছে। কাৰো-বাক এই বিষয়ে অনুৰোধ কৰিছে। নমালে এই কম বয়সৰ পৰাই নমোৱা ভাল, কিছু উপস্বত্ব নন্দিতাৰ হাতলৈ আহিব। ডাঙৰ হৈ গ'লে-- বিশ্বাস নাই।

হাতলৈ টকা অহাৰ পিছত যদি নন্দিতাই এই বিৰক্তিকৰ চুবুৰীটো এৰি যাব পাৰে, যদিহে গৃহসজ্জাৰ কিছু উপকৰণ কিনিব পাৰে আৰু নগদ কিছু টকা বেঙ্কত থব পাৰে, তেতিয়া হলে বাকী জীৱনটো আৰু অনুতাপত কটাবলগীয়া নহব।

এই সকলোবোৰ চিন্তা আৰু চেষ্টা নন্দিতাই গোপনে ৰাখিছে। সন্ধ্যা তেওঁৰ যিসকল বন্ধু-বান্ধৱে আহি মেল জমায়, ঘূণাক্ষৰেও তেওঁলোকৰ কাণত এই কথাষাৰ পেলোৱা নাই। পৃথিৱীখনক নন্দিতাই যিমান দেখিছে, বুজিছে জগতত আপোন বুলিবৰ কোনো নাই। সকলোৱেই ছদ্মবেশী। গতিকে কাকোৱেই নিজৰ বুলি ভাবিব নোৱাৰি। সকলোৱে তাচ খেলি আড্ডা দিয়ে, চাহ কফিৰ শ্রাদ্ধ কৰে, নন্দিতাৰ ঘৰৰ চাহ-কফিৰ দৰে চাহ-কফি যে আৰু ক'তো খোৱা নাই সেই কথা পুনৰুক্তি কৰে। তাৰ পিচত গাড়ীৰে গুচি যায়।

নন্দিতাৰ কেইজনমান গাড়ী থকা বন্ধু আছে। দামী চাহ আৰু দামী আলোচনা লৈ নন্দিতাই তেওঁলোকক আটক কৰি ৰাখিছে। নাৰাখিয়েইবা উপায় কি? মৰুভূমিৰ দৰে সন্ধ্যাটো কি কৰি কটাব? স্বামী থাকোতে কি সমাৰোহৰ জীৱন আছিল! সন্ধ্যা সময়ত বহুতো প্রতিষ্ঠিত ব্যক্তি আহি তাচৰ আড্ডাৰ লগতে মেল জমোৱা কথাবোৰ জানো জীৱনৰ পৰা মচি পেলাব পাৰিব? এটি মাংসপিণ্ডৰ দৰে পৃথিৱীৰ একাষত পৰি থাকি মাথোন শেষদিনটো গণি থাকিব লাগিব।

মই এজনী মানুহৰ দৰে মানুহ আছিলো, কিন্তু এতিয়া নহয়। মানুহৰ সমাজৰ পৰা বাতিল হৈ গ'লো। মই নামৰ মানুহজনীৰ কোনো অস্তিত্ব নবল। 'মৃত বসু চাহাবৰ বিধবা পত্নী' কেৱল মাথোন এই পৰিচয়খিনিকেই সম্বল কৰি অনুতাপত দিন কটাইছো। এই অৱস্থাতকৈ আত্মহত্যা কৰাটো বেছি ভাল।

আত্মহত্যা যেতিয়া কৰা নাই; বাচি থাকিবই যেতিয়া লগা হৈছে তেতিয়া হলে মানুহৰ দৰেই বাচি থাকিব লাগিব। ড্রইংৰুম, ডাইনিং ৰুম সজাই, টাৱত কেক্টাচ ৰুই, দেৱালত শিল্পৰুচিৰ নমুনা ওলোমাই, স্বপ্নপুৰীৰ পোহৰেৰে গানৰ সুৰ, হাঁহিৰ সুৰ আৰু কাটা চামোচৰ টুং টাং সুৰ তুলি বাচি থাকিব লাগিব।

এয়াই হৈছে নন্দিতাৰ জীৱন দর্শন, জীৱন যাত্ৰাৰ নীতি। চুবুৰীটো বেয়া, সেয়েহে তেওঁক নিন্দা কৰে। মহিলাজনীয়ে যে বিধবা হৈয়ো বৈধব্যৰ বেশ ধাৰণ নকৰে, চিফন নাইলন জৰ্জেট ডেক্ৰন পিন্ধে, এইখিনি চুবুৰীৰ বাসিন্দাই আলোচ্য বিষয়ৰ মাজত ৰাখে। সন্ধ্যা হলেই যে নন্দিতাৰ ঘৰৰ দুৱাৰমুখত তিনি-চাৰিখন গাড়ী আহি ৰয়হি

আৰু তাৰ পিছত তেওঁৰ গৃহত তাচৰ আড্ডা জমে আৰু এই গৃহস্থহীন গৃহত যেতিয়া পুৰুষ কণ্ঠস্বৰৰ হাঁহি প্ৰতিধ্বনিত হয় তেতিয়া স্বাভাৱিকতেই সকলোৱে সন্দেহৰ চকুৰে চায়।

নন্দিতাক অৱশ্যে কোনোৱে একো নকয়, তথাপিও তেওঁ এইবোৰ জানে। জানে অনুভৱৰ মাজেৰে—কিন্তু গুৰুত্ব নিদিয়ে। তেওঁলোকৰ অভিমতক যে মূল্য দিব এনেকুৱা অধঃপতন তেওঁৰ হোৱা নাই। কেতিয়া যে এই ছোৱালীজনীৰ সম্পৰ্কে এটা ব্যৱস্থা কৰি অলপ শান্তিৰে থিয় হব সেই আশাতেই তেওঁ বৈ আছে। তথাপি এতিয়াও সুখত আছে, শান্তিত আছে কাৰণ ডাঙৰ ছোৱালীজনী এইখনত ঘৰত নাথাকে। পম্পাৰ দৃষ্টিত সমালোচনাৰ তীক্ষ্ণতা নাই। মাত্ৰ পম্পাই স্কুলৰ পৰা আহি মাকক সাৱটি ধৰি কয়ঃ মা আজি তোমাক ইমান ধুনীয়া লাগিছে!

তাইৰ যি অভিযোগ সেয়া গাড়ীখনক লৈ কৰা অভিযোগ।

গাড়ীখন সদায় বেয়া হয়, লাজ লাগে।

নন্দিতাই সৰু ছোৱালীজনীক ভাল পাই বুলিয়েই যে মৰমেৰে কথা কব সেয়া নহয়, দৃঢ় কণ্ঠত কয়ঃ যাৰ ওচৰত লাজ লাগে, সিহঁতৰ ওচৰত নতুন গাড়ী লোৱাৰ কথা কবলৈ দিছিলো নহয়, পাহৰিলা?

ঃ দুবছৰ ধৰি কৈছো, গাড়ীৰ বাবে এপ্লাই কৰা হৈছে। যিমান দিনলৈ পোৱা নাযায় তিমানদিনলৈ এই পুৰণিখনকে লৈ—ইমানদিন হৈ গ'ল।

ঃ আৰু বহুত দিন হব পাৰে পম্পা। গাড়ীৰ কথা যিসকলে জানে, তেওঁলোকেহে বুজে ভাল মডেলৰ নতুন গাড়ী এখন পাবলৈ কিমানদিন লাগে।

মাকৰ কথাখিনি শুনাৰ পিছত পম্পাৰ আৰু কৰলগীয়া একো নাথাকে।

পম্পাই বায়েকৰ দৰে হাঁহি মাৰি কব নাজানে, কিমানদিন আৰু তুমি বতাহত প্ৰাসাদ নিৰ্মাণ কৰি যাবা মা?

মাকৰ বকনিত মনে মনে থকাটো পম্পাৰ স্বভাৱ।

তাই যেতিয়া নিজে চাকৰ-ড্ৰাইভাৰক গালি পাৰে, তেতিয়াই এই নীৰৱতাৰ প্ৰতিশোধ লয়। তথাপিও আজি পম্পাই স্কুলৰ পৰা নীৰৱে আহিল। নন্দিতাই ক'লেঃ স্কুলৰ পৰা আহিয়েই কিতাপ লৈ বহিছা কিয়? হাতমুখ ধোৱা। পৰিষ্কাৰ কাপোৰ পিন্ধা। খেলা-ধুলা কৰা।

পম্পাই ক'লেঃ ভাল লগা নাই।

নন্দিতা শঙ্কিত হৈ পৰিল।

নন্দিতাই জানে এই ভাল লগা নাই কথাষাৰ খুব বেয়া। ছোৱালীবিলাকক যিমানেই ফ্ৰক পিন্ধাই, স্কাৰ্ট পিন্ধাই সৰু ছোৱালীৰ দৰে ৰখাৰ চেষ্টা কৰা হয়, বয়সে কিন্তু ঠিক সময়তেই দিগদাৰ কৰে। এই ভাল নলগাটো বয়সৰ দোষ। ভাল লগা নাই মানেই নিশ্চয় কাৰোবাক ভাল লাগিছে।

গতিকে সেই সৰ্বনাশৰ অৱসান ঘটাবলৈ নন্দিতাই উঠিপৰি লাগিল। জোৰ কৰি ছোৱালীজনীক উঠালে। নিজ হাতেৰে চাবোন সানি দিলে। কাপোৰ পিন্ধাই দিলে।

তথাপিও পিছদিনা পম্পাৰ স্কুললৈ গৈ ভাল নালাগিল। গাড়ীখন কাৰখানাৰ পৰা ঘূৰি নহা পৰ্যন্ত যে ভাল লাগিব তাৰ আশা নাই। সঁচাকৈয়ে কালি জানো তাই কম অপদস্থ হৈছে? গাড়ীখনে কোনোমতে ষ্টাৰ্ট নললে। ছোৱালী বিলাকে হাঁহিব ধৰিলে। খং উঠি তাই খোজকাঢ়িয়েই আহিছিল। লগে লগে টুলুও আহিব ধৰিলে। ঠিক টুলুহঁতৰ ঘৰৰ ওচৰ পাওঁতেই অতিপাত বৰষুণ। নিৰুপায় হৈ টুলুহঁতৰ ঘৰত সোমাব লগা হ'ল। ঘৰটো চাব লগা হ'ল। ঘৰৰ সকলোৰে লগত কথা-বতৰা হব লগা হ'ল। গাড়ীখনে ষ্টাৰ্ট লোৱা হলে এইবোৰ একোৱেই নহলহেঁতেন।

গতিকে গাড়ীখন কাৰখানাৰ পৰা ননালৈকে পম্পাই স্কুললৈ নাযাও বুলি ভাবিলে।

পম্পাৰহে স্কুললৈ যাবৰ মন নাই, কিন্তু স্কুলখন পম্পাৰ পিনে আগুৱাই আহিল। টুলুৰ ৰূপত আগুৱাই আহিল। আজি যে টুলু আহি হাজিৰ হব এই কথা কোনে জানে? তাতে আকৌ টুলুৱে ফুৰিব অহা নাই স্কুলৰ প্ৰতিনিধি হৈ আহিছে।

ঃ স্কুললৈ যোৱা নাই কিয় পম্পা? লাহেকৈ দুৱাৰৰ ওচৰত থিয় হৈ টুলুৱে জোতা খুলি খুলি ক'লে ঃ অসুখ হৈছে নেকি?

ঃ নাই, অসুখ হোৱা নাই। ওলোটাই পম্পাই প্ৰশ্ন কৰিলে ঃ এদিন নগলো, ইচ্ছা যোৱা নাই। জোতা কিয় খুলিছ, পিন্ধিয়েই সোমাই আহ। টুলুৱে সঙ্কোচেৰে খোজ আগবঢ়াই ক'লে ঃ কাৰ্পে-টৰ ওপৰত জোতাৰ ধূলি জানো নালাগিব?

পম্পাই খিলখিলাই হাঁহি ক'লে ঃ জোতাৰ বাবেইতো কাৰ্পেট। তই কি যে আকৰী।

টুলুৱে অস্বীকাৰ নকৰিলে।

খোলা হাঁহিৰে জনালে তাই ক্ৰমে ক্ৰমে এইদৰে কাৰ্পেট পৰা দেখা নাই। তাইৰ এজনী পেহীয়েকৰ ঘৰত গাদী থকা চকী আছে, কিন্তু কাৰ্পেট নাই। তাৰ পিছত তাই হঠাৎ সুধিলে ঃ দুটা কোঠাটেইতো মজিয়াত কাৰ্পেট পৰা আছে, গৰম পৰিলে তহঁতৰ মাৰে ক'ত শোৱে?

পম্পা অসম্ভৱ আচৰিত হ'ল।

তাই বিস্ময়েৰে ক'লে ঃ গৰম পৰিলে ফেন চলায়। মানুহে আকৌ মাটিত শোৱে নেকি? তহঁতৰ ঘৰত কিজানি ফেন নাই?

টুলুৱে শান্তভাৱে প্ৰতিবাদ জনাই ক'লে ঃ নাথাকিব কিয়? প্ৰত্যেকটো কোঠাতেই আছে। মা, পেহী, আইতা সকলোৱে কয়, মাটিত নুশুলে হেনো শৰীৰ শীতল নহয়। আমাক শুব নিদিয়ে, ঠাণ্ডা লাগিব। জান, ইমান ইচ্ছা যায়।

পম্পাই তাইৰ কথাত কৌতুকবোধ কৰিলে। মাটিত, ভৰিৰ তলৰ ধূলিত শুবলৈ মানুহে ইচ্ছা কৰে। এয়া যে অসম্ভৱ হাঁহি উঠা কথা।

হাঁহি উঠা কথা বুলি টুলুৱেও হাঁহিব ধৰিলে।

চাৰিওপিনে মাখোন পুতলা, ফুলদানী, সজোৱা ৰঙা মাছ, ফুল গছ। এইবোৰৰ মাজত থাকিবলৈ পম্পাহঁতৰ অস্বস্তি নালাগে নেকি? খোজকাঢ়ি ক'ৰবালৈ যাবলৈ পম্পাহঁতে ভয় কৰে নেকি? শেষত টুলুৱে ক'লে ঃ ঘৰতো সকলো সময়তে জোতা পিন্ধি থাক? তহঁতৰ মাৰেও পিন্ধে?

পম্পাই হাঁহি ক'লে ঃ ক'তনো এয়া জোতা? এয়া দেখোন চেণ্ডেলহে।

টুলুই অপ্ৰতিভভাৱে হাঁহি ক'লে ঃ চেণ্ডেলকতো জোতা বুলিয়েই কব পাৰি। আচলতে ভৰিত ঘিয়েই পিন্ধা যায় সেয়াই জোতা।

পম্পাই ঠাট্টাৰ সুৰত ক'লে ঃ যেনেকৈ মোজা, খৰম ইত্যাদি।

তথাপিও টুলুই সকলোবোৰ দেখি কয়, কি সুন্দৰ। তাইৰ খোৱাৰ টেবিলখন দেখি আটাইতকৈ ভাল লাগিল। ঃ ঠিক চিনেমাৰ দৰে লাগিছে পম্পা। সদায় তহঁতে ছুৰি কটাৰীৰে খাব? অসুবিধা নহয়?

এইটো চুবুৰীৰ সকলোবোৰ ছোৱালীয়েই টুলুৰ দৰে আজলী নহয়। আচৰিত হলেই যে বিস্ময় প্ৰকাশ কৰিব লাগে; প্ৰকাশ কৰা মানেই যে সকলো খোলা হৈ যায়, সেই কথা সিহঁতে খুউব ভালদৰে জানে। যিটো বস্তু জীৱনত দেখা নাই, সেই বস্তুটো দেখিলে কয়, কিমানবাৰ দেখিছো।

সিহঁতে সকলো কথাতে টুলুৰ দৰে আচৰিত নহয়। সিহঁতে ইপিনে সিপিনে বহুত কিবাকিবি দেখি অভিজ্ঞ, টুলুৱেহে নাজানে।

কাৰণ টুলুহঁতৰ ঘৰখন অলপ বেলেগ ধৰণৰ।

টুলুহঁতৰ ঘৰত প্ৰতিষ্ঠিত মূৰ্তি আছে। নিতৌ তাৰ সেৱা। সন্ধিয়া সিহঁতৰ ঘৰত যি শব্দ হয়, সেই শব্দ আৰতি, ঘন্টা-কাঁহিৰ শব্দ। সিহঁতৰ তিনিকূলৰ সকলোৱেই বৈষ্ণৱ। টুলুহঁতৰ

ঘৰত মাংস নানে; ডাঙৰ বিলাকৰ কোনোৱে মাছ নাখায়। সেয়েহে টুলুৰ বাবে পম্পাহঁতৰ ঘৰখন এখন বেলেগ জগত।

টুলুই মুগ্ধ আৰু অবাক হৈ কৈছে ঃ নিতৌ তহঁতে এইদৰে টেবুলত ফুল সজাই, ইমানবোৰ কাচৰ বয়-বস্তু সজাই কাটাচুৰীৰে খাৱ? অসুবিধা নহয়?

তাৰ পিচত এটি লাজকুৰীয়া হাঁহিৰে সৈতে কৈছিল ঃ মই কিন্তু হাতেৰেই খাম।

গতিকে পম্পাৰ হাঁহিত পেট নিবিষাৰ কিয়?

কিন্তু কোনে ভাবিছিল, মাত্ৰ পেটেই নহয় টুলুই বুকুতো বিষ তুলিব পাৰে। ছুৰী লব নজনাটো ভুল। জানে। কিন্তু প্ৰয়োগ পদ্ধতিহে বেলেগ। সেয়েহে ছুৰীখন নিজৰ মুখৰ ওচৰত নিনি বান্ধৱীৰ বুকুত বহুৱাই দিছিল।

নন্দিতাই টুলুক খাবলৈ দিছিল, নিজেই সোণালী পিয়লাত চাহ বাকি দিছিল। 'খোৱা খোৱা' বুলি যত্নও কৰিছিল। খোৱাৰ অন্তত কৈছিল ঃ যোৱা ড্ৰইংৰুমত বহাগৈ।

বান্ধৱীৰ মাকৰ নিৰ্দেশ পালন কৰি টুলু ড্ৰইংৰুমত বহিল। কিন্তু বহাৰ লগে লগে ছুৰীখন বান্ধৱীৰ বুকুত বহুৱাই দিলে।

ঃ তই কেনে অসভ্য পম্পা? তহঁতৰ দেউতা নাই বুলি মিছাকৈ কৈছিলি কিয়?

পম্পাই থতমত খাই গ'ল।

পম্পাই আচৰিত হৈ টুলুৰ পিনে চালে।

পম্পাই অকস্মাত টুলুৰ মস্তিষ্কৰ সুস্থতা সম্পৰ্কে সন্দিহান হৈ পৰিল। তথাপি কঠিন সুৰত কৈ উঠিল ঃ মিছাকৈ কৈছো মানে?

ঃ মিছা নহয়নো কি? টুলুৱে আকৰীৰ দৰে হাঁহি ক'লে ঃ তহঁতৰ যদি দেউতা নাই তেনেহলে তহঁতৰ মা সধবা হ'ল কেনেকৈ?

ঃ সধবা! সধবা মানে কি? খঙৰ সুৰত পম্পাই প্ৰশ্নটো কৰিলে।

টুলুই এই উত্তাপৰ অৰ্থ বুজি নাপালে। টুলু বয়সতকৈ বহুগুণে নিৰ্বোধ। তাই ভয়ে ভয়ে ক'লে ঃ সধবা মানে নাজান? যিয়ে শাড়ী পিন্ধে, মাছ খায়, তোৰ মাৰেওতো—

পম্পাই ভাবিলে, টুলুৰ গালত চৰ এটাকে শোধাব নেকি? নে তাইক ঘৰৰ পৰা বাহিৰ কৰি দিব? পম্পাই দুটাৰ এটাও কাৰ্য্যত পৰিণত নকৰিলে। হঠাৎ তাইৰ হাঁহি উঠিল। এই হাঁহিৰ সুৰটো কিজানি পম্পাই মাকৰ পৰাই নকল কৰিছে।

কেনেকৈ অনুকৰণ কৰিলে?

নন্দিতাৰ ভাড়াঘৰৰ মালিকে যেতিয়া ভাড়া বিচাৰি আহে, নন্দিতাই জানো এইটো সুৰতেই নাহাঁহে। হাঁহি হাঁহি লাহেকৈ কয় ঃ আপুনি দেখোন সম্পূৰ্ণ নীতি-নিয়ম মানি চলা ভাড়াঘৰৰ মালিক হৈছে। নিব মহাশয়, ভাড়া নিব। অলপ ধৈৰ্য্য ধৰক। অহা মাহত একেবাৰে তিনি মাহৰ ভাড়াই লব। বেঙ্কৰ ড্ৰাফট্খন নহাতহে মস্কিলত পৰিছো।

হাঁহিৰেই নন্দিতাই কথা শেষ কৰে।

মাকৰ সেই হাঁহিটো পম্পাই অনুকৰণ কৰিছে। মাকৰ দৰেই তাই ক'লে ঃ উৰা! এতিয়াও দেখিছো তই পুৰণি যুগতেই পৰি আছ টুলু। একেবাৰে ধাৰ্মিক মহিলা। এইবোৰ বেয়া নিয়ম এতিয়াও আছে নেকি? এজনৰ মৃত্যু হৈছে বুলিয়েই জানো আনজনে চিৰকাল একো নাখাব? ইয়াৰ কিবা অৰ্থ আছে নেকি? মায়েতো মুগীয়ো খায়।

টুলু হঠাৎ থিয় হ'ল।

যেন পম্পাৰ এই সাংঘাতিক ধৰণৰ উপহাসত বেছিকৈ ভয় খালে। সেয়ে লৰালৰিকৈ ক'লে ঃ আচ্ছা এতিয়া যাওঁ দেই। দেৰী হ'লে মায়ে--

দেৰী হলে মাকে কি কৰিব, সেই কথাষাৰ শেষ নকৰি টুলুই একেবাৰে দুৱাৰৰ বাহিৰত আহি উপস্থিত হ'ল।

সেয়েহে পম্পাই বান্ধৱীক আগবঢ়াই দিবলৈ দুৱাৰমুখ পালেহি। টুলুৰ সেই ভয়খোৱা মুখখনৰ পিনে হাঁহিমুখে দৃষ্টি নিক্ষেপ কৰি টুলুৰ দৰেই ক'লে ঃ আকৌ আহিবি।

হয়তো টুলুৰ ভয়টোক তন্নতন্নকৈ উপভোগ কৰিবলৈকে পম্পাই আকৌ মাতিলে।

টুলুই ইমানকৈ বুজি নাপায়। তাই এটি গুকান হাঁহিৰে ক'লে ঃ মইতো আহি গলোৱেই। এইবাৰ তই যাবি---

এই কথাখিনি শুনিবলৈ পাব বুলিয়েই পম্পাই আশা কৰিছিল। ইয়াত বাদে তাই আৰুনো কি শুনিব? টুলুৰ কথাখিনি শুনাৰ লগে লগে পম্পাৰ মুখখন অদ্ভুতভাৱে সলনি হ'ল। পোহৰখিনি জুইলৈ ৰূপান্তৰিত হল আৰু জুইৰ উত্তাপ তাইৰ কথাৰ সুৰত ওলাই আহিল ঃ ইস! আকৌ যাম! কি কাৰণত যাম? তহঁতৰ ঘৰত যাবলৈ মোৰ ঘিণ লাগে, বুইছ? খুউব ঘিণ লাগে---তোৰ মাৰক দেখিলে ঘিণ লাগে, তোৰ আইতাক ঘিণ লাগে, মাটিত আসন পাতি প্ৰসাদ খাবলৈ ঘিণ লাগে। তহঁতৰ সকলোবোৰেই মোৰ ঘিণ লাগে। হ'লতো? আৰু যাবলৈ কবি?

নাই, টুলুৱে আৰু যাবলৈ নকয়। কাৰণ টুলুৱে সকলো কথা শুনিব নোৱাৰিলে। বান্ধৱীৰ ঘৰৰ দুৱাৰমুখৰ পৰা তাই উৰ্দ্ধশ্বাসে পলাই গ'ল। হয়তো ঘৰলৈ গৈ নিশ্বাস লব। শেষৰ কথাখিনি নন্দিতাই শুনিলে। পম্পাই জোৰেৰে কোৱা কথাখিনিত আচৰিত হৈ তেওঁ বাহিৰ ওলাই আহিল। শুনি আচৰিত হৈছিল। এনেকৈ অসভ্যৰ দৰে পম্পাই কিয় কথা কৈছে! পম্পা পাগলী হৈ গ'ল নেকি? এয়া কেনেকুৱা ধৰণৰ অসভ্যালী।

কাষত থিয় হৈ নন্দিতাই প্ৰশ্ন কৰিলে ঃ তুমিও ইমান অসভ্য হলা পম্পা? বান্ধৱীক আদৰ-যতন কৰি শেষত এইদৰে বেয়াকৈ পালি পাবিলা কিয়? ইয়াৰ অৰ্থ কি?

পম্পাই খঙৰ সুৰত ক'লে ঃ মোৰ ইচ্ছা গৈছে কাৰণে কৈছো।

নন্দিতাই এনে ধৰণৰ অহঙ্কাৰক অঙ্কুৰতেই বিনষ্ট কৰিব বিচাৰে। সেয়েহে কঠিন সুৰত ক'লে ঃ নাই, মই তোমাক এনেদৰে অসভ্যালি কৰিবলৈ দিব নোৱাৰো। ছি, ছি, তাই এজনী তেনেই আজলী ছোৱালী। তোমাৰ এই স্বভাৱটোক বাঢ়িবলৈ দিয়া উচিত নহব। বান্ধৱীজনীক এনেদৰে অপমান কৰাৰ কোনো অৰ্থ নাই।

পম্পাই মাকক ঠেলি কোঠাৰ ভিতৰলৈ সোমাই আহিল। পম্পাই ধূলি-বালি ভৰা মজিয়াত বহি খং আৰু অভিমানৰ সুৰত ক'লে ঃ তাই যেতিয়া মোক কৈছিল তেতিয়া হবলা তাইৰ কোনো দোষ নহল। তাইক বেয়াকৈ কৈয়েই মই ভাল কাম কৰিছো।

নন্দিতা আচৰিত হ'ল।

কাৰণ নন্দিতাই পম্পাক বান্ধৱীৰে সৈতে কথা পাতিব পঠিয়াই দি তাহাঁতৰ আলোচনাখিনিতো শুনিয়েই আছিল। এই আজলী ছোৱালীজনীয়ে বেয়াকৈ কোৱা কোনো শব্দইতো তেওঁৰ কাণত পৰা নাছিল। সেয়েহে আচৰিত হৈ ক'লে ঃ কি, তাই কিবা কৈছে?

ঃ যিমান মন যায় তাকেই কৈছে--তহঁতৰ সকলো ঘিণলগা, তহঁতৰ ঘৰখন ঘৃণনীয়, তোৰ মা বিধবা তথাপিও শাড়ী পিন্ধে, গহনা পিন্ধে, মাছ খায়, তহঁত মানুহ নহয় চিনেমাৰ ছবি, নাইলনৰ পুতলা---

নন্দিতাই এই নুশুনিবলগীয়া সংবাদত আচৰিত হৈ পৰিল। কঠিন সুৰত ক'লে ঃ তাই এইবোৰ কৈছে? কেতিয়া কৈছে? মোক এবাৰো মাতিব নোৱাৰিলি? ইমান সৰু ছোৱালীজনী ইমান দুষ্ট।

পম্পা বহাৰ পৰা উঠি থিয় হ'ল।

হঠাৎ তাইৰ কথাৰ সুৰ সলনি হ'ল। সলনি হ'ল চকুৰ দৃষ্টি। মাকৰ পিনে চাই তাই ক'লে ঃ দুষ্ট হব কিয়? সত্যবাদী। তাইতো ঠিকেই কৈছে।

নন্দিতাই তেওঁৰ ফ্ৰক পিন্ধা বাধ্যবিনীত সৰু ছোৱালীজনীক গালি পাৰিব নোৱাৰিলে। একোৱেই কব নোৱাৰিলে। পম্পাৰ পিনে শেঁতা দৃষ্টিৰে চাই ৰ'ল। সৰু ছোৱালীজনীৰ চকুৰ মাজত নন্দিতাই ডাঙৰ ছোৱালীজনীৰ চকুদুটা দেখিবলৈ পালে।

হঠাৎ নন্দিতাই ধূলিৰে ভৰা মজিয়াখনতেই বহি পৰিল। ০০০




অধ্যাপক শ্ৰীমতিৰাম মেধি

ৰমেনৰ ভনীয়েকৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰখন পাই পৰমাৰ মনটো যেন জাঙুৰ খাই উঠিল। আজি অফিচৰ কোনো কামতে সি মন বহুৱাব পৰা নাই। সোনকালে অফিচাৰৰ ওচৰত দুদিনীয়া চুটীৰ আবেদন মঞ্জুৰ কৰাই গাঁৱলৈ বুলি ওলাল। সুদীৰ্ঘ দহটা বছৰৰ মূৰত আজি গাওঁ বুলি ওলাইছে, তাতেই আকৌ বন্ধুৰ ভনীয়েকৰ বিয়া-- এক অনিৰ্বচনীয় তৃপ্তিত সি ভাবাক্ৰান্ত হৈ পৰিল। প্ৰয়োজনীয় বস্তু-বেহানী ঠিক-ঠাক কৰি এটা সময়ত নিৰ্দিষ্ট বাছখনত যাত্ৰা কৰিলে পৰমাই। দহোটা বসন্তৰ (বছৰৰ) আগতে অকণমান কথাতে ঠেহ্-পতা, চিঞৰ-বাখৰ কৰা আৰু চকীত বহি থাকোঁতে তাৰ গলত বাদুলী ওলমা দি ওলমি থকা ৰমেনৰ ভনী 'মালতীৰ' ছবিখন তাৰ দুচকুৰ আগত স্পষ্ট হৈ ভাহি উঠিল। কপালত জিলিকি উঠা দগ্‌মগীয়া সেন্দুৰৰ ফোঁট, নাকৰ আগলৈকে ওলমি পৰা ঘিঁ ৰঙৰ ওৰণী, নাক-কাণ আৰু দুহাতৰ শোভাবৰ্দ্ধন কৰা অলঙ্কাৰ আৰু সুন্দৰ সাজেৰে পৰিহিতা সেই সৰু মালতীজনী ন'-কইনাৰ ৰূপেৰে তাৰ আগত যেন দেওদিহে ফুৰিছে।

ঠিক লক্ষ্যস্থান পোৱাৰ আগতেই সূৰ্য্যদেৱতাই দিনটোৰ শেষ পোহৰখিনি সিচি পৃথিৱীৰ পৰা বিদায় মাগিলে। বাছৰ পৰা নামিয়েই তাৰ সন্দেহ হ'ল--ভুল কৰি নমা নাইতো? এইখনচোন একেবাৰে 'টাউনৰ' দৰেই লাগিছে। আগৰ দোকান-পোহাৰবোৰ এতিয়া বেচ ডাঙৰ হ'ল। দোকান ঘৰৰ চালবোৰত টিন্‌পাত উঠিল। আলু-কচু, শাক-পাচলি, মাছ-মাংসকে ধৰি ব্যৱসায় কৰা মানুহবোৰৰ মুখকেইখন তাৰ বহুদিনৰ চিনাকি মুখ। চ'কটোৰ এটা প্ৰান্তৰত হৰেকৃষ্ণৰ পাণ-দোকানখনত ভালেকেইজনে ছিটিবাছত ওলমি যোৱা যাত্ৰীৰ দৰে বহি কথা পাতিছে। তাৰ

মনটো খুব ভাল লাগিল—মানুহখিনিৰ ব্যৱসায়িক সম্প্ৰীতিকণ উপলব্ধি কৰি। "এদিনীয়া মানুহে আঁতৰৰ পৰা লক্ষ্য কৰিলে, চিমিক-চামাককৈ জ্বলি থকা বিজুলী বাতিবোৰেই ঠাইখিনিক নিশ্চয় টাউন বুলি ভবাৰ ইঙ্গিত দিব।" কাৰণ পৰমা-হঁতৰ সৰুকালিত, স্কুলত পঢ়া দিনত বিজুলী বাতি কিবা এবিধ ভয়ানক বস্তুৰ দৰেহে আছিল।

--"তই কেতিয়া আহি পালিহি পৰমা? একে ঠাইতে বৈচোন কিবাবোৰ ভাবি আছ?" কৰিমৰ কথাষাৰতহে তাৰ তৎক্ষণাৎ মনত পৰিল বৰ্তমান সি নিজৰ ঠাইত। কৰিমৰ দুই ওঁঠত বিয়পি পৰা সুন্দৰ হাঁহিটোত বাল্যবন্ধুৰ স্পষ্টতা। দুহাতেৰে কৰিমৰ গাটো সাৱতি ধৰি খবৰ আদান-প্ৰদান কৰি পৰমা আগবাঢ়িল বিয়াঘৰ বুলি। বিগত বছৰকেইটাৰ ব্যৱধানত ঠাইখিনিৰ সুন্দৰ সৌষ্ঠৱ এটি তাৰ চকুৰে মুখে চুই গ'ল। নতুনকৈ প্ৰতিষ্ঠা হোৱা চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু মানুহখিনিৰ সমন্বয়ে তাক গৌৰ-বান্বিত কৰি তুলিলে। এই গৌৰৱ তাৰ ওপজা ঠাইৰ। গৌৰৱ তুলনাৰ পৰাই ওপজে। জীৱি-কাৰ নামত সি কেৰাণীগিৰি কৰা সেই চহৰখনক বহুত ডাঙৰ বুলি ভাবিলেও, নিশ্চয় কব লাগিব এইখন ঠাইবো বহুত উন্নতি হ'ল। ঘৰে ঘৰে ল'ৰা-ছোৱালী স্কুল কলেজত অহা-যোৱা কৰিছে। উচ্চ শিক্ষাৰে শিক্ষিত হৈ অনেকে ইয়াৰ পৰাই ওলাই গৈছে। এতিয়া তাৰ গাওঁ জকাইচুকীয়া 'পাভমাৰী' গাওঁ নহয়, উন্নত পাভমাৰী গাওঁ। দহটা বছৰৰ আগতেই এই গাওঁ এৰি সি তাৰ একমাত্ৰ মাকৰ সৈতে সেই চহৰৰ এচুকত থিতাপি লৈছে যদিও সৰুকালৰ মধুৰ স্মৃতিত পৰমা যেন আপ্লুত হৈ পৰিল। লগৰ সমনীয়াৰ সৈতে সাতুৰি নাদুৰি ফুৰা সেই পাভমাৰী বিলখন, ঘনাই বুঢ়াৰ আমজোপা, চাৰুনিত জুইৰ ফিৰিঙতি ওলোৱা চম্পা মাষ্টৰ আৰু স্থানান্তৰত বেচি থৈ যোৱা সিহঁতৰ ঘৰৰ ভেটীটো আন্ধাৰৰ মাজেদিয়ে পৰমাৰ চকুহালে বিচাৰিলে। আৰু প্ৰায় একফাৰ্লং দূৰতেই তাৰ বন্ধু ৰমেনৰ ঘৰ। আজি ৰমেনৰ ভনীয়েক মালতীৰ বিয়া; তাতেই বহুদিনৰ মূৰকত গাঁৱৰ আটাইবোৰকে একেঠাইতে পাব। কনক, ভাবি-হঁতে বিলাই দিয়া বিয়াঘৰৰ চাহ জলপান খাব আৰু কইনাৰ সাজত গহীন গম্ভীৰ ভাৱে আগবাঢ়ি আহি থকা মালতীৰ হাতত উচৰ্গাৰ নামত লৈ অহাখিনি সন্তৰ্পনে গুজি দি সি কব "যা মালতী! ভালদৰে চলিবি, নতুন ঘৰখনৰ সকলোকে মৰম বিলাই আপোন কৰি লবি।"

লাহে লাহে বিয়াঘৰৰ হাই-উৰুমি, বেনপাৰ্টি, মাইকৰ চিঞৰ-বাখৰৰ মাজত পৰমা সোমাই পৰিল। কেইটামান ল'ৰা-ছোৱালীয়ে দৌৰি আহি কোনোবা সম্বন্ধীয় যেন ভাবিয়েই সি লৈ অনা বস্তুবোৰ হাতৰপৰা প্ৰায় কাঢ়ি নিয়াৰ দৰে নি ভাবসাম্য কিছু কমাই দিলে। সমনীয়া বন্ধুবোৰে এটা এটাকৈ আগবাঢ়ি আহি তাক প্ৰায় আদৰি নিয়াৰ দৰেই নি ৰভাৰ তলতে চকী এখনত বহুৱাই দিলে। সি মাত্ৰ এফালৰ পৰা উত্তৰ দি গৈছে, সি কেতিয়া আহিল, কেনেকৈ আহিল, কিমান দৰমহা পায় ইত্যাদি। তাৰ কথাবোৰ সকলোৱে সাধু শুনাদি শুনিলে। দুই এজনে কোৱা কুই কৰিলে--"পৰমা যেন নলগা হৈছে অ' ইয়াক, বাহিৰত চাকৰি-বাকৰি কৰি নিচিবই নোৱাৰা হৈছে।" তাৰ চিনাকি-অচিনাকি সকলোৱে বেঢ়ি লৈ যেন তাক আচৰিত বস্তুৰ দৰে কৰিলে। চাহ কাপ মুখত লৈ সি লক্ষ্য কৰিলে--পুতুনী আবুৱে খৰাহীটোত একমনে তামোল-পান কাটিছে, মনেশ্বৰে নিমন্ত্ৰিত মানুহবোৰৰ অভ্যৰ্থনা কৰি কামতকৈ কথা বেছি কৈছে। ইফালে 'পুৰুহিত' বামুণে মানুহৰ ভীৰ বেছি নহওতেই গোসাইৰ লেঠা মাৰি থব খুজিছে। পঢ়া-শুনা কৰা ল'ৰা-কেইজনেও কোনোৱে লংপেন্ট বা কোনোৱে 'লুঙি' জাতীয় দুই এখন পিন্ধি মুখ চিনিব নোৱাৰাকৈ ডাঁৰি-চুলি ৰাখি বিভিন্ন কামত ব্যস্ত হৈ পৰিছে।

ভালেকেইজনী ছোৱালীয়ে 'মেক্সীজাতীয়' চোলাবোৰ পিন্ধি পিবালীত বিয়া গীত জুৰিছে। বিয়াৰ সকলো খোৱা-বোৱাক চেৰ পেলাই ল'ৰা বুঢ়া সকলোৰে ৰাবে 'চাধা খোলাই' শীৰ্ষস্থান পাইছে, মলা ধপাত নহলে এখন্তেক থাকিব নোৱাৰা মধু আতাইয়ো হালধীয়া কাগজেৰে কঁকাল বন্ধা চিগাৰেট হোঁপাত হে অধিক ব্যস্ত হৈছে। হিন্দী গীত-মাতেৰে পুষ্ট মাইকটোৱে যেন অসমীয়া সংস্কৃতিৰ আগভাগ লবহে বিচাৰিছে।

এনেতে বিয়াঘৰত গুজৰৰ উঠিল। হাজৰিকা বাবু আহিছে। অঞ্চলটোৰ 'ডাঙৰ মানুহ' হাজৰিকা বাবু সোমাই আহি ৰভাঘৰৰ চকী এখনত বহিল। পৰমায়ো আন সকলোৰে লগত সন্মান জনালে হাজৰিকাক। কি খবৰ ডেকা ল'ৰা। উত্তৰ দিবলৈ নাপাওঁতেই পৰমাৰ পিনে চাই হাজৰিকাই আৰম্ভ কৰিলে--বুইছা! বহু চেষ্টা কৰিহে এইখিনি কৰালোঁ। অতীত, ভৱিষ্যত, বৰ্তমান সকলোখিনি মিলাই মানুহজনে এটি দীঘলীয়া ভাষণ দিলে--ৰাইজে চাৰিওফালে বেৰি ধৰি তেওঁৰ কথাবোৰ নিৰ্দিষ্ট বক্তাৰ ভাষণ শুনাদি শুনিলে। পৰমাও ব্যতিক্ৰম নহ'ল। ইতিমধ্যে হাজৰিকাক অভ্যৰ্থনাৰ বাবে আহ্বান জনালে আৰু পৰমাই মহা ঠাইতে জলপান পৰ্ব আৰম্ভ কৰিলে। এনে সময়তে ৰমেনে পৰমাক কামৰ হেচাঁত তাক সোনকালে দেখা দিব নোৱাৰাৰ বাবে মাফ বিচৰাৰ চলেৰে দুহাতে সাৱতি ধৰি দহ বছৰীয়া মৰম চেনেহবোৰ তাৰ গায়ে-মূৰে জাপি দিলে। লগতে ভনীয়েকৰ বিয়াৰ বকলা মেলি কলে--"বুজিছা পৰমা! বিয়া পতা বৰ টান কাম হৈ পৰিছে; ভনীজনীৰ বিয়াত মই দেখিছোঁ বাৰুকৈয়ে দুৰ্বল হৈ পৰিলোঁ। ফাণিচাৰ, যৌতুক, অলঙ্কাৰ, এইবোৰ আমাৰ দৰে গৰীবে আজি-কালি সাগৰ যেন দেখো।" পৰমাই লক্ষ্য কৰিলে ৰমেনৰ চকুহাল যেন সেমেকি উঠিছে। কঁপা মাতেৰে ৰমেনে কলে--"জানা পৰমা! তাতোকৈ বেয়া লাগিছে মালতীক ঘৰৰ পৰা উলিয়াই দিবলৈ।"

সি তৎক্ষণাত ৰমেনক সান্তনা দিবলৈ বুলি তাৰ মুখৰ কথাখিনি কাঢ়ি অনাদি আনি কলে-- "গাভৰু ছোৱালী থাকিলে বিয়া দিয়াটো চিৰন্তন নিয়ম। তাত তই দুখ কৰি লাভ নাই। মালতীয়ে কিমানলৈকে পঢ়া-শুনা কৰিছিল অ'?

--"নৱম মানলৈকে। যোৱাবাৰ পৰীক্ষাতহে বহিব নোৱাৰিলে--ভঙা মাতেৰে ৰমেনে উত্তৰ দিলে।" ইতিমধ্যে হাজৰিকাই দৰা এজন ঠিক কৰি দিয়াত, এসপ্তাহৰ ভিতৰতেই বিয়াখন ঠিক কৰি পেলালোঁ।

পৰমাৰ ফট্‌কৈ মনত পৰিল সেই হাজৰিকা বাবু নামৰ মানুহজনলৈ। সঁচাকৈয়ে মানুহজন দীঘল হাতৰ। নহলেনো ইমানবোৰ মানুহে গোসাই মনা দিয়েনে। ইতিমধ্যে বিশেষ কামৰ অজুহাতত ৰমেন তাৰ পৰা উঠি গ'ল আৰু আন-ফালৰ পৰা জলপান পৰ্ব শেষ কৰি হাজৰিকাই পুনৰ আগৰ ঠাইখিনি দখল কৰি ললে। সাজ-পাৰ, খোজ-কাটলত মানুহজন বৰ গম্ভীৰ। হুল-হুলীয়া মাতটিৰে বিশেষ ভূমিকা লব পাৰে হাজ-ৰিকাই। বহি থকা ঠাইৰ পৰাই পৰমাৰ পিনে আঙুলি টোৱাই কলে--"তই পৰমা নহৱ নে অ'? আজি-কালি আগৰ কামটোতে আছ নে কি? ভাল হৈছে দে, তহঁতবোৰৰ দৰে ডেকা ল'ৰাবোৰ-- এই বয়সত আঁতৰত থকাই ভাল। শিকি মেলি সময়ত আকৌ ঘৰলৈ আহিবি। পিছে বুইছা! আজিকালিৰ ল'ৰা-ছোৱালী এই গঞা ৰাইজ-- বহুত বেলেগ। আগৰ এইখন গাঁৱৰেই পঞ্চাশঘৰ মানুহ দহ-পাঁচকৈ কেবাটাও খেল হ'ল। দেখিবাই এই গাওঁখনতেই তিনি চাৰিটা নামঘৰ। ৰাজহুৱা পুখুৰীটোও কেইজনমানে নিজাকৈ মাছ পোহা পুখুৰী কৰিলে। একেখন ঠাইতে স্কুল পতা, সংঘ পতাৰ প্ৰতিযোগিতা চলিছে। ফল স্বৰূপে কোনোৰে কাম সম্পূৰ্ণ হোৱা নাই। আমাৰনো কি আহে কি যায়। মুখস্থ মতাৰ দৰে কথাবোৰ

কৈ কৈয়ে এটা সময়ত মানুহজন বিয়াঘৰৰ পৰা বিদায় ললে।

পৰমাই একোকে কবলৈ সময়ে নাপালে। বাটতে ভাবি অহা মতে কনক, ভাবিবামহঁতৰ কথাবোৰ তেনেদৰেই থাকিল। সিহঁতৰ ল'ৰা ছোৱালী কেইটালৈ তাৰ মনত পৰিল, হয়তোবা মাইক, বেনপাৰ্টীৰ চিঞৰ-বাখৰ শুনি শুনি, বিয়াৰ জলপানৰ কল্পনা কৰি এতিয়াহে টোপনিত পৰিছে। সি ভাবিলে এই মানুহখিনিয়ে যদি সুকীয়াকৈ খেল সৃষ্টি কৰাতকৈ, পঢ়া-শুনাৰ কথা চিন্তা কৰিলেহেঁতেন, ল'ৰা-ছোৱালীক উপযুক্ত নাগৰিক কৰাৰ চিন্তা কৰিলেহেঁতেন। তাতে আকৌ কিছুমানে অনাহূত কথা লিবিকি বিদাৰি সাম্প্ৰদায়িকতাৰ বীজো সিচিব বিচাৰে। আমাৰ এই দুৰ্বলতা যেন সঁচাকৈয়ে বৰ্তমান সময়ত ভাবিবলগীয়া। কুৰিশতিকাৰ শিক্ষা-দীক্ষাই, জ্ঞান-বুধিয়ে, টকা-পইচাৰে মানুহ আধুনিক হ'ল, আগবাঢ়ি আহিল; কিন্তু তাহানিৰ সংঘবদ্ধ শক্তিখিনি যেন নাইকিয়া হৈ আহিছে। আন দেশৰ মানুহে যেন আমাৰ এই দুৰ্বলতাৰ সুযোগ লৈছে।

ভাত খাবলৈ আহা পৰমা! ৰমেনৰ মাক খুড়ীদেউৰ মাতযাৰত তাৰ তন্দ্ৰা ভাগিল। ৰমেন আৰু তাৰ বাবে তেখেতে ভাতৰ ব্যৱস্থা কৰিছে। ভাত খাই থাকোঁতে পৰমাই ৰমেনক হাজৰিকাৰ বিষয়ে শুধিলে— উত্তৰত সি কলে--হাজৰিকা হেনো শিঙিমাৰী গাঁৱৰ ধনী, মূৰব্বী লোক। ইটো সিটো সামাজিক কাম কৰি ছয়-সাত বছৰৰ ভিতৰতে বৰ "পপুলাৰ" হৈছে। দুবাৰমান এম, এল, এতো প্ৰতিযোগিতা কৰিছিল। পৰমাৰ সন্দেহবোৰে অৱকাশ পালে। ধ্যান-ধাৰণা, কথা-বতৰাত সেইটো প্ৰকট নহলেও ঠিক সেই লাইনৰে কোনোবা বুলি তেতিয়াই তাৰ চিন্তাত ধৰা পৰিছিল। ৰমেন আৰু পৰমা সৰু কালিৰে বন্ধু। সহপাঠী। হাইস্কুলৰ অষ্টমমান শ্ৰেণীলৈকে পঢ়ি পিতৃহীন ৰমেনে একমাত্ৰ ভনীয়েক আৰু মাকৰে সৈতে কোনোমতে পৃথিৱীৰ বুকুত চলি আছে। আজি তাৰ ভনীয়েক মালতীৰ বিয়া। শোকে খুন্দা মাৰি ধৰা মুখখনে যেন ৰমেনক দিনটোৰ ভাগৰত ভোকত ভাতকিটা খাবলৈ অনুমতি দিয়া নাই।

সিহঁতে ভাতকিটা খাই কোনোমতে উঠিছেহে; আকৌ বিয়াঘৰত হুৱাদুৱা, ব্যস্ততা আৰম্ভ হ'ল। "দৰা আহি পালে।" আদৰি আনিব লাগে। মাইক, বেনপাৰ্টি আৰু আয়তীসকলে বিয়াঘৰক আনন্দ-মুখৰ কৰি তুলিলে। সৰু সৰু ল'ৰা-ছোৱালী বোৰে ফটকা আটচবাজীৰে দেৱালী পাতিলে। ৰমেনে কিন্তু ইমান সময়ে দৰাপাৰ্টি ক'ৰ সুধিব পাহৰিয়ে আছিল, আনকি ৰমেনকো। ইতিমধ্যে পদূলিৰ মুখৰ পৰা দৰা আদৰি আনিবলৈ বুলি কইনাৰ মাক ব্যস্ত হৈ পৰিছে। বৰঘৰৰ বেৰৰ জলঙাৰে কইনাৰূপত থকা মালতীয়ে হিয়াঢাকুৰী কন্দা শব্দবোৰ তাৰ দুয়োকাণে সোমাল। বেছেৰীলৈ তাৰ বৰ পুতৌ লাগিল। সম্ভৱতঃ মাক দেউ-তাকলৈ আৰু দাদাকলৈ মনত পৰিছে। সি কিছু-সময় নীৰৱে থাকি দৰাঘৰৰ মানুহবোৰ বহাৰ তলীতে পৰিপাটিকৈ বহুৱাত লাগিল গ'ল। যথা সময়ত দৰা আদৰি আনি বিবাহ-মণ্ডপত বহুৱাই দিলে। চাৰিও পিনে আয়তীসকলৰ বিয়াগীতে চান্দি পেলালে, সকলোৰে লক্ষ্য পাণিগ্ৰহণ কৰিবলৈ সাজি-কাচি অহা 'দৰাজন'। কিন্তু আচৰিত! দৰালৈ লক্ষ্য কৰি পৰমা যেন হতবাকহে হৈ গ'ল। সোতৰ বছৰ বয়সৰ মালতীৰ লগত বিয়া কৰিবলৈ দৰাৰূপ লৈ অহা পঞ্চাশ বছৰীয়া হৰেন মহাজনক দেখি। যেন বিবাহ মণ্ডপত বহি থকা ৰাইজক কোনোবাই থিয়েটাৰ আয়োজন কৰি আহ্বান কৰিছে তেনে লাগিল তাৰ। এক মুহূৰ্তৰ বাবেও সি তাত থাকিব নোৱাৰি প্ৰতিবেশী এঘৰৰ বিচনা-খনত পৰি লেপখন গায়ে-মূৰে টানি ললে আৰু জ্বলি থকা বিজুলীবাতিটোৰ পিনে একেথৰে চাই চাই উপলব্ধি কৰিলে--"বিজুলীবাতিৰ পোহৰত ঠাইখন পোহৰ হৈ উঠিছে যদিও এছামৰ মনবোৰ পোহৰ হবলৈ এতিয়াও যেন বহুত বাকী। ০০০




শ্ৰীত্ৰৈলোক্য শৰ্মা
স্নাতক মহলা (বিজ্ঞান) ২য় বাৰ্ষিক।

পেহীদেউৰ ল'ৰাটোৰ বিয়ালৈ বুলি গৈছিলোঁ। বৰ জোৰ কৰি নিমন্ত্ৰণ কৰি গৈছে। হওঁতে দবাব মই মোমায়েকৰ ল'ৰা। পিছে কি হব আহ-যাহ নাই, মামা ভাগিনৰ চিনাকি নাই। ইয়াৰ গুৰিতেই হ'ল মোৰ দেউতা এজন গোড়া ব্ৰাহ্মণ আৰু তেখেতৰ ভাগিন স্বয়ং দবা হ'ল উত্তম জাতৰ কেম্বেল হাঁহৰ বা আমাৰ দেশী গৰুৰ পেটত হোৱা জাচি গৰুৰ পোৱালিৰ দৰে। মোৰ পেহীদেউৱে ওৰফে ৰাতিপুৱা শুই উঠিয়েই তপ-জপ কৰা মোৰ দেউতাৰ ভগিনিয়ে 'পলুৱাই নিলেহে পুৰুষ বুলিম তোক!' বুলি সূদিৰৰ ল'ৰা এটাৰ লগত ঠেহ পিটি গুচি গৈছিল। সেই সময়ত আকৌ জাত-পাতৰ বৰ বিচাৰ। আমাৰ বংশৰ আটায়ে চৈধ্যপুৰুষ বৌ বৌ নৰকত ভুগিল বুলি কপালত থপৰিয়াইছিল। কোনো কোনোৱে তুলি ধৰিছিল—'এৰা, ছোৱালী মানেই কাল!' পিছে পেহীদেউৰ যেনিবা কপাল ভাল আছিল। দেউতাই জাত যোৱা ছোৱালী এজনী মোৰ ঘৰত কেলেই সুমুৱাম বুলি ঘূৱাই নানিলে বা কেচ ফেচো নিদিলে।

পেহাদেউৰ আঁচল ঘৰ আমাৰ ঘৰৰ তিনি মাইলমান পশ্চিমে। জাতত সূদিৰ। পেহাদেউ আমাৰ জিলাৰ উত্তৰ অঞ্চলৰ কোনো এখন চাহ বাগানত এটা সৰু চাকৰি কৰিছিল। তেতিয়াই পেহীদেউৰ লগত মনৰ আদান প্ৰদান। চাকৰিটো গজগজীয়া হোৱাৰ পিচত এদিন পেহীদেউক পলুৱাই নি তাতেই নিগাজিকৈ থাকিব ললে। এটা

সৰু চাকৰি, পেট পুহিব পৰা বিধৰ। পিচলৈ পেহীদেউৰ তিনিটাকৈ ল'ৰা, দুজনী গাভৰু ছোৱালীৰে হাই উৰুমিৰে ভৰপূৰ সংসাৰ। এতিয়া পিছে বৰ ধনীও হ'ল। খেৰী সাধাৰণ চুণ দিয়া ঘৰৰ ঠাইত বংচঙীয়া পকীঘৰ হ'ল, পীৰাৰ ঠাইত ডাইনিং টেবুল হ'ল--স্বয়ং দৰা, বৰ ল'ৰা D.I. হবৰ পৰা।

দৰা মোৰ সমবয়সৰে। কলেজত পঢ়োতে হোৱা চিনাকি। সেই পৰ্য্যন্ত পেহীদেউৰ ঘৰৰ লগত আমাৰ কোনো ধৰণৰ আহ-যাহ হোৱা নাছিল। সেয়ে চিনাকিও নাছিল। পেহীদেউৰ বৰ ল'ৰা মোতকৈ এবছৰ ওপৰৰ। পঢ়াৰ ফালৰ পৰা কলেজত বৰ নাম কৰিছিল। আমাৰ দুয়োৰে কথা-বতৰা পুৰা মাত্ৰাই চলিছিল। 'সেই কেইজনীৰ কোনজনী ধুনীয়া, কোনজনীৰ দেহটো বেছি কমনীয়' আদি সকলো প্ৰকাৰ। কলেজত থাকোতেই দুবাৰমান পেহীদেউৰ ঘৰলৈ গৈছিলোঁ। বৰ আহফাল কৰি যাব লাগে। গাড়ী-গুৰা নাই। পিছে আজি সাত বছৰমান হ'ল চাকৰিৰ ব্যস্ততা, আন আন বেমেজালীৰ কাৰণে যাব পৰা নাছিলোঁ। সিদিনাখন স্বয়ং দৰাই আহি বিয়ালৈ বুলি নিমন্ত্ৰণ কৰি গ'ল।

যাহওঁক ভাগিনৰ খবৰ ইমান সহজে কোনে এৰিব পাৰে। দেউতাৰো মন কুমলিল--'ডাঙৰ ভাগিনৰ বিয়া!' নিজে নগলেও মোকেই পাচিলে--'তয়ে যা! বাকী কেইটাইনো কেনেকৈ যাব। মাৰৰ অৱস্থা দেখিছই !! এই আইধনৰ অহা মাহত পৰীক্ষা! ইটো নায়েই, ইত্যাদি।'

বিয়াৰ দিনাখন বাতিপুৱাতেই বিয়ালৈ ওলাইছিলোঁ। গাড়ীৰে নোযোৱাটোৱেই ঠিক কৰিলোঁ। দিনটোত সময়মতে এখন, তাকো পাড়ী সলাব লাগে। পালে ভালেই। নেপালে আকৌ ঘূৰিব লাগিব। আনফালে গাড়ীৰ পৰা নামিও তিনি চাৰি মাইলমান খোজ লব লাগে। শেষত ট্ৰেনেৰে যোৱা ঠিক কৰি বাতিপুৱা ট্ৰেইন ষ্টেচন পাই গম পালো--ট্ৰেইন ছ' ঘন্টা লেট্। বহু ভাবি চিন্তি পুনৰ ট্ৰেইনলৈকেই অপেক্ষা কৰিলোঁ। পিচত যেনিবা বাতিপুৱাৰ ট্ৰেইন আবেলি আহিল। ময়ো এটা ডবাত উঠি পৰিলোঁ। গোটেইখনতে খুউব মানুহ। ভিতৰ সোমোৱাই টান। মোৰ হাতত উপহাৰটি।

কোনোমতে ডবাটোৰ ভিতৰলৈ গলোঁ। গোটেই ডবাটোত কিছুমান বিজতৰীয়া মানুহ। জিভা পকাই পকাই কথা কোৱা, দীঘলকৈ সুৰ টানি কথা কোৱা আদি। ট্ৰেইনত ঘূৰি ফুৰা মানুহৰ এই বিষয়ে অভিজ্ঞতা হৈছেই। ইহঁতবোৰৰ উৎপাতত শান্তিপ্ৰিয় মানুহ অহা-যোৱা কৰাই টান। বাগেকৰ গাড়ীখনৰ দৰে ধূলিয়ে বালিয়ে ভৰি তুলি বহিব, সময়ে সময়ে গাটো খৰ্খৰ্কৈ খজুৱাব। কাষত বহিব ঘিণেই লাগে। হওঁতে মানুহে মানুহক ঘিণ কৰিব নেপায়। পিছে কি হব, সঁচা—অপ্ৰিয় সত্য।

চাধা বিড়িৰ দুৰ্গন্ধৰে উশাহ-নিশাহ লৈ দুটামান ষ্টেচন পাৰ হোৱাৰ পাছত সন্মুখৰ পেন্ট চাৰ্ট পিন্ধি নিৰৱে বহি আহি থকা যাত্ৰীজনে মোক অলপ ঠেলা-হেচা কৰি বহিবলৈ দিলে। তেখেতলৈ কৃতজ্ঞতা স্বৰূপে 'ধন্যবাদ' বুলি সুধিলোঁ--'কলৈ যাব ?'

'অমুকলৈ।' মানুহজনে অলপ ইকাট সিকাট কৰি বহি পুনৰ সুধিলে। 'আৰু আপুনি ?'

'এৰা! ময়ো তালৈকে।'

তেওঁ হাঁহি এটা মাৰি কলে--'ভালেই হ'ল লগ এটা পালো।' লগ এটা পাই মোৰো ভাল লাগিল। সেয়ে সুধিলো--ঘৰ তাতেই নেকি ?

'হয়।' অলপ বৈ মানুহজনে পুনৰ কলে--'পিছে মই ভবামতে আপুনি নিশ্চয় তালৈকে যাবহে আহিছে।'

'এৰা, ঠিকেই ধৰিছে। আলহীৰ ঘৰলৈ, বিয়া খাব।

তাৰ পিছত আমি গন্তব্য ট্ৰেইন ষ্টেচন নেপাও

মানে ইটো সিটো বহুত কথা পাতিলোঁ। চা-চিনাকি পৰ্বও হ'ল। মানুহজনে মই যাব লগা ঠাইৰ তিনি মাইলমান আগতে পাব। মানুহজন মধ্যম গঢ়ৰ। বেচ মৰম লগা চেহেৰা। ধুনীয়া যুৱক। কথাবোৰ বেছ নম্ৰ, ধীৰে ধীৰে কয়। মানুহজন অসমীয়া মুছলমান সম্প্ৰদায়ৰ। সেই অঞ্চলতে শিক্ষকতা কৰে।

অৱশেষত আমি ৰাতি ন মান বজাত নামি পৰিলোঁ। ঘিট-মিট কৰে আন্ধাৰ, সন্মুখৰ কিছু দূৰত্বলৈয়ো নেদেখি। ভাগ্য ভাল তেখেতৰ হাতত এটা টৰ্চ লাইট আছিল। দুয়ো একে লগে খোজ ললোঁ। মই যাব লাগিব পাঁচ মাইল, তেখেত যাব তিনি মাইলমান। গাড়ী, ৰিক্সা একো নাই। হয়তো থাকিলেও ৰাতি কাৰণে নেপালোঁ। মানুহজনে নামিয়েই বৰ বেগাবেগিকৈ খোজ ললে। ময়ো বেয়া নেপালোঁ। দুয়ো গৈ থাকিলোঁ।

আপুনি অকলে যাব পাৰিব জানো? নিৰৱতা ভাঙি মানুহজনেই মাত লগালে।

'নিশ্চয়, পাৰিম বুলিয়েই আহিছোঁ।'

মোৰ উত্তৰ শুনি মানুহজনে মোৰ মুখলৈ স্তম্ভিত হৈ চোৱা যেন পালো। কথাটো মই ৰাতিৰ আন্ধাৰত অনুভৱহে কৰিব পাৰিছিলোঁ।

'আগতে ইয়ালৈ আহিছেনে নাই?'

'এবাৰ আহিছিলোঁ। গাড়ীৰে, ট্ৰেইনেৰে এয়েই প্ৰথম।'

'এই ৰাস্তাৰে তেনেহলে এয়েই প্ৰথম?'

'হয়।'

'ঘৰ উলিয়াওতে দিগদাৰী নহব জানো?'

তেখেতে সহানুভূতিৰে সুধিছিল।

'ঘৰটো হেনো এই ৰাস্তাৰ দাঁতিতেই। গৈ থাকিলেই পোৱা যাব। তাতে বিয়া ঘৰত বিশেষ দিগদাৰী নহব।' মই নিশ্চয়তা দি তেখেতক কলো।

'আপোনাৰ দেখিছো বৰ সাহ। অচিন ঠাইটো ৰাতি যাবলৈ সাহ কৰে।

মানুহজনে কথাখিনি মোক ঠাট্টা কৰিয়েই কলে নে, সঁচাই কলে মই ধৰিব নোৱাৰিলোঁ। তথাপি ভদ্ৰতাৰ খাতিৰতে নুই কৰি কলোঁ—

'নহয়, নহয়, বুজিছে উপায় নাই, দিনতেই পাব লগা তাতে বিয়া আজিয়েই। নগলে নহয়।' ক্ষন্তেক ৰৈ মই পুনৰ কলো—

'আৰু দেখিছেনে ট্ৰেইনখনে আজিহে পলম কৰিবলৈ পালে।'

'ট্ৰেইনখনকনো কেলেই ইমান ভৰষা কৰিলে? সদায় লেট হয়েই।' মানুহজনে পুনৰ কিছু অভি-যোগৰ সুৰত কলে—'এদিনীয়া মানুহ। দিনে পোহৰে গাড়ীৰে পোৱাকৈ আহিব লাগে।'

মই তেখেতক বুজায় কলো যে, গাড়ীৰেও অহা এটা সমস্যা। আজি সাত বছৰ আগৰ দৰেই এখনেই গাড়ী। তাকো আন এখন গাড়ীৰে আহি ধৰিব লাগে। খোজো কাঢ়িব লাগে। ধৰিব লগা গাড়ীখন নেপালে আকৌ ঘূৰিব লাগিল।

আমি দুয়ো কিছু সময় নিৰৱে গৈ থাকিলো। মাঘমহীয়া ভাল ঠাণ্ডা এটা পৰিছিল। কোটটোৰ ওপৰৰ বুটামটোও মাৰি ললোঁ। আমি বেচ খৰকৈ গৈছিলোঁ। মানুহজনে টৰ্চটো মাৰি গৈছে। কেতিয়াবো সন্মুখৰ বহু দূৰলৈ, কেতিয়াবা বাওঁপিনে কেতিয়াবা সোঁপিনে। টৰ্চটোৱে বৰ ধুনীয়া পোহৰ দিছে। বেটেৰী গোটেই কেইটা নতুন হবলা। হয়তো টৰ্চটোও। মই অনুমান কৰিলো যে টৰ্চটো তিনিটা বেটেৰিৰ। মানুহজনৰ টৰ্চ মাৰি কেউফালে চোৱাটো এটা চখ নতুবা মানুহজন কিছু পৰিমাণে ভয়াতুৰ বুলিয়েই মই ধৰি ললোঁ।

আমি কিছু সময় নিৰৱে গৈ থাকিলোঁ। মই অনুভৱ কৰিলো মানুহজন বেচ গহীন, চিন্তাশীল। মই তেখেতক অন্ধকাৰতেই পুনৰ লক্ষ্য কৰিলোঁ। ওহো একো নেদেখি, মই তেখেতৰ মুখৰ প্ৰতিচ্ছবি-খন মনত পেলাবলৈ চেষ্টা কৰিছোঁ। মানুহজনে মাথো আগৰ দৰেই টৰ্চৰ পোহৰ পেলাই গৈ থাকিল। আকৌ সন্মুখৰ সমস্ত দূৰলৈ। এবাৰ

ৰাওফালে, এবাৰ সোঁফালে, মাজে মাজে পিচলৈ। শেষত নিৰৱতা ভাঙি তেখেতেই মাত লগালে--'ইয়াৰ পৰা সাত মাইলমান দূৰত এখন ডাঙৰ ফৰেষ্ট বিজাৰ্ভ আছে জানে নহয়।'

'ওহোঁ! নাই নেজানো। নামটোনো কি বাৰু।'

'অমুক।'

'অ'

'আপুনি তাৰমানে এই ঠাইৰ বিষয়ে বিশেষ একো নেজানে।'

'নাই নেজানো।'

আমি মৌন থাকিলোঁ। দুয়ো পুনৰ নিজ নিজ চিন্তাত বুৰ মাৰিলোঁ। ভাবিছোঁ বিয়াঘৰ পোৱাৰ কথা। কি থিক, মই গৈ পাওঁ মানে দৰাঘৰ কইনাঘৰলৈ গুচি যাবগৈও পাৰে। মই খোজৰ বেগ পাবো মানে বঢ়াইছোঁ। এই বিষয়ে মানুহজনক মই একো কব লগা হোৱা নাছিল। তেখেতে নিজেই খোজ লৈছিল। হয়তো তেখেতে মোৰ অসুবিধাৰ কথা বুজি পাইছিল, নহয়তো তেখেতৰেই পলম হৈছিল।

অ' আপুনি শৰ্মা লিখে নহয়? পুনৰ তেখেতেই নিৰৱতা ভাঙি মাত লগালে।

'হয়'

'হেৰি কথা এটা সোধো বেয়া পাব নেকি?'

'বেয়া পাবলৈ কিটো আছে। কওঁক।'

তেখেতে সামান্য হাঁহি এটা মাৰি সহজ হবলৈ চেষ্টা কৰি কলে—'মানে আপুনিও অসমীয়া,ময়ো অসমীয়া সেয়েহে। অসমখনৰ প্ৰতি আমাৰ সকলোৰে এটা মহান কৰ্তব্য আছে। পিচে বেয়া নেপাব বুলিহে।' তেখেত ক্ষন্তেক বৈ গৈছিল।

মই চিন্তা কৰিছোঁ—কিনো কব পাৰে বাৰু? মানুহজনে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি কলে--'আপুনি ভাবে নেকি যে পৰম্পৰাগত কিছুমান ধৰ্মীয় আচাৰ ব্যৱহাৰে ভিন্ন ধৰ্মী মানুহৰ মাজত সমন্বয় আনিব পাৰে?

কথাষাৰিয়ে মোক ক্ষন্তেকৰ বাবে থট্‌মট্ খুৱাদি দিলে। প্ৰকৃততে মই ইমান ডাঙৰ কথা এটা সুধিব বুলি ভবাও নাছিলোঁ। আনফালে মোৰ মনটোত কিছুমান ধৰ্মীয় গোড়ামীও আছিল। হয়তো ঘৰুৱা পৰিবেশৰ কাৰণে। সেয়ে সুধিলোঁ 'সংকীৰ্ণমনা মানে?'

'এই ধৰক, বিভিন্ন ধৰ্মাৱলম্বী মানুহৰ মাজত হোৱা আচাৰ ব্যৱহাৰ। যিবোৰ মূল্যাঙ্কণ কৰিলে উত্তৰ হয় শূন্য।'

উত্তৰটো শুনি মই কিছু চিন্তা কৰাৰ দৰে তেখেতকেই সমৰ্থন কৰি কলো--'ওহোঁ নকৰো।' প্ৰকৃততে মই প্ৰসঙ্গটোৰ পৰা হাত সাৰিবলৈহে তেনেকৈ কৈছিলোঁ। কিবা আপত্তি কৰিলেই যুক্তি তৰ্ক এখন হয় বুলি। বাটকুৰা মানুহ, দুয়োৰে উদ্দেশ্য লক্ষ্যস্থান পোৱাহে। মিছা-মিছি তৰ্কখন ভাল নেলাগে। মই যিমানেই প্ৰসঙ্গটোৰ পৰা হাত সাৰিবলৈ বিচাৰি তেখেতক সমৰ্থন কৰি উত্তৰ দিছিলোঁ বৰং তেখেতে সিমানেই উৎসাহ পোৱাৰ দৰে পুনৰ কলে--

'এই যে হিন্দু-মুছলমান, জনজাতি-অজনজাতি ভেদাভেদবোৰৰ সৃষ্টিৰ মূলতে আপুনিও, ময়ো। এই ভেদাভেদৰ কাৰণেই নগালেণ্ড, মণিপুৰ--। এতিয়া আকৌ উদয়াচল। তাৰ পিচত বিচাৰক আপুনি হিন্দু ৰাজ্য। মই বিচাৰো মুছলমান ৰাজ্য।'

'হয় আপুনি ঠিকেই কৈছে। প্ৰকৃততে জনজাতীয় ৰাইজৰ ভাষা সংস্কৃতি ৰক্ষাৰ্থে আমি যিমানখিনি কৰিব লাগিছিল, সিমানখিনি আমি তেওঁলোকক দিব বিচৰা নাছিলোঁ বা দিব পৰা নাই। কিবা এটা ভুল হৈ গৈছিল। অৱশ্যে ইয়াত ৰাজনীতিয়ে বহন নসনাও নহয়।' মই তেখেতকেই সমৰ্থন কৰি কলো।

'মই কি ভাবো জানে?'

'কেনেকুৱা বা?'

অসমত হিন্দু সংখ্যা-গৰিষ্ঠতাৰে তাহানিৰ

জম্বু দ্বীপৰ কল্পনা কৰা কিম্বা মুছলিম সংখ্যা-গৰিষ্ঠতাৰে বৃহত্তৰ পাকিস্থানৰ কল্পনা কৰা হিন্দু কিম্বা মুছলিম এই সকলক মই মগজুৰ বিকৃতি হোৱা বুলিয়েই ভাবো।

'এৰা ঠিকেই কৈছে।' কথাখিনিয়ে মোক কিছু চিন্তাত পেলালে। মনৰ ভিতৰতে চিন্তা কৰিলোঁ। 'ঠিকেই, ইয়াক নুই কৰাৰ অৱকাশেই বা ক'ত ?'

'আপুনি হিন্দু, মই মুছলমান, আমি দুয়োৰে স্ব-ধৰ্মীয় হত্যাৰ কাৰণে বুকুত হাত থৈ ঘৰিয়ালৰ চকুপানী টুকিছোঁ। সহজ সৰল মানুহখিনিৰ মাজত বিভেদৰ বীজ সিচি দিছোঁ। চিয়া-চুন্নি সংঘৰ্ষত, ইৰাক ইৰাণ সংঘৰ্ষত কিমান মুছলমানৰ মৃত্যু হ'ল অথচ তাৰ বাবে মই কি কৰিছোঁ। আপুনিয়েই বা উচ্চ হিন্দুৰ অত্যাচাৰত মৃত্যু হোৱা, ধৰ্মান্তৰ হোৱা নিম্নজাতৰ হিন্দুসকলৰ কাৰণে কি কৰিছে ! খালি স্বাৰ্থ সিদ্ধিৰ কাৰণে ধৰ্মান্ধ হৈ জাতিয়তাক পাহৰিছোঁ। অসমখনক ধ্বংস কৰিছোঁ। আমি সকলোৱেই জনা উচিত যে ভিন্ন ধৰ্মী জাতি এটাৰ জাতিয়তাহে মুখ্য, ধৰ্ম তাত গৌণ।' তেখেত বৈ গৈছিল।

মই ভাবিলো, এয়েই সুযোগ বন্ধ কৰাৰ। ক'ৰ মানুহ, ক'লৈ বা যায়, চিনা পৰিচয় নাই, একে দিনাই ইমানবোৰ কথা। C.I.D. নেকি বাৰু। হলেও মোৰ পিচত লাগি কি ডালনো কৰিব। মইতো আৰু সেইবোৰত নেযাওঁৱেই। সেয়ে সুধিলোঁ--

'হেৰি নহয় মইনো আৰু কিমান দূৰ যাব লাগিব।'

'অ', আপুনি বৰ আমনি পাইছে নহয়। আৰু নকও বাৰু।' মানুহজনে হুমুনিয়াহ এটা কাঢ়ি কলে--'আৰু মাত্ৰ এমাইলমান।' ক্ষন্তেক ৰৈ পুনৰ কলে--'কথাবোৰ কিবা আবেগত আহি গ'ল। বেয়া নেপাব বুজিছে। আপোনাক কিবা এটা ভাল লাগি গ'ল। সেয়েহে কৈছো।'

'নাই, নাই, তেনেকৈ নকব বুজিছে। প্ৰকৃততে মই আপুনি কোৱাৰ দৰে ভাল মানুহ নহওঁ। পৰিবেশটো কিছু পাতল হৈ যাওঁক বুলিয়েই মই সেইদৰে কৈছিলোঁ। অৱশ্যে মই সফলো হলোঁ। মানুহজনে খোলা হাঁহি এটা মাৰি কলে--

'প্ৰকৃততে মই আপোনাক ভাল বুলি কোৱা নাছিলোঁ। ভাল লাগিছিল বুলিহে কৈছিলোঁ। যাহওঁক গ'ল কথা গুচিল।' কথামাৰিয়ে মোক কিছু সকাহ দিলে যে এতিয়া অন্ততঃ কথাপাতি কিছু ভাল লাগিব। সেয়ে ঘড়ীটোলৈ চাই কলো 'এঘাৰ হ'ল।'

'এৰা ৰাতি ভালেখিনিয়েই হ'ল। পিছে, দৰা অমুক আপোনাৰ পেহীদেউৰ ল'ৰা ?'

'হয়।'

'বৰ সাংঘাতিক মানুহ বুজিছে। তিনি বছৰতে জীৱনত লগা গোটেইখিনি কৰি পেলালে।' কথাখিনিয়ে মোক হুলে বিন্ধাদি বিন্ধিলে। কাৰণ তেখেতৰ যুক্তিমতে ময়ো এজন সাংঘাতিক মানুহ। আমি দুয়ো এটা বছৰতে চাকৰিত মকৰল হৈছিলোঁ অৱশ্যে আমাৰ বিভাগ বেলেগ বেলেগ আছিল।

আমি আহি আহি মানুহৰ ঘন বসতি পালোহি। মানুহ গোটেইবোৰ শুই পৰিছে। বেছ নিৰবতা। ৰাস্তাৰ প্ৰায় দুয়োকাষে মানুহৰ ঘৰ। আমি দুয়ো গৈ থাকিলোঁ।

'আপোনাৰ আৰু আধা মাইলমান আছে। এইখিনি আপুনি অকলে যাব পাৰিব। একো ভয় নাই।

মই মানুহজনৰ কথা শুনি অলপ আচৰিত হৈ শুধিলোঁ--'ভয় মানে ?'

'নাই, মানে এই চোৰ ডকাইটবোৰ। অকল-শৰীয়া মানুহ। তাতে এদিনীয়া। ক'ৰবাত দিগ-দাৰ হব পাৰেতো।

'তাৰ মানে আপুনি আগবাঢ়ি আহিল ?'

'হয়, এমাইলমান। একো ভয় নাই, মই এইখিনি ধুনীয়াকৈ যাব পাৰিম। আৰু মানুহক সহায় কৰিব পৰাটো এটা আনন্দৰহে কথা।

তাত যে মৃত্যুও মধুৰ হয়। মানুহজনে অলপ হাঁহিবলৈ চেষ্টা কৰিলে।

'কিন্তু আপুনি---।'

'মই কলোৱেই নহয় যে মোৰ কথা আপুনি চিন্তা কৰিব নালাগে।' মোৰ কথা শেষ নৌহওঁ-তেই তেখেতে মাজতে কলে--'বুজিছে, মোক ইয়াৰ চোৰ--ডকাইট, ভূত-প্ৰেত সকলোৱেই চিনি পায়।' শেষত ধেমালি কৰি তেখেতে কলে--সদায় কিন্তু এইদৰে আহিলে আগবঢ়াই নথম দেই। সেয়ে ময়ো কলো 'মই সদায় আহিলেওতো আপোনাক আৰু সদায় লগ নেপাম। তেখেতে মোৰ লগতে হাঁহি কলে 'গিছে আপুনি গৈ থাকক। ৰাতিও ভালেখিনি হ'ল। পাবিব এইখিনি। লগ পাম নিশ্চয়।'

'নিশ্চয় পাব, পাম!' বাটকুৱাক কৰমৰ্দন কৰি বিদায় দিলোঁ। মই চিন্তা কৰিলোঁ 'কি ধৰণৰ মানুহ এইজন। ধৰিবই নোৱাৰি।' হঠাতে মোৰ ভয় লাগি গৈছিল। কি ঠিক আজি-কালিৰ মানুহ। মুখত এটা পেটত এটা। বাটত আকৌ লগ লৈ আহি ধৰিব পাৰে। মই প্ৰায় দৌৰাৰ দৰেই যাব ধৰিলোঁ। বিয়া ঘৰ পালেই ৰক্ষা। ৰাতিৰ কথা মাজে মাজে শিলত উজুটি মাৰিছোঁ।

মই গৈ আছো, চিন্তা কৰিছোঁ--মানুহজনৰ কোনো কথাতেই মই সহাৰি নিদিলোঁ। সহানু-ভূতিও নেদেখুৱালোঁ। অথচ মানুহজনে মোৰ কাৰণে এই মাঘ মহীয়া ঠেতুৱা লগা জাৰতো আগবাঢ়ি আহিল। পিছ মুহূৰ্ততে মই ভাবিবলৈ বাধ্য হলো যে, প্ৰকৃততে অন্যায় কৰিব বিচৰা জনে অন্ততঃ মোক মানুহৰ এই ঘন বসতি স্থানত এৰি থৈ নগ'লহেঁতেন। মাজৰ নিৰ্জন হাবিয়নি ঠাইখিনিয়েই উপযুক্ত হ'লহেঁতেন। আৰু চাবলৈ গলে মানুহজনৰ কথা-বতৰা, চাল-চলনৰ পৰা সেইটো ভাবিব পৰাও অসম্ভৱ।

শেষত বিয়া ঘৰৰ ৰেকৰ্ড প্লেয়াৰৰ মাত শুনিবলৈ পালো। মনটো ভাল লাগি গ'ল যে, এতিয়াও কইনা ঘৰলৈ যোৱা নাই। ঘড়ীটোলৈ পুনৰ চালোঁ। ৰাতিৰ এঘাৰত ঘন্টাৰ কাটা, মিনিটৰ কাটা আৰু সংখ্যা বিলাক চিকমিকাই আছে। চাৰে এঘাৰ।

বিয়া ঘৰ পাই দেখিলো কইনাঘৰ অভিমুখে যাবলৈ সকলো সাজু। বিয়াঘৰৰ সন্মুখত দুখন 'এম্বেছাডৰ' আৰু এখন বাছ ৰৈ আছে। বাছত ইতিমধ্যে কিছুমান মানুহ উঠিছেই।

নিশাখন মোক দেখি পেহীদেউহঁতৰ আটাই-বোৰ আচৰিত হ'ল। মই সকলো কথা বুজাই কলো। পেহীদেউ, পেহাদেউ লগতে ল'ৰা-ছোৱালী কেইটাৰ খং, অভিমান, অভিযোগ শুনিব লগাত পৰিলোঁ। 'বাকী কেইটা কিয় নাহিল?' 'ইমান বছৰ নহাই আছে আজিনো কেলেই আহিব।" নহা হলেহেচোন ভাল আছিল। ইত্যাদি প্ৰশ্ন। মই কোনোটো হাঁহিৰে, কোনোটো উত্তৰেৰে কাটি গলো। পেহীদেৱে চকুপানী টুকিলে। মই বুজালো। বেয়াও লাগিছিল--দেউতাৰ গোড়ামীৰে ভৰপূৰ অভিমানৰ কথা ভাবি। যাহওঁক মোৰ উপস্থিতিয়ে পেহীদেউৰ ঘৰৰ পৰিয়ালৰ মাজত নতুন ধৰণৰ উৎসাহ যোগাইছে। বিয়াখন যেন পেহীদেউহঁতৰ মতে এতিয়াহে সম্পূৰ্ণ হব। পেহাদেউৰ মুখত আনন্দৰ হাঁহি।

বিয়া কইনাঘৰ অভিমুখে যাবলৈ সম্পূৰ্ণ সাজু হ'ল। মই দবাৰ লগতে বহিলোঁ। তাৰ মোক পাই খুউব স্ফুৰ্তি। সি কলে যে, তাৰ এতিয়াহে জীৱন সম্পূৰ্ণ হ'ল। সি গোড়া মোমায়েকক দেখুৱাব পাৰিছে যে সমাজে তাক গ্ৰহণ কৰিছে। সি ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছোৱালীয়েই বিয়া কৰালে। ছোৱালীৰ লগত হেনো তাৰ আগৰে পৰাই আদান প্ৰদান আছিল।

কইনা ঘৰ পাওঁ মানে দবাৰ লগত ইটো সিটো বহুতো কথা হলো। কথা প্ৰসঙ্গতে দবাই মোক কলে 'তুমি আজি ভাল আহিলা। আমিয়েই

ৰাতি সেইটো বাগটাৰে আজিলৈকে আহিবলৈ সাহ কৰা নাই।'

কথাষাৰ শুনি মোৰ বুকুখন চিৰিংকৈ গ'ল। মই উচ্পিচাই সুধিলোঁ--'তাৰ মানে--'

'সেই যে মাজৰ মুকলি পথাৰখন আৰু হাবিয়নিখন, সেইখিনিত মাজে মাজে বনৰীয়া হাতীৰ জাক ওলায়। কেতিয়াবা কেতিয়াবা গাওঁ অঞ্চলতো উৎপাত কৰে।' অলপ বৈ পুনৰ সুধিলে 'পিছে তোমাৰ একো দিগদাৰী হোৱা নাইটো!'

কথাখিনি শুনি মোৰ ভয় লাগি গৈছিল। মই তাক গোটেইখিনি ভাঙি-পাতি কলো। বাটকুৱা ৰেকিবুদ্দিন ৰহমান শইকীয়াৰ কথাও। তেওঁক এৰি অহাৰ পিচত কিদৰে সন্দেহ কৰিছিলো তাকো কলো।

মোৰ কথাখিনি শুনি সি হাঁহি এটা মাৰি কলে--'ইস্ সেই মানুহটোকো সন্দেহ কৰিলানে?' বৰ ভাল মানুহ ৰেকিব। তোমাৰ ভাগ্য ভাল সেয়ে তাক লগ পায় গলা। একেবাৰে বিয়ালৈ লৈ অহাহেঁতেন বৰ ভাল লাগিলহেঁতেন। সি মানুহটো ইয়াত ভালেমান দিন নাছিল। বিয়ালৈ সেয়ে মাতিম বুলিও মতা নহ'ল।' কথাৰ সুৰ বদলাই সি লাহেকৈ কলে--'ৰেকিবটো ভালে ভালেই গৈ পালেই পোৱা। সিও যে এটা মূৰ্খ। এই ৰাতিখন কিহে পাইছে যাবলৈ।'

কথাখিনি শুনি মোৰ বৰ বেয়া লাগি গ'ল। মই বুজিলো ৰেকিব, মানুহজন বেচ ভাল। সেয়ে মই তাক ৰেকিবক লগত ননাৰ কথা কলোঁ—

'বাটকুৱা মানুহ। এদিনীয়া চিনাকি। তাতে বা কি ধৰণৰ মানুহ। তহঁতে বা ভালেই পাৱনে বেয়াই পাৱ। আৰু তেখেত তোৰ লগত যে ইমানটো ভাল, মোক জনাৰ কোনো সুবিধাই নিদিলে।'

প্ৰত্যুত্তৰত সি মাথো কলে যে, ৰেকিবে প্ৰকৃততে আহিবলৈ বেয়া পালে।'

তাৰ পাচত সি মোক কৈছিল যে, ৰেকিবৰ প্ৰকৃততে ঘৰ আপাৰ অসমত! গ্ৰেজুৱেচনটো লোৱাৰ পাচত এদিন মোমায়েকৰ ঘৰলৈ আহিছিল। সেই সময়লৈকে ৰেকিবৰ চাকৰি হোৱা নাছিল। মোমায়েকৰ ঘৰ ট্ৰেইন ষ্টেচনৰ পৰা আহি থাকোতে হাবিয়নিখন আৰু পথাৰখন পাওঁতেই পায়। কিছুদিন মোমায়েকৰ ঘৰত থকাৰ পিছত মোমায়েকে লাগি ভাগি তাৰেই হাইস্কুলখনত সুমুৱাই দিলে।

দিনবোৰ তাৰ ভালে ভালেই গ'ল। ৰেকিবৰ যুক্তিপূৰ্ণ বাক-পটুটা আৰু ভদ্ৰ আচৰণে মানুহৰ মাজত ৰেকিব শান্ত, ভদ্ৰ, বেছ ভাল যুৱক হিচাবে জনাজাত হৈছিল। সেই খ্যাতিয়ে ৰেকিবৰ ওচৰ চপাই আনিছিল মণিকাক। মণিকা সেই অঞ্চলৰে ব্ৰাহ্মণ সম্প্ৰদায়ৰ আৰু ৰেকিবৰেই ছাত্ৰী আছিল। মণিকাৰ অপৰূপ সৌন্দৰ্য্যৰ লাৱণ্যময়ী দেহ আৰু পকা থেকেৰা টেঙাটোৰ দৰে তেজৰঙা গোল মুখখনিয়ে ৰেকিবক মণিকাৰ ওচৰ চপাই আনোতে বেচি সময় লগা নাছিল। প্ৰথমে চকুৱে চকুৱে, পিছলৈ হাঁহিৰে পৰ্য্যায়ক্ৰমে সিহঁত দুয়ো দুয়োৰে ওচৰ চাপিছিল। পৰস্পৰে পৰস্পৰক বুজিলেও। সিহঁতৰ ভাল পোৱাবোৰে মনৰ গভীৰৰ পৰা গভীৰতম প্ৰদেশত প্ৰবেশ কৰিলে। ৰেকিবে মণিকাক বুজালে যে, প্ৰকৃততে সেই ভাল পোৱা, প্ৰেম সিহঁত দুয়োজনৰ মাজত সম্ভৱ নহয়, কাৰণ সমাজৰ ধৰ্মীয় ৰীতি-নীতিৰ প্ৰাচীৰখন। মণিকাই আপত্তি কৰিলে--ৰেকিব অবিহনে তাইৰ জীৱন সম্পূৰ্ণ নহয়। সমাজৰ হেজাৰ প্ৰাচীৰ ভাঙি হলেও তাই ৰেকিবৰ ওচৰলৈ আহিবই।

ৰেকিব অৱশেষত সন্মত হৈছিল। মণিকাক লৈ সংসাৰ পতাৰ উদ্দেশ্যেৰে মণিকাক এদিন ঘৰ সুমুৱালে। মণিকাই তাক সাহ দিলে যে, হৃদয়ৰ সমগ্ৰ মৰম ভালপোৱা উজাৰি তাই তাকেই ভাল পায়। পৃথিৱীৰ সমগ্ৰ শক্তিয়েও তাইক তাৰ ওচৰৰ পৰা আতৰ কৰিব নোৱাৰে।

কিন্তু অৱশেষত সেইটোৱেই হ'ল। মণিকাক

পুলিচ লগাই আতৰ কৰি নিয়া হৈছিল। বেকিবৰ ওপৰত মোকৰ্দমা হৈছিল—অবুজন ছোৱালী এজনীক জোৰ কৰি পলুৱাই নিয়া বুলি। ৰেকিবৰ চাকৰিটো গ'ল। বিচ্ছেদৰ যাতনাই ছটফটাইছিল। মণিকা কেইদিনমান ঘৰৰ পৰিয়ালৰ ৰঙা চকুৰ তলত কান্দি-কাটি থাকিল। পিছত এদিন সুবিধা পায় গাত কেৰাচিন ঢালি আত্মদাহ কৰিলে।

ৰেকিবৰ ওপৰত দিয়া মোকৰ্দমা উঠিল। সি পুনৰ চাকৰিটো পালে। কিন্তু ৰেকিব মানুহটো সলনি হ'ল। মুখত হাঁহি নুফুটা হ'ল। মানুহৰ লগত কথা বতৰা নেপাতে, নিৰৱে অকলে থাকে। মাজে মাজে ট্ৰেইনত উঠি অকলে উদ্দেশ্যবিহীন ভাৱে দূৰলৈ গৈ আকৌ ঘূৰি আহে। সকলোৱে ভাবিবলৈ ললে—ৰেকিবৰ ক্ৰমবমায়ে মগজুৰ বিকৃতি ঘটিবলৈ ধৰিছে।

এয়ে বাটকৰুৱা ৰেকিবৰ থূল-মূল জীৱন বৃত্তান্ত। গোটেই ঘটনাটো শুনি মই হুমুনিয়াহ এটা কাঢ়িলোঁ। মই মনতে কল্পনা কৰিছোঁ—মণিকাৰ মুখৰ প্ৰতিচ্ছবি এখন, লগে লগে ভাহি উঠিল ৰেকিবৰ মুখৰ প্ৰতিচ্ছবি।

শেষত আমি কইনা ঘৰ পালোগৈ। আমি বভা তলত বহিছোঁ, এটা সময়ত কইনা হোমৰ আগত বহে। বেদৰ মন্ত্ৰবোৰ মোৰ কাণত বাজিছে। চাৰিওফালে হোমৰ গোন্ধ আৰু মই চিন্তা কৰিছো—'ৰেকিব-মণিকাৰ' কথা। বিয়া চাই থকা অৱস্থাত মই যেন বাৰে বাৰে উপলব্ধি কৰিছো এটা প্ৰশ্নৰ—"অসবৰ্ণ বিবাহ বেদৰ নীতি বিৰুদ্ধ নে পৰম্পৰাগত ভাৱে চলি অহা ধৰ্মীয় ৰীতি-নীতি বিৰুদ্ধ ?"

পুৱে ধলফাট দিওঁতে কইনা লৈ দৰা ঘৰলৈ গুচি গ'ল। মই চাকৰিৰ ব্যস্ততা আৰু আন আন অসুবিধা হেতু পুনৰ দৰা ঘৰলৈ ঘূৰি নগলো। মই মোৰ কৰ্ম ক্ষেত্ৰলৈ পুনৰ উভতি আহিলোঁ।

চাকৰিৰ ব্যস্ততা, আনফালে ৰাতি বাৰ বজালৈ ক্লাবত হোৱা আড্ডা আদিয়ে মোক ক্ৰমান্বয়ে বাটকৰুৱা ৰেকিবৃদ্দিন বহমান শইকীয়াৰ কথা পাহৰাই ৰাখিলে। ৰাতিপুৱা শুই উঠি চাহটোপা খাওঁ মানে ভাবা ঘৰৰ মালিকৰ ছোৱালী ফৰিদা হাতত কিতাপ বহী কেইখনমান লৈ ওলাইহি। কিবা কিবি অলপ পঢ়াই দিব লাগে। বাপেকেও ধৰিছে—'তুমিতো ৰাতিপুৱা সময়খিনি এনেয়ে থাকা তাতকৈ আমাৰ ফৰিদাকে অলপ কিবা-কিবি চাই দিয়াচোন। এইবেলি তাই আকৌ পৰীক্ষা দিব নহয়। পাৰ হলেই হ'ল আৰু।'

মই কথাটো বৰ ভাল নেপালেও, বেয়াও নেপালো। অকলশৰীয়া মানুহ। সময়ে সময়ে ধুনীয়া গাভৰু ছোৱালী এজনী আতৰৰ পৰাই হওঁক, ওচৰৰ পৰাই হওঁক চাই থাকিব পাৰিলে বেয়া নেলাগে। অকলশৰীয়া আমনিখিনি নোহোৱা হয়।

ফৰিদা ছোৱালীজনী দেখিবলৈ ধুনীয়া। দেহটো লাহীকৈ, বেচ কমনিয়তাৰে ভৰপূৰ। দেহৰ বৰণ বগাও নহয়, ক'লাও নহয়। তাম বৰণীয়া। বুকু মধ্যম গঢ়ৰ। বয়স আনুমানিক ১৮।১৯ বছৰ। এইবেলি P.U. পৰীক্ষা দিব।

ৰাতিপুৱা সময়খিনি মোৰ বাবে হৈ পৰে সুন্দৰ, ঠিক পুহমহীয়া ৰ'দটোৰ দৰে। মই অপেক্ষা কৰাৰ দৰেই ফৰিদা আহে কিতাপ বহী কেইখন লৈ। লগত লৈ আহে এটা গোন্ধ। হয় ঠিকেই গাভৰু দেহৰ গোন্ধ। কমটো ভৰাই পেলাই কিবা এটা গোন্ধে। মই পাবো মানে লওঁ। ফৰিদা মোৰ কাষত বহে। গোন্ধটো মোৰ নাকত বেছি জোৰকৈ লাগে। মই হেপাহ পলুৱাই লব বিচাৰো। ইচ্ছা হয় যেন সেই গোন্ধ মই গোটেই দেহতে সানি লৈ ওৰেটো জীৱন লম।

প্ৰথমতে লুকাই চুৰকৈ চালোঁ। পিচলৈ ধৰা পৰিলোঁ। গাভৰু ছোৱালীৰ চকুত যেন গভাইত চোৰো ধৰা পৰিব। তাৰ পিচত লাজ লাজ কৈ চকুৱে চকুৱে। এটা আবদ্ধ কোঠাত দুটা লাজ-কুৰিয়া মিচিকিয়া হাঁহিৰ বিনিময়।

পিচলৈ ফৰিদা আহে। কিতাপ বহী থেকেচা মাৰি থৈ মই শুই থকা বিচনাতে বহে। মই জোকাওঁ, ধেমালি কৰো। কিছুমান মিঠা মিঠা লগা কথাৰ টুকুৰা। ফৰিদাই মোৰ গা-মূৰ পিটিকি দিয়ে। মই তাইক বিচনাত শুৱাই লৈ পাৰোমানে গন্ধ লওঁ। গাভৰু দেহৰ গোন্ধ।---এৰা, গাভৰু দেহৰ গোন্ধ।

দিনবোৰ অতীত হয়। ক্ৰমান্বয়ে ফৰিদা মোৰ মনৰ মাজলৈ আহে। একালে সমাজৰ ধৰ্মীয় বান্ধোন। আনফালে প্ৰেম। দুই নাৱত দুই ভৰি। সমাজে জানো মোক গ্ৰহণ কৰিব? মা-দেউতায়ে বা কি কৰিব। মোৰ ভৱিষ্যতেই বা কি হব।

কিছুদিন পিছত পেহীদেউৰ ল'ৰাটোৰ পৰা চিঠি এখন পালো। সি লিখিছে যে সি বিবাহিত জীৱনত যথেষ্ট সুখী। আৰু লিখিছে তাৰ ভনী চয়নিকা ওচৰৰে বড়ো ল'ৰা এজনৰ লগত অলপতে কৰ্ট মেৰেজ হৈ গ'ল। ল'ৰাজনে চহৰৰ ফালে এটা ভাল চাকৰি কৰে। সি কোনো আপত্তি কৰা নাই।

চিঠিখনৰ শেষত সি দুখ কৰি লিখিছিল—জানা, বেকিব আৰু নাই। সিদিনাখন তোক আগবঢ়াই থৈ যোৱাৰ পিছত সেই হাবিয়নিখনৰ মাজত বনৰীয়া হাতীৰ জাকে গচকী গচকী মাৰিলে। বেচেৰাটো আনৰ কাৰণে মৰিল। তাক মণিকাৰ মৰম আকলুৱা হৃদয়ে হাত বাউলী মাতি আছিল। তাই যে তাৰেই অপেক্ষাত।

চিঠিখন পঢ়ি মই ছট্ফট্ কৰিছিলোঁ, কিবা এক অসহ্য যন্ত্ৰণাত। গাৰুটোত মুখখন গুজি মই শুই পৰিছিলোঁ। বেকিবৰ মৰমলগা মুখখনৰ প্ৰতিচ্ছবি, প্ৰতিটো কথা মোৰ স্মৃতিত ভাহিবলৈ ধৰিলে। বেকিবক চিঞৰি কবৰ মন গৈছিল—'বেকিব তুমি সচাই মহান।'

এতিয়া মই বেকিবৰ প্ৰতিটো কথাৰ মৰ্ম উপলব্ধি কৰিছোঁ। মোৰ মনৰ কিছুমান গোড়ামী ইতিমধ্যে বেকিবৰ প্ৰতিচ্ছবিয়ে আতৰ কৰিছিল।

পিছত এদিন আবেলি অফিচৰ পৰা আহি বাৰাণ্ডাত বহি দৈনিক কাকতখন চাই আছিলো। এনেতে বখা ল'ৰাটোৱে চিঠি এখন দিলে। ঘৰৰ চিঠি। খুলি চালোঁ। মোৰ বিয়াৰ ঠিক কৰিছে। ছোৱালী মই গৈ চাব লাগে। ছোৱালী ভালেই হেনো, গ্ৰেজুৱেট, ধুনীয়াও।

ৰাতি বিচনাত পৰি চিন্তা কৰিছোঁ। মোৰ বিয়াৰ কথা। মনৰ পৰ্দাত ভাহি উঠিছে বেকিবৰ মুখৰ প্ৰতিচ্ছবি, পেহীদেউৰ কথা,—পেহীদেউৰ ছোৱালীজনীৰ কথা। আৰু ভাঁহি উঠিছে দুখন ছবি এখন মোৰ আনখন ফৰিদাৰ।


বিচনাখনত এটা মনে বিচৰা কিবা গোন্ধ। হয়তো ফৰিদাৰ দেহৰ--এৰা, গাভৰু দেহৰ গোন্ধ। বিচনাখনত ফৰিদাক বিচাৰি হাতখন মেলিছো। এডাল দীঘল চুলি। হয়তো ফৰিদাৰ।

ফৰিদা আজি ৰাতিপুৱাও আহিছিল। ০০০

"মানুহৰ জীৱনটোৰ নৈতিক মূল্য অকল তেওঁৰ নিজা উন্নতিৰ ওপৰতে নিৰ্ভৰ নকৰে। নিৰ্ভৰ কৰে তেওঁ জগতবাসীক কি দিলে ঘাইকৈ তাৰ ওপৰতহে।"

—এলবাৰ্ট আইনষ্টাইন





কলেজ চৌহদত
অধ্যক্ষৰ বিনাঅনুমতিত
শক্তি চালিত যান-
-বাহনৰ
প্ৰৱেশ নিষেধ।
MANGAL

# মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ
# বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

জয়জয়তে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ বৈপ্লৱিক অভিনন্দন যাচি ১৯৮২—৮৩ চনৰ সাধাৰণ সম্পাদকৰ পাতনি মেলিছো।

১৯৮২ চনৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখে হোৱা এক সাধাৰণ সভাত পুৰণি কাৰ্য্যনিৰ্বাহকে কাৰ্য্যভাৰ এৰাৰ লগে লগে নতুন কাৰ্য্যনিৰ্বাহকে শপত গ্ৰহণ লৈ দায়িত্বভাৰ গ্ৰহণ কৰে।

সাধাৰণ সম্পাদকৰ দায়িত্ব লৈ মঙলদৈ মহাবিদ্যালয়ৰ ঐতিহ্য অক্ষুণ্ণ ৰখাৰ দৃষ্টি ৰাখি প্ৰতিটো কাম সুবিবেচনাৰে কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিলো। কিন্তু কামবোৰ সুচাৰুৰূপে হোৱা নোহোৱাতো আপোনাসবৰ বিচাৰ্য্য বিষয়। যদি কিছু কাম কৰা সম্ভৱ হৈছে তেনেহলে অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ সহযোগতে সম্ভৱপৰ হৈছে। এই দীৰ্ঘ কাৰ্য্যকালছোৱাত কিবা যদি দোষ ত্ৰুটি ৰৈ গৈছে বা অভাৱ পূৰণ কৰিব নোৱাৰিলো তাৰ বাবে মই এই সুযোগতে ক্ষমা বিচাৰিছো।

॥ মহাবিদ্যালয়ৰ সমস্যা সমূহ সমাধান কৰিবই লাগিব ॥

মঙলদৈ মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থান মঙলদৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়খনৰ বিভিন্ন অভাৱ-অভিযোগ আছে। তাৰে গুৰুত্ব-পূৰ্ণ অভাৱ সমূহ প্ৰতিবেদনৰ লগতে সন্নিবিষ্ট কৰা হল।

১। মঙলদৈ মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থান মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যালয়ত সহকৰ্মী সকলৰ নামত যি হাজাৰ হাজাৰ টকাক লৈ খেলি-মেলিৰ আৰু পৰিচালনা সমিতিয়ে মহা-বিদ্যালয়ৰ মুখ্য সহায়ক, গাণনিক সকলক নিলম্বিত-কৰণৰ কাৰণ সমূহ ৰাজহুৱা ভাৱে ঘোষণা আৰু দোষীক শাস্তি দিব লাগে।

২। মহাবিদ্যালয় গ্ৰন্থাগাৰৰ (library) যি টকাৰ খেলি-মেলিৰ সৃষ্টি হৈছিল তাক অধ্যাপকৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা চলাই থকা অৱস্থাত হঠাৎ বন্ধ কৰাৰ কাৰণ দৰ্শাব লাগে।

৩। প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ পৰা হাজাৰ হাজাৰ টকা লোৱাৰ পিচতো গ্ৰন্থাগাৰত আজিলৈ নতুন কিতাপ-পত্ৰ কিয় যোগান ধৰা হোৱা নাই।

৪। অধ্যাপক-অধ্যাপিকা সকলে নিজৰ বিভা-গৰ পাঠ্যপুথিৰ বাহিৰে অন্যান্য বিভাগৰ পাঠ্যপুথি গ্ৰন্থাগাৰৰ (library) পৰা নিয়া স্বাৰ্থ ক'ত ??

৫। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ টকা সমূহ নিয়ম অনুসৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৬। মহাবিদ্যালয়ৰ "প্ৰেক্ষাগৃহৰ" পুঁজিৰ বিষয়ে ৰাজহুৱা ঘোষণা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰেক্ষাগৃহৰ নামত হাজাৰ হাজাৰ টকা লৈ এতিয়াও কাম সমাপ্ত নোহোৱাৰ কাৰণ জনাব লাগে।

৭। মহাবিদ্যালয়ৰ মাটিত উৎপন্ন হোৱা খেতিৰ পৰা পোৱা ধন কোনে পায়? ইয়াৰ সম্পূৰ্ণ হিচাব দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৮। ১৯৮১–৮২ চনত মহাবিদ্যালয়ত নিৰ্মাণ কৰা গৃহসমূহ নিবিদা নিদিয়াকৈ নিৰ্মাণ কৰাৰ কাৰণ আৰু উক্ত টকাৰ খৰচৰ হিচাব ৰাজহুৱা ভাৱে দিব লাগে।

৯। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য নাৰাখি পৰিচালনা সমিতিয়ে নতুন নতুন নামাকৰণেৰে অধিক হাৰত ধন ছাত্ৰ-ছাত্ৰীৰ পৰা লয় কিয়?

১০। বৰ্তমান মহাবিদ্যালয়ৰ গণিত (Math) আৰু শিক্ষা (Education) বিষয়ত অধ্যাপকৰ সংখ্যা বঢ়াব লাগে।

১১। মহাবিদ্যালয় বিজ্ঞান বিভাগৰ বিভিন্ন গৱেষণাগাৰৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ বাবে লাগতিয়াল নিম্নতম সঁজুলিও নাই কিয়? অনতিপলমে গৱেষণাগাৰৰ সঁজুলি যোগান ধৰিব লাগে।

১২। বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জীৱ (Zoology) আৰু উদ্ভিদ (Botany) বিজ্ঞানত আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা (Education) বিষয়ত সন্মান (Honours) পাঠ্যক্ৰম খুলিব লাগে।

১৩। College Improvement ফিজ লোৱা বন্ধকৰণ আৰু বিজ্ঞানাগাৰৰ ক্ষেত্ৰত লোৱা জামিনৰ ধন ঘূৰাই দিব লাগে।

১৪। কৃষি পামখন মেৰামতি কৰি দুখীয়া ছাত্ৰ-ছাত্ৰীক থকাৰ সুবিধা দিব লাগে।

১৫। প্ৰেক্ষাগৃহৰ কাম অনতিপলমে আৰম্ভ কৰিব লাগে।

১৬। মহাবিদ্যালয়ত খোৱা পানীৰ সুব্যৱস্থা আৰু ছাত্ৰ জিৰণি কোঠাৰ উন্নতি সাধন কৰিব লাগে।

॥ উৎসৱ সমাৰোহ ॥

মহাবিদ্যালয় সপ্তাহ, ফাতেহা-ই-দোৱাজ দাহম, শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ তিথি, মহাবিদ্যালয়ৰ প্ৰাণ হেৰুৱা শ্বহীদ সকলৰ আদ্যশ্ৰাদ্ধ, নবাগত আদৰণি সভা এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত কৰা হয়।

॥ অশ্ৰু অঞ্জলি ॥

জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ হেৰুৱা মঙলদৈ মহাবিদ্যালয়ৰ ৬ গৰাকী ছাত্ৰৰ বাহিৰেও যি সকল অসম মাতৃৰ বীৰ সন্তানে অকালতে প্ৰাণ হেৰুৱালে সেই সকলো বীৰ ছাত্ৰৰ আত্মাৰ সদ্গতিৰ অৰ্থে শোক প্ৰাৰ্থনা কৰা হয়।

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি মাননীয় শ্ৰীযুত অমিয় কুমাৰ দাসগুপ্ত, মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সদস্য মাননীয় শ্ৰীযুত শুকলাল ঘোষ আৰু মঙলদৈ মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ কৰ্মচাৰী শ্ৰীযুত ভূপেন চৌধুৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

॥ স্মাৰক পত্ৰ প্ৰদান ॥

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীদুৰ্গা দাস বড়োক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত মঙলদৈ মহকুমাধিপতিৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰি মুক্তিৰ দাবী জনায়।

মহাবিদ্যালয়খন পুলিচ-চি-আৰ-পিৰ বাবে অধিগ্ৰহণ (Requision) কৰি শৈক্ষিক পৰিবেশ নষ্ট কৰা বাবে দুখ প্ৰকাশ কৰে আৰু অনতি পলমে পুলিচ-চি-আৰ-পিৰ ছাউনী উঠাই নি শৈক্ষিক পৰিবেশ ঘূৰাই আনিবলৈ মহকুমাধিপতিৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰা হয়। লগতে অধিগ্ৰহণ কৰাৰ ফলত মহাবিদ্যালয়ৰ যিবোৰ সা-সম্পত্তি নষ্ট হল তাৰ সকলো ক্ষতিপূৰণ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক দিবলৈ স্মাৰক পত্ৰ যোগে প্ৰশাসন বিভাগক অনুৰোধ জনায়।

॥ আন্দোলনৰ কাৰ্য্যসূচী ॥

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই মহাবিদ্যালয়ৰ দাবীসমূহ কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিয়ে কাৰ্য্যকৰণ নকৰাৰ প্ৰতিবাদত যোৱা ২১।১২।৮৩ তাৰিখৰ পৰা ২৫।১২।৮৩ তাৰিখলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে পাঠদানৰ পৰা বিৰত থাকি প্ৰতিবাদ জনায় আৰু দাবীসমূহ কাৰ্য্যকৰণ কৰিবলৈ অনুৰোধ জনায়।

যোৱা ২৫।১২।৮৩ তাৰিখে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিৰ যুটীয়া বৈঠকত দাবীসমূহ কাৰ্য্যকৰণ কৰাৰ সিদ্ধান্ত লয় আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাক লিখিতি ভাৱে জনোৱাত আন্দোলনৰ কাৰ্য্যসূচী স্থগিত ৰাখি ২৬।১২।৮৩ তাৰিখৰ পৰা ছাত্ৰ-ছাত্ৰীক পুনৰ পাঠদান গ্ৰহণ কৰিবলৈ ছাত্ৰ সন্থাই আহ্বান জনায়।

॥ প্ৰতিবাদ সভা ॥

বৰ্তমান অসমৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত মহাবিদ্যালয়ৰ বিভিন্ন আন্দোলনৰ ছাত্ৰ কৰ্মীক গ্ৰেপ্তাৰ কৰি পুলিচ "লক-আপত" শাৰিৰীক, মানসিক ভাৱে কষ্ট দিয়া কাৰ্য্যক প্ৰতিবাদ সভাৰ যোগে প্ৰতিবাদ কৰি তীব্ৰ গৰিহণা দিয়ে।

॥ সন্তোষ প্ৰকাশ ॥

মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দাবীসমূহৰ কিছু কাৰ্য্যকৰণ কৰা আৰু কিছু বিবেচনা কৰি থকা বাবে কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিৰ ওচৰত সন্তোষ প্ৰকাশ কৰে আৰু বিবেচিত হৈ থকা দাবী সমূহ কাৰ্য্যকৰণ কৰিবলৈ অনুৰোধ জনায়।

॥ ছাত্ৰ-ছাত্ৰীলৈ আহ্বান ॥

বৰ্তমান অসমৰ সামাজিক ব্যৱস্থালৈ লক্ষ্য কৰিলে সামাজিক দিশটোলৈ পিঠি দি প্ৰত্যেকেই ব্যক্তিগত দিশটোৰ ওপৰতহে বেছি গুৰুত্ব দিয়া দেখা যায়। ন্যস্ত স্বাৰ্থৰ বশৱৰ্তী হৈ সমাজখনক শোষণ কৰাৰ উপক্ৰম কৰিছে। এনে অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে কেৱল অধ্যয়নৰ মাজতে নিজক আবদ্ধ ৰাখিলে নহব। সমাজৰ প্ৰতি সকলোৰে নৈতিক দায়িত্ব আছে। এই দায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি সৎ চিন্তাধাৰা, সৎ চৰিত্ৰৰ অনুশীলনেৰে সমাজৰ উন্নতিৰ হকে আত্ম নিয়োগ কৰিব লাগিব। অন্যথা অসমীয়া সমাজে নিজৰ ঐতিহ্য হেৰুৱাই ধ্বংসৰ পথলৈ আগুৱাই যাব লাগিব।

প্ৰতিবেদনৰ সামৰণিত এই কাৰ্য্যকাল ছোৱাত যি সকল অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীয়ে সহায় কৰিলে তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি সামৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়,
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা,
জয়তু সদৌ অসম ছাত্ৰ সন্থা।

বৈপ্লৱীক অভিনন্দন সহকাৰে

শ্ৰীদীপক বৰদলৈ — সহঃ সাধাৰণ সম্পাদক
শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী — সাধাৰণ সম্পাদক
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।
১১।১।৮৪

## লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

জয় জয়তে মঙলদৈ মহাবিদ্যালয়ৰ শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় প্ৰমূখ্যে, অধ্যাপক-অধ্যাপিকা সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিছো, লগতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো—যি সকলে অশেষ আশা, মৰম-চেনেহ আৰু সহায়-সহানুভূতিৰে মোক মঙলদৈ মহাবিদ্যালয়ৰ "লঘু ক্ৰীড়া" বিভাগৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰিলে।

মানুহৰ আশা আকাংখা সদায় উচ্চগামী।

আমি সদায় এজন সু-ব্যক্তি হিচাবে আনৰ ওচৰত পৰিচয় দিবলৈ ইচ্ছা কৰো। বৰ্তমান এজন ব্যক্তি, এটা জাতি অথবা এখন দেশৰ উন্নতিৰ ক্ষেত্ৰত খেল জগতৰ অবিহণা সঁচাকৈয়ে মানিব লাগিব। আমাৰ সকলো দিশৰ পৰাই উন্নতি হবলৈ হলে, এজন সু-ব্যক্তি হবলৈ হলে ক্ৰীড়া জগতৰ সৈতে জৰিত থকাটো কোৱা বাহুল্য মাথোন। বৰ্তমান যুগটোৱেই হৈছে প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতাই মানুহৰ মনৰ দৃঢ়তা বঢ়ায়। আমি জানো যে ধৈৰ্য্য আৰু মনৰ দৃঢ়তাই জীৱনৰ উন্নতিৰ মূল অস্ত্ৰ। আমি অস্বীকাৰ কৰিলে ভুল হব যে, খেল জগতে মানুহৰ উন্নতিৰ সম্পূৰ্ণ এটা দিশ অধিকাৰ কৰি লৈছে। খেলক আমি মনৰ চখ মাৰিবলৈ অথবা আজৰি সময় কটাবলৈ খেলো বুলি কলে আমি খেল জগতৰ ওচৰত জগৰীয়া হৈ কৈফিয়ৎ দিব লাগিব। খেলে আমাৰ ধৈৰ্য্য, মনোবল, বুদ্ধি, দৃঢ়তা, সাহস, পটুতা আদিৰ যোগান ধৰাৰ উপৰিও আমি যাক লৈ গৌৰৱবোধ কৰো, অৰ্থাৎ শৰীৰটোৰ সুস্থতা বজায় ৰখাত সম্পূৰ্ণ অবিহণা যোগায়। পৃথিৱীৰ বিভিন্ন দেশ-বোৰৰ তুলনাত ভাৰতবৰ্ষ এখন ক্ৰমোন্নতিশীল ক্ৰীড়া জগত। কিন্তু ভাৰতৰ বিভিন্ন ৰাজ্যবোৰৰ ভিতৰত অসমৰ ক্ৰীড়া জগতৰ অৱস্থা অতি দুখ লগা নহলেও সন্তোষজনক নহয়। মঙলদৈ মহ-কুমাৰ ভিতৰতেই মঙলদৈ মহাবিদ্যালয় এখনি মহান শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়ত খেলুৱৈৰ অভাৱ নাই যদিও উপযুক্ত পৰিবেশ আৰু সা-সুবিধাৰ দুৰৱস্থাৰ বাবেই যি কোনো খেলৰ ক্ষেত্ৰত খেলুৱৈসকল পিচপৰি থকা যেন অনুমান হয়।

বিগত বছৰৰ "মহাবিদ্যালয় সপ্তাহ" ১৯৮২ চনৰ ডিচেম্বৰ মাহৰ ৩য় সপ্তাহত হৈ যায়। উক্ত "মহাবিদ্যালয় সপ্তাহ"ত যথেষ্ট ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল যদিও আমি আশা কৰা হিচাবে খেলুৱৈৰ সংখ্যা দেখিবলৈ পোৱা নাছিলো। প্ৰায় চাৰি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা আমি যিমান খেলুৱৈ আশা কৰিব পাৰো, সিমানখিনি দেখিবলৈ নোপোৱাতো দুখজনক। উল্লেখ নকৰি নোৱাৰিলো যে, ছোৱালীৰ ক্ষেত্ৰত আমি মাত্ৰ কেইজনী মান খেলুৱৈহে দেখিবলৈ পাইছিলো। কিন্তু মহাবিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ আধা অংশই ছাত্ৰীৰ সংখ্যা বুলি কলে ভুল কোৱা নহয়। বৰ্তমান সকলো ঠাইতে ছোৱালী বিভাগৰ খেল সমূহত খেলুৱৈ সকলে খেলুৱৈ সুলভ মনোবৃত্তিৰে আগবাঢ়ি অহাতো পৰিলক্ষিত হৈছে। কিন্তু আমাৰ মহাবিদ্যালয়ত ইয়াৰ ব্যতিক্ৰম দেখিবলৈ পোৱাতো সঁচাকৈয়ে দুখজনক। আশা কৰো ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ৰ উঠি অহা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে খেলুৱৈ সুলভ মনোবৃত্তিৰে আগবাঢ়ি আহি মহাবিদ্যালয়ৰ সুনাম কঢ়িওৱাৰ উপৰিও নিজৰ, জাতিৰ তথা দেশৰ সুনাম আনিবলৈ সক্ষম হব। বিগত বছৰটোত হৈ যোৱা মহাবিদ্যালয় সপ্তাহত যিসকল খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছিল তেওঁলোকৰ উৎসাহ-উদ্দীপনা, সাহস, মনোবল সঁচাকৈয়ে স্বীকাৰ কৰিব লগীয়া। হৈ যোৱা "মহাবিদ্যালয় সপ্তাহ"ৰ খেল বিভাগৰ বিভিন্ন শিতানত যোগদান তথা পুৰস্কৃত হৈ বছৰৰ সৰ্ব-শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় শ্ৰীউমেশ বৰদলৈ। আৰু ছোৱালীৰ বিভাগত সৰ্ব শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়--মিচ্ ফুলু কলিতাই। যি কোনো খেলতেই পাৰদৰ্শিতা দেখুৱাবলৈ হলে নিজৰ একান্ত ইচ্ছা থকাৰ উপৰিও প্ৰশিক্ষণৰ প্ৰয়োজন। মহাবিদ্যালয়খনিত যথেষ্ট সংখ্যক খেলুৱৈ সুলভ মনোবৃত্তিৰ ছাত্ৰ-ছাত্ৰী থকা স্বত্বেও প্ৰশিক্ষণ বা উপযুক্ত পৰিবেশ আদিৰ অভাৱত আমাৰ খেলুৱৈ সকল পিচপৰি থকা যেন অনুমান হয়।

॥ আমাৰ অভাৱ অভিযোগ ॥

মানুহৰ এনে এটি দিশ পোৱা নাযায়, য'ত নেকি 'অভাৱ' নামৰ দৈত্যটোৰ উপস্থিতি নাথাকে।

সেয়েহে মহাবিদ্যালয়ৰ প্ৰায় চাৰি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যিখিনি খেলৰ সামগ্ৰী আছে, সেয়া মাথোন "এপাচি শাকত এটি জালুক" সদৃশহে।

উপযুক্ত পৰিবেশৰ অভাৱ আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলে সদায়েই অনুভৱ কৰি আহিছে! এইটো চিৰ সত্য যে, পৰিবেশেই মানুহক ভাল আৰু বেয়া দুয়োটা সোঁতৰ্তেই পেলাব পাৰে। যিহেতু উপযুক্ত পৰিবেশ আৰু সা-সজুলিৰ অভাৱে আমাক সদায়েই গ্ৰাস কৰি আহিছে, সেয়েহে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাও যে, তেওঁলোকে যেন বৰ্তমান ক্ৰীড়াজগতৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ অভাৱ অভিযোগবোৰ অতি সোনকালে আতৰ কৰি মহাবিদ্যালয়ৰ পৰা একোজন ভাল খেলুৱৈ গঢ়ি উঠাত সহায় কৰে। কাৰণ মহাবিদ্যালয়ৰ খেল বিভাগৰ সা-সজুলি নিচেই তাকৰ। ই খেলুৱৈ সুলভ মনত বাধা প্ৰদান কৰা দেখা যায়। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ অভাৱ অভিযোগবোৰ চালি-জাৰি চাই ইয়াৰ উপযুক্ত ব্যৱস্থা অতি সোনকালে হাতত ললে, আমি নিশ্চয় আমাৰ মাজৰ পৰা ভাল খেলুৱৈ উলিয়াই দিবলৈ সক্ষম হম।

॥ কৃতজ্ঞতা স্বীকাৰ ॥

বিগত বছৰটোত সকলো ফালৰ পৰা দিহা পৰামৰ্শ দি অহা "লঘু ক্ৰীড়া" বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি সকলো সময়তে দিহা-পৰামৰ্শ দি অহা পূজনীয় শিক্ষাগুৰু শ্ৰীআমানুল হক আৰু শ্ৰীঈশ্বৰ চন্দ্ৰ ভৰালী চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আৰু শেষত খেল বিভাগৰ বিভিন্ন কাৰ্য্যসূচীত সহায়-সহযোগ আগবঢ়োৱা সৰ্বশ্ৰী ভাস্কৰ ডেকা, শৈলেন্দ্ৰ কুমাৰ গোস্বামী, দ্ৰোণ চহৰীয়া আৰু মোজাম্মিল হুচেইনলৈ; লগতে মহাবিদ্যালয়ৰ "ছাত্ৰ একতা গোট"ৰ সমূহ সদস্যলৈ আৰু বিভিন্ন বিভাগত সহযোগিতা আগবঢ়োৱা সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। সদৌ শেষত মোৰ অজানিতে বা জানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। সামৰণিৰ আগতে মহাবিদ্যালয়ৰ খেল বিভাগৰ উন্নতি অতি উচ্চ হওক! তাৰ আশাৰে ১৯৮২--৮৩ চনৰ "লঘু ক্ৰীড়া" বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই অসম।

শ্ৰীউমেশ বৰদলৈ
সম্পাদক—
লঘু ক্ৰীড়া বিভাগ
১৯৮২--৮৩ চন।

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদ্যালয় ১৯৮২—৮৩ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মনোনীত কৰা বাবে মঙলদৈ মহাবিদ্যালয় আচু গোটৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ লগতে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ মহাবিদ্যালয়ৰ শ্বহীদ সকলক।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ। বিগত বছৰবোৰৰ দৰেই এই বছৰো অন্তঃদ্বাৰ খেল সমূহৰ প্ৰতিযোগিতা পতা হৈছিল। ১৬।১২।৮২ তাৰিখৰ পৰা ১০ দিনীয়া কাৰ্য্যসূচীৰে ছাত্ৰী জিৰণি কোঠাৰ খেলসমূহ আৰম্ভ হয়। খেলসমূহ চলাই যোৱাত বহুতো অসুবিধাৰ সন্মুখীন হব লগীয়া হৈছিল। তৎস্বত্বেও কেইজনমান ছাত্ৰ বন্ধু আৰু ছাত্ৰী-বান্ধৱীৰ সহায় সহযোগত খেলসমূহ নিয়াৰিকৈ চলাব পাৰিছিলোঁ। অতি পৰিতাপৰ বিষয় যে

মহাবিদ্যালয়ৰ ছাত্ৰীৰ তুলনাত খেল সমূহত নিচেই কম সংখ্যক ছাত্ৰীয়েহে যোগদান কৰিছিল। সঁচাকৈয়ে ছাত্ৰী সকলৰ খেল-ধেমালিৰ প্ৰতি উৎসাহ উদ্দীপনা তেনেই কম। অতি লাজ আৰু দুখৰ বিষয় যে টেবুল-টেনিচ খেলত মাত্ৰ ৮ জনী ছোৱালীয়ে যোগদান কৰিছিল। যিয়েই নহওক যি সকল ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত জয়ী হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। আনহাতে যি সকলে জয়ী হব নোৱাৰিলে তেওঁলোকে যাতে ভৱিষ্যতে অধিক অনুপ্ৰাণিত হৈ খেলত যোগদান কৰে তাৰ বাবে অনুৰোধ জনাইছোঁ।

ছাত্ৰী জিৰণি কোঠাটোৰ বহুতো সমস্যা আছে। সকলোবোৰ সমস্যা একেলগে সমাধান কৰাটো সম্ভৱো নহয়। মোৰ কাৰ্য্যকাল ছোৱাত আন্দোলনৰ পৰিপ্ৰেক্ষিততে একেৰাহে কেইবা মাহো কলেজ বন্ধ হৈ থাকে। তথাপি কলেজ খোলাৰ পিছত যি অলপ সময় পালোঁ সেই সময়ছোৱাতে কিছু সমস্যা সমাধানৰ বাবে চেণ্টাৰ ত্ৰুটি কৰা নাই। মহাবিদ্যালয়খনৰ বৃহৎ সংখ্যক ছাত্ৰীৰ তুলনাত জিৰণি কোঠাটো নিচেই সৰু। আনহাতে 'Latrine' আৰু Urinal ৰুমৰ ভিতৰৰে সংযোগ হোৱাত লগতে পানী যোগানৰ ব্যৱস্থা নথকাত ৰুমটোত জিৰণিৰ পৰিবেশ নাথাকে। দুৰ্গন্ধত ঠেক ৰুমটোত জিৰণি লোৱা প্ৰায় অসম্ভৱ। তথাপি দূৰৰ পৰা অহা ছাত্ৰীসকলে উপায় বিহীন হৈ সেই অসম্ভৱক সম্ভৱ কৰিবলৈ বাধ্য হয়। তেতিয়া তেওঁলোকে বিৰক্তিত প্ৰশ্ন কৰে সম্পাদিকাই কি কৰিছে ? কিন্তু কথা হ'ল সম্পাদিকাই কি কৰিব পাৰে ? সম্পাদিকাই মাত্ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত আবেদন জনাবহে পাৰে। যিয়েই নহওঁক ৰুমটোৰ সমস্যা সমাধান হবলৈ হলে অধ্যক্ষ মহোদয়ৰ ছাত্ৰী সকলৰ প্ৰতি সহানুভূতি আৰু আন্তৰিকতাৰ অতিকৈ প্ৰয়োজন। জিৰণি লব লাগে কেতিয়া আৰু কিয় ? কিন্তু বৰ্তমানৰ যিটো জিৰণি কোঠা তাত জিৰণি লবলৈ গৈ কি পোৱা যায় ? ছোৱালীৰ যি ভীৰ হয় তাত বহিব, জিৰাব পোৱা বেলেগে অলপ শান্তিৰে থিয় হৈ থাকিবও নোৱাৰি। সেয়েহে মই অধ্যক্ষ মহোদয় আৰু কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যাতে ছাত্ৰীসকলৰ অসুবিধালৈ লক্ষ্য ৰাখিয়ে এটা আহল বহল জিৰণি কোঠাৰ ব্যৱস্থা কৰে।

মোৰ কাৰ্য্যকাল ছোৱাত যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোৰ সকলো কামতে সহায় সহযোগ আগবঢ়ালে তেওঁলোকক মোৰ আন্তৰিক মৰম আৰু হিয়াভৰা ওলগ জনালোঁ। বিশেষকৈ শ্বহীদ খগেশ্বৰ বৰুৱাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ; তেখেতে কলেজ সপ্তাহত মোৰ প্ৰায়বোৰ খেলতে পূৰ্ণ সহায় কৰা বাবে। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক। মই কাৰ্য্যভাৰ লোৱাৰ আগৰে পৰা কাৰ্য্যভাৰ অৰ্পণ কৰালৈকে সৰু ডাঙৰ সকলো কামতে মোৰ লগতে থাকি সহায় কৰা বাবে ভাইটি শ্ৰীঅনিল নাথলৈ মোৰ মৰম আৰু শুভেচ্ছা থাকিল। মোৰ অতিকৈ শ্ৰদ্ধাৰ ভাবপ্ৰাপ্ত অধ্যাপিকা শ্ৰীবিদ্যুৎপ্ৰভা দাস বাইদেউৱে মোৰ দায়িত্ব পালনত সকলো কামৰ আগত দিয়া মূল্যবান উপদেশ সমূহৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যি সকল বন্ধু বান্ধৱীয়ে মোক সম্পাদিকা হিচাবে থিয় দিবলৈ উৎসাহ, উদ্দীপনা দিছিল সেইসকললৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মোক এইকণ লিখাৰ সুবিধা দিয়া বাবে আলোচনীৰ সম্পাদক শ্ৰীবিশ্বজিৎ গোস্বামী দেৱক ধন্যবাদ জনাইছোঁ।

পৰিশেষত বছৰটোৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি লগতে মোৰ অতিকৈ প্ৰিয় মঙলদৈ মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

ইতি--

শ্ৰীচন্দ্ৰপ্ৰভা বৰুৱা,
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা,
মঙলদৈ মহাবিদ্যালয়।

## ১৯৮২-৮৩ চনৰ মহাবিদ্যালয় সপ্তাহৰ



কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল/বহি বাওফালৰ পৰা আব্দুল আজিজ, কৰুণা প্ৰসাদ শৰ্মা (দলপতি), থিয় হৈ বাওঁফালৰ পৰা গণেশ্বৰ চহৰীয়া আৰু মঃ ইম্ৰামুল হুচেইন।

## বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



ফুলু কলিতা



উমেশ বৰদলৈ

## চন৮২-৮৩ চনৰ মহাবিদ্যালয় শ্ৰেষ্ঠ নাট্য দল




নাট্যকাৰ/ প্ৰশান্ত গোস্বামী। প্ৰথমশাৰী [বহিবাওফালৰ পৰা] সৰ্বশ্ৰী প্ৰেমানন্দ চিক্‌দাৰ [দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা] নীলাক্ষী শইকীয়া [শ্ৰেষ্ঠ অভিনেত্ৰী] গনেশ্বৰ চহৰীয়া/দ্বিতীয়শাৰী [থিয় হৈ] সৰ্বশ্ৰী স্বপন কুমাৰ ঘোষ [শ্ৰেষ্ঠ অভিনেতা] নুৰুল ইচলাম, চফিক আলাম আবিদ, বিপুল চলিহা আৰু ইৰান ৰয় [শ্ৰেষ্ঠ পৰিচালক]

বছৰৰ শ্ৰেষ্ঠ অভিনেতা

স্বপন কুমাৰ ঘোষ





শ্ৰেষ্ঠা সাহিত্যিকা

কাঞ্চন বৰুৱা



মুক্তিনাথ গোস্বামী চলন্ত শ্বিল্ডেৰে
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক গনেশ্বৰ চহৰীয়া





শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ
গিৰিন্দ্ৰ প্ৰসাদ বৰুৱা



বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী

কাঞ্চন বৰুৱা

বছৰৰ শ্ৰেষ্ঠ প্ৰাপ্ত ভাৰউত্তোলন আৰু দেহশ্ৰী প্ৰতিযোগী

মঃ আবু বক্কৰ আলী





বছৰৰ শ্ৰেষ্ঠ নাট্যকাৰ

ব আব্দুল আজিজ



বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী

গনেশ্বৰ চহৰীয়া

শ্ৰেষ্ঠ গায়িকা / প্ৰতিমা বসু



আমাৰ কলেজৰ বঙালী বিভাগৰ অধ্যাপক শ্ৰীৰমেন কুমাৰ ৰায় মহোদয়ে যোৱা ফেব্ৰুৱাৰীত উত্তৰবংগ বিশ্ববিদ্যালয়ৰ পৰা পি, এইচ, ডি, ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল "বেজবৰুৱা যুগেৰ অসমীয়া সাহিত্য ও সমসাময়িক বাংলা সাহিত্যেৰ তুলনামূলক বিচাৰ"।



ডঃ ৰায়ৰ গৱেষণাৰ নিবন্ধটোৰ পৰীক্ষক আছিল ডঃ সুবোধ ৰঞ্জন ৰায়, ডঃ সুধাংশু মোহন বন্দ্যোপাধ্যায় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযতীন মোহন ভট্টাচাৰ্য মহোদয়। তেখেতসকলে গৱেষণা নিবন্ধটোৰ ভূয়সী প্ৰশংসা কৰে।

ডঃ ৰমেন কুমাৰ ৰায় এম.এ. (ত্ৰিবোল)
পি. এইচ. ডি. কাব্যতীৰ্থ।



'৮৩ ৰ ২৭ জুলাইৰ পৰা ৩১ জুলাইলৈ D. K. কলেজত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ N.S.S. আৰু বিশেষ সমাজ সেৱা শিবিৰত প্ৰতিনিধিত্ব কৰা মহাবিদ্যালয়ৰ দলটি—
বহি ঃ (বাওঁফালৰ পৰা) সৰ্বশ্ৰী বিজুজ জাহান চালেহা বেগম, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা কাৰ্য্য-সূচী বিষয়া, দিপ্তীমণি বৰুৱা।
থিয় হৈ ঃ (বাওঁফালৰ পৰা) শ্ৰীউপেন্দ্ৰ চন্দ্ৰ ডেকা, সঃ, সমাজ সেৱা বিভাগ, শ্ৰীগোপাল নাথ, অধিনায়ক (N.S.S.)



শ্ৰীকেশৱ চন্দ্ৰ নাথ
শ্ৰেষ্ঠ সমাজ কৰ্মী।

মধ্যপ্ৰদেশৰ পাছমাৰিত অনুষ্ঠিত হোৱা নৱম "ৰভাৰ ৰেঞ্জাৰ সমাগমত" অসমৰ দলটিক প্ৰতিনিধিত্ব কৰি সুখ্যাতি অৰ্জন কৰে।

# আলোচনী সম্পাদনা সমিতি ঃ ১৯৮২-৮৩



প্ৰথম শাৰী ঃ--(বহি বাওঁফালৰ পৰা ক্ৰমে) শ্ৰীদীপক বৰদলৈ সহকাৰী সাধাৰণ সম্পাদক, বিশ্বজিত গোস্বামী (সম্পাদক, আলোচনী) উপাধ্যক্ষ গোপী শৰ্মা, অধ্যক্ষ পূৰ্ণ বৰা, অধ্যাপক ভাৰত শৰ্মা (তত্বাৱধায়ক)

দ্বিতীয় শাৰী ঃ--(থিয় হৈ ক্ৰমে) সৰ্বশ্ৰী চিৰাজুল হক, সম্পাদক, ব্যায়াম শাখা, তৰুণ চন্দ্ৰ শৰ্মা, আদিলা খানম, মোস্তাফা কামাল, নাৰায়ণ মালাকাৰ, আৰিফ আলি (সঃ সাহিত্য বিভাগ)

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰাৰম্ভণিতে যি সকল দেশ মাতৃকাৰ পৱিত্ৰ সন্তানে আমাক কন্দুৱাই চিৰ কাললৈ আমাৰ মাজৰ পৰা আঁতৰি গ'ল, সেই সকল শ্বহীদৰ পৱিত্ৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত আকুল আহ্বান জনাইছো। তাৰ পিচতে যি সকল বন্ধু-বান্ধৱীয়ে এই অভাজনক এই মহাবিদ্যালয়ৰ গধুৰ দায়িত্ব বহন কৰিবলৈ সুবিধাকণ দিলে সেই সকললৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিছো।

সমাজৰ সভ্যতা, সংস্কৃতি, কলা-কৃষ্টি, বজাই ৰাখি সমাজৰ অগ্ৰগতি কৰাই মানৱ সমাজৰ কৰ্ম। এই কৰ্মৰ জৰিয়তে মানুহৰ উন্নতিৰ পদ জখলাৰ মানদণ্ড নিৰূপণ কৰি সমাজৰ সৰ্বতো প্ৰকাৰ প্ৰগতিৰ হকে কৰ্মত অৱতীৰ্ণ হোৱাকে সমাজসেৱা বুলি কব পাৰি।

বিগত বছৰত আমাৰ মহাবিদ্যালয়ৰ সমাজ-সেৱা বিভাগৰ দ্বাৰা হোৱা কাৰ্য্যসূচীত অধ্যক্ষ শ্ৰীযুত আব্দুল মজিদ, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা, সমাজসেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মতিৰাম মেধি, শ্ৰীযুত ৰমনী চহৰীয়া আৰু মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীৰ সহযোগত লই মোৰ কৰ্তব্য সমূহ নিয়াৰিকৈ পালন কৰিবলৈ চেষ্টা কৰিছিলো।

কাৰ্য্যকালৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ চৌহদ মেৰামতি কৰা হয়। মহাবিদ্যালয় সপ্তাহত তিনিটি শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন ধৰণে শ্ৰমদান কৰি প্ৰতিভা বিকাশ কৰে। ৰচনা আৰু সাধাৰণ জ্ঞান প্ৰতিযোগিতাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষতা, দেশ প্ৰেমৰ প্ৰবাহতা সাৰ্থকভাৱে বৃদ্ধি কৰাই এই প্ৰতিযোগিতাত নিম্নোক্তসকলে বঁটা লাভ কৰে।

প্ৰথমস্থান ঃ

১। শ্ৰীগণেশ্বৰ চহৰীয়া বি,এচ,চি ২য় বাৰ্ষিক
২। শ্ৰীকাঞ্চন বৰুৱা " "
৩। শ্ৰীকেশৱ নাথ " "

দ্বিতীয়স্থান ঃ

১। শ্ৰীদিপ্তীমণি বৰুৱা পি ইউ ২য় বাৰ্ষিক (বিজ্ঞান)
২। শ্ৰীবিজুজ জাহান চালেহা বেগম পি. ইউ ২য় বাৰ্ষিক (বিজ্ঞান)
৩। শ্ৰীদিপ্তীবাণী শৰ্মা বি-এ ১ম বাৰ্ষিক

তৃতীয়স্থান ঃ

১। শ্ৰীগোলোক বৰা পি-ইউ (কলা) ২য় বাৰ্ষিক
২। শ্ৰীমঞ্জুলা চহৰীয়া "(বিজ্ঞান) "
৩। শ্ৰীতৰুণ চন্দ্ৰ নাথ "(বিজ্ঞান) "
৪। শ্ৰীভদ্ৰেশ্বৰ শৰ্মা বি-এ ১ম বাৰ্ষিক
৫। শ্ৰীপূৰণ চন্দ্ৰ শৰ্মা বি-এচ-চি ১ম বাৰ্ষিক
৬। শ্ৰীদিলীপ বড়া " ২য় বাৰ্ষিক
৭। শ্ৰীবীণাপাণি ডেকা বি-এ "
৮। শ্ৰীলম্বোদৰ বৰুৱা " ১ম "

মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে মহা-বিদ্যালয়ৰ চৌহদত আন দুদিন দুটা শিবিৰেৰে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সমাজৰ উন্নতিৰ, আত্ম-নিৰ্ভৰশীলতাৰ প্ৰতি আকৃষ্ট কৰি আহ্বান কৰা শিবিৰত বিপুল উৎসাহেৰে যোগদান কৰি শিবিৰ সাফল্য মণ্ডিত কৰি তোলে।

মোৰ কাৰ্য্যকালৰ আৰম্ভণিতে বিভিন্ন দিশত অভাৱ হোৱা হেতুকে মনেৰে ভবা মতে কাম কৰাত বাধা পাওঁ। বিশেষকৈ এই বিভাগটো অৰ্থনৈতিক দিশত অতি নগণ্য। প্ৰায় চাৰি হেজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই সীমিত অৰ্থৰে পৰিচালনাত অসুবিধাৰ সন্মুখীন হব লগা হয়। সা-সঁজুলিৰ অভাৱ আৰু এই বিভাগৰ কোনো এটি স্থায়ী সা-সঁজুলি ভঁৰাল নোহোৱা হেতুকে বহুতো ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়। এই খিনিতে বিভাগীয় কৰ্তৃ-পক্ষক এই অভাৱ বিলাকৰ প্ৰতি মন আকৃষ্ট কৰি যাতে সোনকালে ব্যৱস্থা কৰে তাৰ বাবে মনোনিবেশ

কৰিবলৈ জনালো। মোৰ দায়িত্বৰ এই সময়-ছোৱাত মোক সু-পৰামৰ্শ তথা উপদেশ দি নিয়াৰিকৈ পৰিচালনাত কৰা সহায়ৰ বাবে মননীয় অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিভিন্ন সম্পাদক সকল তথা সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ শ্ৰদ্ধা আৰু হিয়া ভৰা কৃতজ্ঞতা নিবেদিছো। মোৰ সকলো কামতে ওচৰতে থাকি সহায় কৰা বাবে গণেশ্বৰ চহৰীয়া, দুৰ্লভ ডেকা, কেশৱ নাথ, গোলোক, দেবেন, গোপাল, মহেন্দ্ৰ, কিৰণ, জ্যোতি, ননী, দিপালী, প্ৰণতি আদিলৈ মই মোৰ অকুণ্ঠ শলাগ জনাইছো। মোৰ কাৰ্য্যকালত যিবোৰ প্ৰয়োজনীয় কাম বাকী ৰ'ল সেইবোৰ কাম মোৰ পিচৰ সম্পাদকলৈ এৰিলো। দেশৰ বাবে সমাজৰ হকে যাতে প্ৰত্যেকেই ত্যাগ স্বীকাৰ কৰে তাকে আশা কৰি মোৰ অনিচ্ছাকৃত ভুলৰ বাবে আটাইৰে ওচৰত ক্ষমা ভিক্ষা মাগি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম

শ্ৰীউপেন্দ্ৰ চন্দ্ৰ ডেকা
সম্পাদক, সমাজসেৱা বিভাগ

## তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

লিখনিৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হকে যি সকল বীৰ-বীৰাঙ্গনাই জাতিৰ তিলক পিন্ধাই আমাৰ মাজৰপৰা চিৰ দিনৰ বাবে আতৰি গ'ল সেই সকল মহান শ্বহীদলৈ শ্ৰদ্ধা নিবেদিছো।

আই অসমীৰ বিপদাপন্ন অৱস্থাৰ মাজতেই অসীম সাহস বুকুত বান্ধি অসম মাতৃৰ পূজাৰী হিচাবে সুবিধাকণ বিচাৰি মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ১৯৮২—৮৩ চনৰ ছাত্ৰ সন্থাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে সদৌ অসম ছাত্ৰ সন্থাৰ মহাবিদ্যালয় গোটে মনোনীত কৰি নিৰ্বাচনত নামিবৰ বাবে সুবিধাকণ দিলে আৰু বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

পাঠ্যক্ৰমৰ ওপৰতে এজন ছাত্ৰ-ছাত্ৰী বা ব্যক্তিৰ জ্ঞান অৰ্জন নহয়। তৰ্ক, বক্তৃতা আৰু আলোচনা চক্ৰ আদিৰ মাজেৰেও ছাত্ৰ-ছাত্ৰীক শিক্ষা লাভ কৰিবলৈ দি দেশৰ প্ৰভুত উপকাৰ সধাটো কৰ্তব্য ; তৰ্ক, বক্তৃতা আৰু আলোচনা চক্ৰ আদি এটা তাৎপৰ্য্যপূৰ্ণ বিষয়। যিয়ে আমাক মানসিক ভাৱে বুদ্ধি আৰু যুক্তি যুক্তভাৱে কোনো এটা বিষয়ৰ ওপৰত শুদ্ধ অশুদ্ধ বিচাৰ কৰাত সহায় কৰে।

মহাবিদ্যালয় সপ্তাহ ঃ—মোৰ কাৰ্য্যভাৰৰ পিছতেই মহাবিদ্যালয় সপ্তাহ বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হয়। এই সপ্তাহত তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা আদিৰ প্ৰতিযোগিতা পতা হয়। অতি পৰিতাপৰ কথা যে বিভিন্ন বিষয়ত প্ৰতিযোগী কম হোৱাৰ কাৰণে মহাবিদ্যালয়ৰ সন্মান হানি হোৱা যেন অনুভৱ হয়।

আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা ঃ বিগত বছৰৰ দৰে এইবেলি সদৌ অসম ভিত্তিত বিভিন্ন মহাবিদ্যালয়ে অনুষ্ঠিত কৰা তৰ্ক প্ৰতিযোগিতা সমূহত যোগদান কৰা নাছিলো। কাৰণ মহাবিদ্যালয়ত তৰ্ক আৰু বক্তৃতা সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মনতে ঠিৱাং কৰিছিলো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ পিছৰ কৰ্ম-কৰ্তা সকললৈ কিবা এটা চিন স্বৰূপে থৈ যাব লাগিব। আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত যোগদান কৰা নাছিলো যদিও কটন মহাবিদ্যালয়ে অনুষ্ঠিত কৰা 'মাণিক চন্দ্ৰ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা'ত মহাবিদ্যালয়ৰ পৰা যোগদান কৰি উচ্চমান বিশিষ্ট এই গাম্ভীৰ্য্যপূৰ্ণ. অনুষ্ঠানত

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিযোগী সকলেও সমাদৰ লাভ কৰিছিল। সীমিত পুঁজিৰে তৰ্ক আৰু বক্তৃতা বিভাগতো পৰিচালনা কৰা অতি অসুবিধা যদিও অসুবিধাক অসুবিধা বুলি অনুভৱ নকৰি অশেষ চেষ্টাৰে পোন প্ৰথমবাৰৰ বাবে মঙলদৈ মহাবিদ্যালয় শ্বহীদ স্মৃতি চলন্ত ট্ৰফী নামাকৰণেৰে এখনি তৰ্ক প্ৰতিযোগিতা পাতিব বিচাৰো আন্তঃ মহাবিদ্যালয় ভিত্তিত।

মঙলদৈ মহাবিদ্যালয় শ্বহীদ স্মৃতি চলন্ত ট্ৰফী ঃ—অসম মাতৃৰ পূজাৰ বেদীত মহাবিদ্যালয়ৰ পৰা যি সকল অসমী আইৰ সুযোগ্য সন্তানে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক মণ্ডলী, কৰ্মচাৰী বৃন্দৰ লগতে অসমপ্ৰেমী ৰাইজক কন্দুৱাই চিৰদিনৰ বাবে আতৰি গ'ল সেই সকলৰ স্মৃতি ৰক্ষাৰ্থে সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় "শ্বহীদ স্মৃতি ট্ৰফী" তৰ্ক প্ৰতিযোগিতাখনি পাতিব বিচাৰিছিলো। কিন্তু বহুতো বাধা-বিঘিনি আহি পৰাত সদৌ দৰং জিলা আন্তঃ বিদ্যালয়-মহাবিদ্যালয় সমূহৰ মাজত যোৱা ইং ২৬।১২।৮৩ তাৰিখে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত শ্ৰেষ্ঠ দলৰ স্থান অধিকাৰ কৰি মঙলদৈ মহাবিদ্যালয় শ্বহীদ স্মৃতি চলন্ত ট্ৰফী লাভ কৰে তেজপুৰ মহাবিদ্যালয়ে। শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লৈ 'শ্বহীদ হৰগোবিন্দ গোস্বামী স্মৃতি চলন্ত বঁটা' লাভ কৰে তেজপুৰ মহাবিদ্যালয়ৰ শ্ৰীশান্তনু মহন্তই, ২য় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰি 'শ্বহীদ ডিম্বেশ্বৰ ডেকা চলন্ত বঁটা" লাভ কৰে মঙলদৈ মহাবিদ্যালয়ৰ শ্ৰীদিগন্ত ডেকাই। আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰি মঙলদৈ মহাবিদ্যালয়ৰ শ্বহীদ স্মৃতি চলন্ত ট্ৰফী (সৰু) লাভ কৰে মঙলদৈ বি, টি, কলেজৰ শ্ৰীগণেশ্বৰ চহৰীয়াই।

আধৰুৱা প্ৰেক্ষগৃহ ঃ--মঙলদৈ মহকুমাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়ত এটা প্ৰেক্ষা-গৃহ নোহোৱাতো অতি পৰিতাপৰ কথা। আজি কিছু বছৰ আগতে প্ৰেক্ষা-গৃহৰ কাম আৰম্ভ হৈছিল যদিও প্ৰাৰম্ভিক কামখিনি কৰি ইমানতে হাত সামৰা যেন অনুভৱ হৈছে। এখন আলোচনা চক্ৰ, তৰ্ক প্ৰতিযোগিতা পাতিব বিচাৰিলেই বাৰুকৈয়ে অনুভৱ হয় প্ৰেক্ষাগৃহৰ। সেয়েহে মই এই প্ৰতিবেদনৰ জৰিয়তে আধৰুৱা প্ৰেক্ষা-গৃহটোৰ ফালে চকু ফুৰাবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক দৃষ্টি-গোচৰ কৰিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ—মোৰ কাৰ্য্যকাল ছোৱাত থিতাতে দিহা-পৰামৰ্শ দি অহা বাবে এই বিভাগৰ ভাৱপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীহৰিচন্দ্ৰ ডেকা চাৰ, মহাবিদ্যালয়ৰ অধ্যাপক মণ্ডলী, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহক সদস্য আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী।

সদৌ শেষত অজানিতে কৰা ভুল ত্ৰুটিৰ ক্ষমা-ভিক্ষা বিচাৰি এই বিভাগৰ তথা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি ক্ষুদ্ৰ প্ৰতিবেদনখনিৰ সামৰণি মাৰিছোঁ।

জয়তু অসমী আই

শ্ৰীখৰ্গেশ্বৰ নাথ
সম্পাদক—
তৰ্ক আৰু বক্তৃতা বিভাগ।

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভণিতেই সম্পাদক হৈ থকা কাল ছোৱাত আপোনাসৱৰ পৰা পোৱা সহায় সহযোগ আৰু ভাতৃ সুলভ মৰমৰ বাবে আপোনা সৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। ১৯৮২-৮৩ বছৰৰ সম্পাদক হিচাবে ইং ১১ নবেম্বৰ ৮২ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই বা কাৰ্য্যভাৰ গ্ৰহণ কৰি কিদৰে আপোনা সৱৰ সেৱা তথা মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখিব পাৰিছো সেয়া আপোনাসৱৰ বিচৰাধীন।

ছাত্র জিৰণী কোঠাৰ সম্পদক হৈয়েই পোন প্ৰথমেই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। উক্ত "সপ্তাহত" মোৰ বিভাগৰ প্ৰত্যেকটি খেল ধেমালিয়েই নিয়াৰিকৈ চলাই নিব খোজা পথত হৈ যাব খোজা বেমেজালিত প্ৰত্যেকজন সচেতন ছাত্ৰই আগবঢ়োৱা পৰামৰ্শ বা সেৱা সঁচাকৈয়ে বৰ অনুপ্ৰেৰণা মূলক। মোৰ আশা, যাতে আগলৈয়ো এনে ধৰণৰ সহায় সহযোগত খেল ধেমালিৰ পৰিবেশ জী থাকে। ইং ১৭ ডিচেম্বৰ ৮২ তাৰিখৰ পৰা আৰম্ভ হোৱা মোৰ বিভাগৰ খেল সমূহ বিশেষকৈ বেডমিন্টন, টেবুলটেনিচ, কেৰম, ব্ৰীজ আদি সকলো বোৰ খেল অনুষ্ঠিত কৰা হয় আৰু এই বিভাগত শ্ৰেষ্ঠ খেলুৱৈ হিচাবে শ্ৰীগিবিন্দ্ৰ প্ৰসাদ বৰুৱাই সন্মান লবলৈ সক্ষম হয়।

মহাবিদ্যালয় সপ্তাহৰ দায়িত্ব শেষ কৰাৰ কিছু দিন পাছৰ পৰাই অসমত নিৰ্বাচন সন্দৰ্ভত পৰিবেশ বেয়া হৈ পৰাৰ ফলত কেইবা মাহো মহাবিদ্যালয় বন্ধ তথা পৰীক্ষা আদি বন্ধৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ বন্ধুৰ মাজত মোৰ/আমাৰ পদটিৰ কৰ্ম তৎপৰতা হ্ৰাস পোৱাতো স্বাভাৱিক। সম্পাদকে নিজেই বহু কেইবাৰ কাৰাৰুদ্ধ আৰু মঙলদৈ চহৰত জাৰি কৰা সান্ধ্য আইন ভঙ্গ কৰি পুলিচী অত্যাচাৰৰ বলী হৈ বহু কেইদিন চিকিৎসাধীন হৈ থাকিব লগাত পৰিছিলো। অসমৰ এনে বেয়া পৰিবেশৰ বাবে এইবাৰ আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতা নোহোৱাৰ বাবে বাহি হোৱা ধন সমূহ মহাবিদ্যালয় চৌহদত সজোৱা শ্বহীদ বেদীৰ কামত খটোৱা হয়।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাবে যিখিনি অভিজ্ঞতা লভিছো তাৰ পৰা মহাবিদ্যালয় কৰ্তৃপক্ষলৈ মোৰ এটি মাথো অনুৰোধ, যিখন মহাবিদ্যালয়ত প্ৰায় দুই হাজাৰ ছাত্ৰতকৈ অধিক ছাত্ৰই অধ্যয়ন কৰে তেনে এটি অনুষ্ঠানত ছাত্ৰ জিৰণী কোঠাটি মাথো দহ কি বিশজন ছাত্ৰৰ পদধূলিতেই ভৰি পৰাতো বৰ অনুতাপৰ। সেয়েহে অনতি পলমে ইয়াৰ বিহিত ব্যৱস্থা লওঁক। সম্পাদক হিচাবে ছাত্ৰ সমূহক বিভিন্ন খেলৰ সামগ্ৰী ঠাইৰ অভাৱত উলিয়াই দিব নোৱাৰাতো এক প্ৰকাৰ লাজৰ কথা হৈ পৰিছিল আৰু হৈ আছি আছে। মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ বন্ধুলৈ মোৰ আহ্বান যাতে ভৱিষ্যতে ছাত্ৰ জিৰণী কোঠাটিৰ মানদণ্ড উৎকৃষ্ট কৰি তুলিব পাৰে।

শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ আৰু ছাত্ৰী তথা ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰি বছৰৰ খতিয়ানৰ সামৰণি মাৰিলো।

চফিকুৰ ৰহমান
সম্পাদক, ছাত্ৰ জিৰণী কোঠা।

## ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন ঃ

## N.S.S. AT A GLANCE

1. Serve the community and nation through N.S.S.
2. Help the weaker sections to solve their problems.
3. Make your vacation and leisure period meaningfull.
4. Learn dignity of labour.
5. Have ecquaitance with the realities of life while studing.

প্ৰতি বছৰে নিয়মীয়া সমাজ সেৱা আৰু বিশেষ শিবিৰৰ যোগেদি সুনাম অৰ্জন কৰি ১৯৭২ চনৰ পৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে এয়া দশম বছৰত ভৰি দিলে। দেশৰ সংকটপূৰ্ণ অৱস্থাৰ মাজতো এই আঁচনিৰ যোগেদি এই বছৰত যি কাম কৰা হয় তাৰ এটা চমু আভাস তলত দিয়া হ'ল।

মহাবিদ্যালয়ৰ চৌহদত :-- সমাজক সেৱা কৰাৰ আগতে নিজৰ অনুষ্ঠানখনৰ পৰিষ্কাৰ পৰিচন্নতালৈ লক্ষ্য ৰখা আৰু উন্নতি সাধন কৰা আৱশ্যক। সেয়েহে যোৱা ৭।২।৮২, ১১।৪।৮২, ১০।১০।৮২, ২১।১১।৮২ আৰু ১১।১২।৮৩ তাৰিখত একদিনীয়া শিবিৰ আৰু ২০।৭।৮২, ২৩।১০।৮২ আৰু ১৫।১২।৮৩ তাৰিখে অৰ্দ্ধদিনীয়া শিবিৰৰ যোগেদি মহাবিদ্যালয়ত চৌহদ পৰিষ্কাৰ, বৃক্ষৰোপণ আদি কাম কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ অন্যান্য অনুষ্ঠান— নবাগত আদৰণি, কলেজ সপ্তাহ, আৰু সদৌ অসম মুক্তি যুঁজাৰু সন্মিলন ৭ম অধিবেশন (২৭।১১।৮৩), দৰং জিলা শ্বহীদ চলন্ত ট্ৰফি প্ৰতিযোগিতা (২৬।১২।৮৩) আদি অনুষ্ঠানৰ বিভিন্ন দিশত কৰ্তৃপক্ষক সহায় কৰা হয়।

কলেজ কেনেলত :--১৯৭৭-- ৭৮ চনত বিশেষ শিবিৰৰ যোগেদি আৰম্ভ কৰা ৩৫০০ ফুট দীঘল কলেজ কেনেলৰ কাম এইবাৰ ৭।১২।৮২ তাৰিখৰ পৰা হোৱা শিবিৰৰ জৰিয়তে সম্পূৰ্ণ কৰা হয়। ইয়াত মঙলদৈ মহাবিদ্যালয়, মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মঙলদৈ টাউন হাইস্কুল, মঙলদৈ বিদ্যাপীঠ, পশ্চিম ৰঙামাটি হাইস্কুল আদিৰ ছাত্ৰ-ছাত্ৰী সকলে যোগদান কৰিছিল। ইয়াৰ উপৰিও মঙলদৈ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী আৰু স্থানীয় ৰাইজৰ সহায়-সহযোগ উল্লেখনীয়। সুখৰ বিষয় এয়ে যে এই আঁচনিৰ জৰিয়তে মঙলদৈ পৰিবহন নিগম আস্থানৰ দক্ষিণে থকা মঙলদৈ নদীৰ চোকা ভাজ কাটি বেগা নদীৰ লগত সংযোগ কৰি পোনে পোনে ব্ৰহ্মপুত্ৰ নদীৰ লগত সংযোগ কৰাৰ ফলত ১৪খন গাওঁ মঃ মঃ ছাত্ৰী নিবাস, ৩২নং ৰাষ্ট্ৰীয় পথ আদি বানপানীৰ কৱলৰপৰা ৰক্ষা পৰিছে। ইয়াৰ উপৰিও ১৭০ বিঘা মাটি খেতিৰ উপযোগী কৰি তোলা, মঙলদৈ চহৰৰ সম্প্ৰসাৰণ কৰা আদি কামত সহায় হয়।

ছাত্ৰনেতা প্ৰশিক্ষণ শিবিৰতঃ—৩।৬।৮২ তাৰিখৰ পৰা ৭।৬।৮২ তাৰিখলৈ উত্তৰ গুৱাহাটীত অনুষ্ঠিত বিশেষ শিবিৰত মুঠ ৫ জন ছাত্ৰ আৰু ২৩।৭।৮৩ তাৰিখৰ পৰা ২৭।৭।৮৩ তাৰিখলৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত বিশেষ শিবিৰত ৫ জন ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰে।

অন্যান্য সমাজ সেৱা :—(ক) ১০।৯।৮২ তাৰিখৰ পৰা ১৯।৯।৮২ তাৰিখলৈ মঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত চকু চিকিৎসা শিবিৰত ৭০ জন স্বেচ্ছা সেৱকে অংশ গ্ৰহণ কৰে।

(খ) আন্তঃ ৰাজ্যিক পাৰিপাৰ্শ্বিকতা উন্নয়নত "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ বিশেষ শিবিৰ ( Inter State Eco-development N.S.S. Special Camp) ২০।৯।৮২ তাৰিখৰ পৰা ২৯।৯।৮২ তাৰিখলৈ আলিপুৰ দুৱাৰৰ জয়ন্তীত অনুষ্ঠিত হয়। উক্ত শিবিৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মঙলদৈ মহাবিদ্যালয় আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ১৫ জনকৈ ছাত্ৰই অংশ গ্ৰহণ কৰি যথেষ্ট খ্যাতি অৰ্জন কৰিছে।

(গ) ৩০।১১।৮২ তাৰিখৰ পৰা ৫।১২।৮২ লৈ আৰু ১৯।১১।৮৩ৰ পৰা ২৪।১১।৮৩ তাৰিখলৈ মঙলদৈত অনুষ্ঠিত শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱত ৰাঃ সেঃ আঃৰ স্বেচ্ছা সেৱকে ধৰ্মপ্ৰাণ ৰাইজলৈ সেৱা আগবঢ়ায়।

(ঘ) ১৯৭৮—৭৯ চনত আৰম্ভ কৰা প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ ৩০ টাকৈ কেন্দ্ৰ ৰাঃ সেঃ আঃ ৰ অধীনত চলোৱা হয়। ইয়াৰ পৰৱৰ্তী কাৰ্য্যসূচী হিচাবে যুৱ সংগঠন, কৃষক সংগঠন আদি অনুষ্ঠান পতা হয়।

প্ৰশিক্ষণ আলোচনা চক্ৰ :— ৰাঃ সেঃ আঃ (N.S.S.) ৰ আদৰ্শ, সমাজৰ বিভিন্ন সমস্যা আৰু ইয়াৰ প্ৰতিকাৰ, আত্মনিয়োগ, সাংস্কৃতিক দিশ


আদিৰ উন্নতি সাধন ইত্যাদি বিষয়ৰ ওপৰত আলোচনা চলোৱা হয়।

অভাৱ অভিযোগ ঃ— যিহেতু কেন্দ্ৰীয় চৰকাৰে ৰাঃ শিঃ বাঃ (NCC) আৰু ৰাঃ সেঃ আঃ (NSS) এটা আনটোৰ বিকল্প ব্যৱস্থা কৰিছে, গতিকে N.S.S. ৰ বাবেও এটা সুকীয়া ভড়ালৰ আৱশ্যক। ৰাঃ সেঃ আঃ স্বেচ্ছা সেৱক সকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত গঢ়ি উঠা কৃষিগাম আৰু আজি শিক্ষা লোৱা আঁচনিৰ অধীনত বন্ধা ঘৰটোত দুখীয়া মেধাবী ছাত্ৰ থকাৰ সুবিধা কৰি দিবলৈ কৰ্তৃপক্ষক টানি অনুৰোধ জনালো।

কৃতজ্ঞতা স্বীকাৰ ঃ— এই বছৰত ৰাঃ সেঃ আঃ (N.S.S.) ৰ বিভিন্ন কাৰ্য্যসূচীত দিহা পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ আব্দুল মজিদ এম, এ, অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱা এম, এ, (ডবল) বি,টি, (কাৰ্য্যসূচী বিষয়া) অধ্যাপক শ্ৰীৰমনী চহৰীয়া এম, এ, অধ্যাপক শ্ৰীক্ষিতেশ্বৰ কোঁচ এম, এ, অধ্যাপিকা বিদ্যুৎপ্ৰভা দাস, এম, এচ-চি, আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই দায়িত্বত বিভিন্ন সহায় সহযোগ আদিৰ বাবে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল, দুৰ্লভ ডেকা, কেশব নাথ, গণেশ্বৰ চহৰীয়া, পবিত্ৰ নাথ, বন্ধুবৰ দেৱেন কলিতা, মহেন্দ্ৰ কলিতা ৰাঃ সেঃ আঃৰ সমূহ স্বেচ্ছাসেৱক, স্বেচ্ছা সেৱিকা আদিলৈ মোৰ ধন্যবাদ যাচিছোঁ। আলোচনী সম্পাদকে এইখিনি লিখিবলৈ সুবিধা দিয়াৰ বাবে তেওঁ মোৰ শলাগৰ পাত্ৰ।

মই আশা কৰোঁ এই আঁচনিয়ে মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত বিপুল অবিহণা যোগাইছে আৰু ই সৰ্ব ভাৰতীয় স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

ধন্যবাদেৰে—
শ্ৰীগোপাল চন্দ্ৰ নাথ
(অধিনায়ক)
"ৰাষ্ট্ৰীয় সেৱা আঁচনি" মঙলদৈ মহাবিদ্যালয়।



বুকু হম হম কৰে............

শিল্পী ঃ মন্টু কুমাৰ দাস।

# Mangaldai College Magazine

## *ENGLISH SECTION*

**ANNUAL PUBLICATION OF**

**Mangaldai College Students' Union**

**1982-83**

In-charge :
**Shri Bharat Ch. Sarmah** M. A.

Editor :
**Shri Biswajeet Goswami**

## IN THIS ISSUE :

Morality in Shakespeare
*Shri Chandra Kr. Sarmah* 1
Discipline and Students
*Tarun Ch. Sarmah* 7
Rover Scouting—its Educative value
*Prof Rajendra Baruah* 9
The Sun
*Miss Meghali Devi* 12
Value-Oriented Personality
—The Need of the Age
*Bijaya Chakravorty* 13

# Morality In Shakespeare

**Sri Chandra Kr. Sarma**
B.A. 1st year.

Morality with the poet is a thing of beauty ; with the artist a principle of harmony ; with the philosopher a means of order and discipline of the soul ; with the politician a weapon of undisturbed rule, with a scientist a mere toy of uniformity ; and with the spiritual thinker either a dream of salvation in the other world or a stern duty to practise poety here on earth for no other ambition except self-satisfaction or congratulation of the world.

If art is really an imitation of nature, the problem of morality in relation to art is really a very perplexing question. Art is certainly a reflection of beauty ; but how far morality lies in the truth of such a reflection is a problem. Henry Hudson says, 'A thing cannot be morally false and artistically true at the same time.' Does Hudson mean to say that our immoral instincts our sinful ideas, our irreligious thoughts cannot be perfectly represented either in language or in music or in colours ? Then, what are those models of sculpture of the Greeks, those master paintings of the Italians, those soul-animating melodies of the French ? What are those famous plays of the dramatists, those enchanting stories and novels of the great writers ?

Hudson forgets one important point that art is never the fruit of reason but of instinct. Art certainly decides to choose between the ugly and the beautiful but never between the moral and the immoral. The moral elements may follow art but do not form her necessary corollary or her immediate counterpart. Beaty may inspire and awaken the moral spirit, but the immoral spirit may also reside in the perfectly beautiful. It is not at all true as Hudson says, 'Man's sense of the

beautiful is so much in the keeping of his moral reason that it cannot be bribed or seduced to a constant admiration of any beauty where the moral element is wanting.

. No art in the world, as no form of beauty, can have a permanent hold on the human mind. If Shakespeare lives even to day, it is not so much for the perfection of his art, as for his sympathy of ideas with the modern world. Shakespeare was a prophet as all great poets are, and for the privilege of his advanced ideas, he has been able to outlive his age. His permanent popularity is not certainly, as Hudson says, due to his perfect sense of relation between morality and art nor is the due to the perference of some individuals of a truely educated taste as opposed to the multitude, who according to Hudson, are men in whom the sense of beauty is outvoiced by cravings for what is sensational, and who are ever mistaking the gratification of their lower passions for the satisfaction of aesthetic conscience. Hudson again admits that if the moral element is overworked, all art would sink into a pious fiaud. Hudson again contradicts himself when he says, 'Moral demonstrativeness and poetry do not go together. A poet's conscience of virtue is better kept to himself save as the sense and spirit thereof silently insinuate themselves into the shaping of his hand, and so live as an undercurrent in the natural course of truth and beauty.' He further says, "If for any purpose, however moral, a poet goes to representing things otherwise than as they are-then just so far his moral teaching will miss its mark. We may read him from a mistaken sense of duty but we shall be drawn to him by an unsophisticated love of the beautiful and the true.

Hudson has tried to discover the moral elements of Shakespeare's personality in order to justify the moral spirit of his dramatic art ; but does the perfection of art really depend upon the perfection of the moral sense ?

Has it not been disproved in the case of almost every poet, every artist, every writer and every musician in the world ? Those who are born with divine gifts are well aware that moments of inspiration are not the moments of reason, governed by the moral sense. It is only when art is laboured, dull and mechanical that she tries to adhere strictly to the moral code ; otherwise she abandons herself in the hands of her instincts and chooses to be

guided by them. Of course, we do not say that Shakespeare was not a virtuous soul in his private life, that he was not upright in his dealings or honest in his ambition or as Ben Jonson says, 'The race of Shakespeare's mind and manners does not brightly shine in his well turned and true-filed lines' Hudson also admits after having made a fruitless quest of Shakespeare's race and manners that we are mainly concerned, not with what he practised but with what he taught.

Now, what does Shakespeare teach through his poetry and art ? The critics observe that he held the mirror upto nature exclude Shakespeare his personal views, sentiments and preferences, and above all his individuality ? But how far such a separation between personality and art is possible or desirable is a problem. Before we solve this problem it is not fair to impute to any artist, and least of all to Shakespeare, the views of his character's is close sympathy, which also cannot be strictly personal.

Of course, Shakespeare also sometimes unconsciously falls into the trap of self-deception, as Hudson points out in the case of Henry the Fifth, 'He delivers him both as Prince Hall and as King in such way that we cannot but feel, he has a most warm and hearty personal admiration of the man ; may, he even discovers an intense moral enthusiasm about him, in the choruses, where he ungrids his individual loves from the strict law of dramatic self-aloofness, and lets in a stream from his own full heart, he calls him the mirror of all Chiristian kings, and ascribes to him such qualities and in such a way as show unequivocally his own cherished ideal of manhood, and in what course the current of his personal approval ran.'

This sympathy may reflect the ideal or the ambition of Shakespeare's soul but not of his life which he actually lived. Shakespeare's sympathy can be judged, not merely by particular characters, but also by certain groups, such as of Antonio, Orlando, Kent, Ferdinand, Horatio, Posthumus, Edgar etc., whose virtues are not very prominent but quite natural, who are neither ambitious nor boastful, who bear the yoke of fortune without any grudge, who suffer but never for any reward, who live for others and little care for their remembrance, humiliation, who have never too much love for life and yet no fear of death who are continually bent on doing

good to ofhers and yet do not yet their weight of service to the world.

Shakespeare's women are far superior to his men in moral excellence. Characters such as Cordelia, Desdemona, Miranda, Perdita, Helena, Viola, Isabela are really immortal. Although their virtues are so natural yet we feel that such creatures are indeed rare in the world. Shakespeare has truely crystallised all his conceptions of womanhood, all his ideals of tenderness love, sweetness in their beautiful forms. He has embodied, as it were, all the good sense, all the good feelings, all the subline passions, all the homely instincts, all the virtuous elements, all the imocent sentiments along with wisdom, humour, earnestness and practical imagination in their character.

The highest moral spirit is always poised between the powers of good and evil, each striving for its mastery and hence, in that struggle between the good and the evil, lies the noblest triumph of the human soul. Shakespeare has not made his characters monks or fugitives, has not pitched them to high or too low from the moral conflict, has not either blinded them perfectly with the touch of the good or infected them for ever with the contagion of the evil, and that is why, all his characters, both men and women, are not shadows or impersonal beings, are not gods or even devils but are tangible creatures of flesh and blood that have got the same weakness and also the same virtues as we people have.

Hudson says, 'The highest proof of the perfect moral sanity of Shakespeare's genius lies in the right moral effect.' This we notice particularly when our feelings are mechanically drawn in sympathy to those characters that are decidedly the best in the play. Shakespeare is such an unimpassioned artist in his treatment and yet so passionate in his conception that when he deals with the human feelings and sentiments in their white heat, he feels himself least ruffled by their acts or thoughts, and conseqnently, drawn towards whatever appeals to our inward we are siding with the right, or the artist is with us in our hatred or love, scorn or sympathy.

Hudson says that Milton is far below Shakespeare as a moral poet, becouse Milton in the linecation of Satan, in Paradise Lost dictates our sympathies in favour of God and the good angels, on the one hand and on the other, compels us to vote for Satan for his tremendous will

power and wonderful intellectual gifts. This wavering of our moral feelings, Hudson belives, is a disqualification of the poet, but it is really so ? We belive, the object of art is not always to guide our sympathy in favour of the moral spirit, and besides, the same character can be both of god and a devil at different moments with dark sports as well as bright elements. Hence, our moral feelings are bound to move in accordance with the change of character and our sympathy, with the change of circumstances, and the artist, who does not make any allowance for the moods of feelings, cannot be a natural artist.

We belive the truest moral excellence lies in our sympathy with the most wicked souls when they fall on evil days and evil tongues when they repent and weep, when they are crippled, helpless and nearest to the grave. Hudson says, we never feel for Jago and Edmund though they are free thinkers, though they have wonderful intellectual powers, determination and will, becouse they defy virtue and defy God, becouse they are bent upon ruining humanity for no definite motive save their malicious delight or personal interest. He says, we feel only for Othello, Edgar Desdemona and all their faults simply becouse they are victims wronged, betrayed and injured through no fault of theirs. Of course, it is true that are moral feelings are more easily moved by the victim than by our victor ; but Hudson forgets that there are moments in our life when the victor sinks into a victim and the victor-victim bleeds on the stage. What should be our feelings then ?

Johnson and others complain that Shakespeare has no moral purpose, has no just distribution of good and evil. The allegations will not appear to be true if we go a little deeper into the mysteries of art and of human nature. Of course, Shakespeare does never put on that priestly attitude to preach morality through art, although he does more in the way of moral teaching by concealing his own personality and dissolving his personal views, sentiments and preferences in his characters with a seeming aloofness from nature and yet in closest touch with her that works a more permanent moral alchemy upon his audience without the least touch of dedictic form or colour.

Just as Becon has said, 'concealment is the noblest art, similarly Shakespeare is the noblest artist for his concealment of the moral

purpose. We belive, every man and woman of Shakespeare, however impersonal they may be, stand like living realities and move before our eyes as if they were like us, charged with the same moral feelings and endowed with the same thought and instincts, weeping and smiling as we do, loving, hating the world, and fighting with the same powers of good and evil with every honest endeavour to win or to lose.

Shakespeare's unequal distribution of good and evil is perfectly in keeping with nature and providence. Do we no find that nature is also indiscreet in her ways, or why should we have buds sickening on the every point of blossoming into a fruit and souls blighted before they rise to their full height ? Why should bright and full fledged things decay and he crippled creatures linger in the agony of death ? Why virtue is dethroned and sin is crowned ? Why pious wishes are baffled before they begin to act and why wicked desings succeed with case ? Providence also seems eqully unkind, unjust and unwise ; or why there be such a difference of fortunes, such a tyranny of circumtances, such an irony of fate ? Why should humanity suffer for no fault of its own, and why should it triumph for its wickedness ?

Shakespeare was certainly aware of this seeming injustice of Nature and Providence more than any of his critics, but he had a more penetrating vision into reality, a greater tolerance and a more enduring sense of justice for which he never grudged God or Fate, never complained against ruthless nature, never pretended to out wit any of them with a prophecy of his own-millennium. Of course, he believed in a far greater world, a far nobler scheme of things, which is not detached from the world of nature but forms a continuous stream, that unites life with death, hope with despaire, virtue with vice, and the good with the evil.

It argues a tremendous will to belive and disbelive at the same time in the greater and lesser forms of the same reality. It reflects a subline confidence of the soul to rest on despair with hope, to depend on death and misery with prospects of a greater life, to hang on the evil with dreams of a nobler dispensation. Shakespeare had that tremendous will and subline confidence that could mock reality in the very face, scorn fate in the very height of her triumph and delude nature and her tryanny with a cheerful resignation, that leads to the final victory of the good and the will divine. 000

( From the help of book studies in Dramatic, Aspects of Shakespeare. )

# Discipline And Students

**Tarun Chandra Sarma**
B.A. 2nd Year

Among other things the students—the school, college and university going boys and girls—are supposed to learn to be disciplined but, of late, this point seems to be missed by many of them. As a result, there is all round indiscipline ; so much so that often there acts of indiscipline turn into law and order problems and the police has to be called in ! However, for this sorry state of affairs the students alone are not to blame for, their teachers, their guardians and the society in general often fail to bring home to them the true meaning of the word 'discipline' and the advantages that accrue to the students themselves and their society from being disciplined. Another reason why the students feel encouraged to indulge in acts of indiscipline is that they find too few persons in the society whom they can emulate.

Discipline, as defined by a philosopher, is obedience to the right order from the right authority. This is a beautiful definition and this should be acceptable as such to all who see reason.

Now, even a cursory look at this definition will make it clear that blind abiding is no discipline, that if a principal of a college passes an unjust order, the students of that college are at liberty to disobey that order without being liable to be labelled indisciplined. Similarly, the students can not be called indisciplined if they disobey an order, howsoever right, passed upon them by a peon because the peon is not the right person to pass orders on the students.

But, if and when the right order issues from the right source, a student must obey it and that will bring him or her in particular and the society in general manifold advantages.

What are these advantages ?

First of all, such reasoned disci-

pline will make the student community lawful and this lawfulness in turn will give them moral courage to be vociferous in matters of concern to themselves and their societies. And this vociferousness will compell others to be disciplined too.

This will invariably put a brake on, if not bring an end to the reign of those who seek discipline from others but do not themselves maintain any decorum.

Secondly, this will set an example for the juniors and help make studied obedience a tradition in the society. Those who are disciplined to-day will be able to demand discipline to-morrow. Nobody will question their right to do so. That will surely bring them immense personal satisfaction apart from order in the society which means minimising the number of untoward incidents here, there and everywhere.

Further, self-discipline, that is, deliberate submission to the law, rather rule, for better than discipline achieved through persuation or coercion. Why should anyone be allowed to hang around and persuade or coerce one to do something when one knows very well that to do it is both right and imperative ? It will increase initiative, lossen indignation and make life more pleasant.

To conclude, it has to be said that discipline is very good and is capable of producing a chain of good results but if only vigilance is maintained for, isn't eternal vigilance the price of liberty ? 000



# Rover Scouting- Its Educative Value

**Prof. Rajendra Baruah**
M.A. (Double), B.T.
Mangaldoi College

**Scout Movement** :- Lord Baden Powell of Gilwell, England is the founder of Scout Movement. It is the organisation of world-brother hood. The aim of the Scout Movement is to develop good citizenship among the boys and girls by developing their character, health, handicraft and skills and the spirit of service.

'Cubs' and 'Bulbuls' of the age group 7 to 11, 'Scouts' and 'guides' of the age group 12 to 17, enjoy a life in the open air for their alround development under the guidance of Cub Master/Flock header and Scout Master/Guide Captain respectively.

**Rovering or Rover Scouting** :- Rover Scouting is the third section of the Scout Movement. 'Do your Best' is the Motto of Cubs/Bulbuls, 'Be Prepared' is the Motto of Scouts/Guides and 'Service' is the Motto of Rovers and Rangers. Thus Rover Scouting is the continuation of the training received in Cubbing and Scouting in the later stage. Moreover, it is a systematic training of youths for the service of self, society or community and the Scout Movement. Due importance have been given on Rover Scouting at present in India and abroad for community service.

According to Baden Powell, Rovers are a brotherhood of 'Open Air' and 'Service,' so the aim of Rovering is Botherhood, in real sense, jolly brotherhood and service. Rover Scouting is an individual training experience for young men. It is a means for self-respect, self-confidence, self-development and self-adjustment. Rover Scouting reminds the responsibility and duties to the neighbour or society, so it is a bi-

polar process an educational training as well as educational service. Knowledge of service and rendering service to the society are equally important in Rover Scouting.

**Organisational Structure :-**

Rover Scouting has two types of organisation, namely—

(a) Open Rover crew system—where the youths attaining 18 years of age may join in a locality under one duly warrented Rover Scout leader (RSL)

(b) Institutional or Sponsoring Rover Crew System—in an educational institution especially in Colleges and Universities.

For entry and activity into Rover Scouting, there are three stages, Rover Aspirant, Rover-in-Training and Rover-in-Service. From the date of entry into Rover Crew to the date of Investiture is ROVER ASPIRANT stage. From Investiture to completion of training on Rovering is Rover-in-Training stage and from completion of training Stage (atleast 6 months) to his whole life is Rover-in-Service. Once a Rover is Rover for life in thought, words and deeds.

The Rover Scout leader (RSL) is the friend, philosopher and guide of the Rover Crew, who is duly trained in any stage training centre or National Training Centre and duly warrented by Head Quarters. Six/Eight Rovers will form a troop giving a name of the troop in the name of a national/state hero. In a College there will be 4 to 6 such troops and collectively all these troops will be called "ROVER CREW."

In a Rover Crew, the Rovers are to adopt the promises. Moreover, he is to undergo practical training in one topic on the subjects, namely, World Affairs, National Affairs, Cultural Subjects, Scout movements, Scout-Craft, Hobbies and Handi-Crafts and Games and Sports.

Training in Scout-Craft and training for service are considered formal basic training for every Rover Scout.

**Progressive Training :-** There are five 'Proficiency badges' for Rover Scouts. Besides these badges, there is the **President's Rover Award,** which may be obtained by a Rover Scout. As a part of progressive Training, the badges and awards will qualify a Rover Scout. It will make him a man of strong personality. It will qualify for character building where thoughts, words and deeds are the same.

'Hyking' by foot or bi-cycling, camping attaining Samagam & Jambubi, taking part in public gathering to serve etc will give vast experience in life to deal with the people in society.

**Rover quests** :- Quest means, 'a search', an adventure, or act of seeking. A quest is profitable from Rover Scouting point of view. The quest of Truth, world scouting, Rover Adventure, the younger Brother, Beauty, Kindness to Animals, Conscience, Happiness, Personal Efficiency, the Spirituals etc are the deep-rooted quests of Rover Scouts. These quests can be fulfilled through different activities.

**Educative Value :**

The year 1982 marked the 75th Anniversary of Scouting and the 125th birthday of its founder, Lord Baden Powell. The year, 1982--83 had since been designated by the World Committee as the year of scout. The United Nations has designated 1982 as the International youth year in the theme—"Participation, development and peace." The year, 1983 will follow up its significance.

It is a great pleasure to note that the Jury of the International Commission for peace had chosen the World Organization of the Scout Movement as receipent of the first UNESCO prize for peace education on October, 1, 1981 at Paris. Now Scout Movement is the most wide-spread volunteer youth movement in the world, where more than 25 million young boys and girls are involved.

Rover Scouting is to continue the spirit of Scouting. All round development depends upon the exercise of the right activities. Aims and objectives of Rover Scouting are based on practical footings.

Rover Scouting will develop the sense of acquisition of knowledge for self, society and world brotherhood. It will inspire the good habits to live a better life in society with full confidence which is most essential at present. Individual upliftment, team spirit, open minded out-look, leadership training, special programme in additing to indoor and out-door programmes, bravery, etc are some of the qualities of Rover Scouting.

Thus, it is clear that the Rover Scouting as well, as Ranger guiding (for girls) have its educative value. The young generation will give deep thought on it for a brighter future in life.

Long live Youth Movement, Long-live Rover Scouting. 000

# The Sun

**Miss Meghali Devi**
B.A. 2nd year.

The sun is for all
Not for the Christian,
Not for the Muslim,
Not for the Hindu, but for all.

She is not for the rich,
Not for the poor,
Not for the blackman,
Not for the whiteman,
—But for all.

It never distinguishes caste,
It never distinguishes creed,
It never distinguishes colour,
And it ever embraces everything.

The sun is for me,
The sun is for you,
The sun is for them,
—But for all.

# Value-Orientd Personality —The Need of the Age

**Bijaya Chakravorty.**

The advancement of modern Science forms an epochal chapter in human history. More particularly, scientific achievements registerd in the current century have opened up new frontiers of human knowledge. Moreover, if the hitherto unfathomed mysteries of the upper realms happen to yield completely to the insatiable simian curiosity of Homo sapien, yet another domain of human knowledge will be conquered. And this is what the scientist of to-day intensely aspire for.

The extention of the horizon of human knowledge is a bright and happy aspect in the life of man. Rationally speaking, there is nothing more thrilling and more adventerous than the acquisition of fresh knowledge and varied experience. But this is not the complete picture of man— the choicest creation of God in the universe. This is just a part of it. Mere knowledge and experience alone cannot enable men to realise the sublime of the divine. There must be the corresponding growth of wisdom the lack of which some day or other shake even the bed-rock of human civilization.

But it is sad to reflect that there has been so far no harnonious blending of human wisdom and human knowledge and power. The imbalance between the two aspects of human life is the most deplorable development of the age. Dr. Ramakrishna perfectly realise this evil consequence of this unhappy imbalance and that is why he sounds a note of warning "....While our knowledge is increasing our wisdom is diminishing, the idea being the spectacular achievements of science. They are so impressed and have got such great reasults in their controll they can devastate the world—that people are asking what

is going to happen to man. Man can control through machine so much of the world and yet his knowledge still seems to be stagnant in not growing correspondingly in wisdom."


It is sad that compartmentalization of knowledge wraps the vision of the specialists. This blinkard vision of the specialists is not conducive to the welfare of humanity at large. The whole problem of human development and the growth of the personality of the individual from the many intangibles which make up life and life's yearnings can perfectly be understood only if the specialists develop broad vision and outlook. Indeed, human race will be relegated to the backwoods if the specialists happen to be the major domos of all human affairs without being inspired with a broad human outlook. That is not all. Dehumanization and brutalization will be inevitable consequence and social relation will be utterly impersonal. Human value and codes of behaviour will be subservient to the consideration of material loss and gain. This is undoubtedly a picture of grim possibility for mankind in this age of space travel.

On the other hand, a ridiculous tendency to mock at moral value in the name of scientific objectivity is observed in modern societies. But the great worshipers of scientific objectivity should be reminded that the "development of a scientific and technological order does not commit us to spiritual arality and inertia."

Now the primary concern before the world is to strike a balance between science and humanities. Science alone cannot deliver the goods to mankind, because science by itself is but an instrument of exploring new horizon of knowledge and power. It does not present a set of values essential for the growth of the inner being. These values which science cannot even dream of, can be derived from philosophy, religion, athics and literature. In short, the heritage of man where from the values spring, should be emphasized. Knowledge and power, if not accompanied by a true set of human values, may be catatrophic. And it is for this true set of human values that the studies of humanition should be of paramount importance in this thermo-nuclear age.

Human civilization will pale into insignificance and scientific achievement will be a varitable source of horror and terror if they do not

help in the growth of a value oriented personality. It is chiefly because of this supreme necessity that science and humanities should be harmoniously developed with no side scoring over the other. This balanced development will give rise to a hope that human kind may be able to order its own affairs as to make power and knowledge the means of life rather than an instrument of doom." Mankind, thus far, has been incapable of achieving the brotherhood of man under the fatherhood of God and has rejected the ancient vision of the world." The victories of science will render this human in capability all the more real if meanwhile a value-oriented human personality does not become a reality. 000



## EDITORS AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1958 TO 1982—83

| Session | Editor | Prof-incharge |
|---|---|---|
| 1958—59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960—61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961—62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962—63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963—64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964—65 | Md. Fazlul Karim | Shri D. Neog |
| 1965—66 | Shri Basab Ch. Sahariah | Shri D. Neog |
| 1966—67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968—69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969—70 | Shri Prabhat Nr. Choudhury | Shri J. C. Sarma |
| 1970—71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971—72 | Md. Mahiuddin Jiaul Hoque | Shri B. Kakati |
| 1972—73 | Shri Premananda Nath | Shri B. Kakati |
| 1973—74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974—75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975—76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976—77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977—78 | Shri Paramananda Razbongshi | Miss Naharun Nesha |
| 1978—79 | Shri Sailendra Kr. Sarma Baruah | Shri Mahendra Prasad Baruah |
| 1979—81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981—82 | Shri Gagendra Baruah | Shri Bharat Sarmah |
| 1982—83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |

মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীবিশ্বজিত গোস্বামীৰ দ্বাৰা প্ৰকাশিত আৰু তেজপুৰৰ জনতা প্ৰেছত মুদ্ৰিত।